গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনত
পি. এইচ. ডি. ডিগ্ৰীৰ বাবে প্ৰদান কৰা গৱেষণাগ্ৰন্থ


প্ৰাপ্তি ঠাকুৰ

অসমীয়া বিভাগ

গুৱাহাটী বিশ্ববিদ্যালয় ঃ ২০০৪

# ৰামধেনুৰ চুটিগল্প ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনত

পি. এইচ. ডি. ডিগ্ৰীৰ বাবে প্ৰদান কৰা গৱেষণাগ্ৰন্থ

প্ৰাপ্তি ঠাকুৰ

অসমীয়া বিভাগ

গুৱাহাটী বিশ্ববিদ্যালয় ঃ ২০০৪

*Pradip Jyoti Mahanta*, Ph. D.

**DEPARTMENT OF ASSAMESE**
**Gauhati University**
**Guwahati - 781014**
**Phone : 91 - 0361 - 2570274**

This is to certify that **Ms. Prapti Thakur** carried on research and completed the thesis entitled **"RAMDHENUR CHUTIGALPA : EK BISLESANATMAK ADHYAYAN"** under my supervision. She has fulfilled all the requirements under the Ph. D. regulations of the Gauhati University. This thesis is the result of her own pursuit and labour.

I also certify that the thesis as a whole or in part has not been submitted elsewhere for obtaining a degree.

**RESIDENCE :** "Naimisa", Keteki Path, Saurabhnagar, Beltola, Guwahati - 781028

# কৃতজ্ঞতা

মোৰ এই গৱেষণা কাৰ্যত অনেকজনৰ সহায়-সহযোগিতাই অনুপ্ৰেৰণা যোগাইছে। সৰ্বপ্ৰথমে মই মোৰ গৱেষণাৰ তত্বাবধায়ক গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ ড° প্ৰদীপজ্যোতি মহন্ত চাৰৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছো। গৱেষণা কাৰ্য আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মূল্যবান উপদেশ, প্ৰয়োজনীয় দিহা-পৰামৰ্শ, দিগ্‌দৰ্শনৰ উপৰি দুষ্প্ৰাপ্য কিতাপ-পত্ৰ, প্ৰবন্ধ-পাতিৰে চাৰে বিশেষভাৱে সহায় কৰিছে। এই খিনিতে বিশিষ্ট গল্পকাৰ আৰু ড° মহন্ত চাৰৰ পৰিবাৰ শ্ৰীযুতা মিনতি চৌধুৰী বাইদেউলৈও তেওঁৰ উৎসাহ তথা প্ৰেৰণাৰ বাবে মোৰ কৃতজ্ঞতা প্ৰকাশ কৰিলো। সময়ে সময়ে আমাৰ আলোচনাত ভাগলৈ তেখেতেও নতুন নতুন দিশ আৰু তথ্যৰ সন্ধান দি মোক বিশেষভাবে উপকৃত কৰিছে।গৱেষণাৰ গোটেই কালছোৱাত পোৱা তেখেতসকলৰ সস্নেহ অনুপ্ৰেৰণা,উদ্গনি,সহায় আৰু তত্বাৱধান মোৰ বাবে স্মৰণীয় হৈ ৰ'ব । *ৰামধেনু*ৰ বিশিষ্ট গল্পকাৰসকল - সৰ্বশ্ৰী মহিম বৰা, চন্দ্ৰপ্ৰসাদ শইকীয়া, নিৰুপমা বৰগোহাঞি, ৰোহিণী কুমাৰ কাকতি, ড° ভবেন্দ্ৰ নাথ শইকীয়া, অতুলানন্দ গোস্বামী, বীৰেশ্বৰ বৰুৱা আৰু ড° মামণি ৰয়চম গোস্বামীৰ পৰামৰ্শ, উৎসাহ অৰু অনুপ্ৰেৰণাই মোক চিৰদিন ঋণী কৰিব। বিভিন্ন প্ৰয়োজনত যেতিয়াই এই সকল শ্ৰদ্ধেয় ব্যক্তিৰ কাষ চাপিছো, অকপটে তেখেতসকলে বিভিন্নভাবে মোক সহায় কৰিছে। এই আনুভূতিক সংসৰ্গ গৱেষণাকালৰ মধুৰ সোঁৱৰণ হৈ থাকিব। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সহধৰ্মিনী শ্ৰীযুতা বিনীতা ভট্টাচাৰ্য বাইদেউ আৰু শ্ৰীৰাধিকামোহন ভাগৱতীয়ে সেই সময়ৰ *ৰামধেনু* সম্পৰ্কীয় বিভিন্ন তথ্য-পাতিৰে মোক উপকৃত কৰিছে।

এই সকলৰ উপৰিও বিভিন্ন ক্ষেত্ৰত মোলৈ সহায়-সহযোগিতা আগবঢ়োৱা সৰ্বশ্ৰী জগন্নাথ ঠাকুৰ, ননী ঠাকুৰ, ৰাজেন ফুকন, কুসুম ফুকন, ড° অপৰ্ণা ভট্টাচাৰ্য, মঞ্জু ভঁৰালী, ভৈৰৱ সন্দিকৈ, দেৱাশিষ ঠাকুৰ,শিৱাশিষ ঠাকুৰ ,ডা° প্ৰণৱ নাথ ,নব কটকী, বিজু বৰুৱা প্ৰমুখ্যে অনেকজনৰ ওচৰত মই ঋণী। সদৌ শেষত মই মোৰ চিন্তা-চৰ্চাৰ একান্ত সহযোগী, যাৰ সহযোগিতা অবিহনে এই গৱেষণা কাৰ্য আধৰুৱা হৈ ৰ'লহেঁতেন - শ্ৰীবিশ্বজিৎ ফুকনলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

একাধিক ৰাজহুৱা, চৰকাৰী আৰু ব্যক্তিগত পুথিভঁৰালৰ পৰা মই লাভ কৰা সহায় অনস্বীকাৰ্য। এই প্ৰসংগত বিশেষভাৱে গুৱাহাটীৰ 'নৰ্থ-ইষ্ট ফাউণ্ডেচন'ৰ তত্বাবধায়ক পিকুমণি দত্ত, জিলা পুথিভঁৰাল (কামৰূপ)ৰ কৰ্মচাৰী লক্ষ্মী বড়ো আৰু জয়া দাস, গোলাঘাটৰ ডা° কুমুদ দত্তলৈও এই সুযোগতে মোৰ কৃতজ্ঞতা জনালো।

প্ৰান্তি ঠাকুৰ

# বিষয়সূচী

অৱতৰণিকা

**প্ৰথম অধ্যায় ঃ**

অসমীয়া চুটিগল্পৰ ক্ৰমবিকাশ ঃ এক ঐতিহাসিক অৱলোকন -১-৩৬

**দ্বিতীয় অধ্যায় ঃ-**

ৰামধেনুৰ চুটিগল্পৰ বৈশিষ্ট্য

১) ৰামধেনুৰ চুটিগল্পত সমাজ সচেতনতা -৩৭-৫০

২) ৰামধেনুৰ চুটিগল্পত হাস্যব্যংগৰ ধাৰা -৫১-৬৫

৩) ৰামধেনুৰ চুটিগল্পত মনঃস্তত্ব -৬৬-৮৮

৪) ৰামধেনুৰ চুটিগল্পত অস্তিত্ববাদ -৮৯-৯৭

৫) ৰামধেনুৰ চুটিগল্পত চেতনাস্ৰোত -৯৮-১০৯

৬) ৰামধেনুৰ চুটিগল্পত মানৱতাবাদ -১১০-১১৮

**তৃতীয়অধ্যায় ঃ**

ৰামধেনুৰ গল্পকাৰসকল

১) চৈয়দ আব্দুল মালিক -১১৯-১৩০

২) বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য -১৩১-১৪১

৩) মহিম বৰা -১৪২-১৫২

৪) যোগেশ দাশ -১৫৩-১৮৯

৫) ভবেন্দ্ৰনাথ শইকীয়া -১৬০-১৬৭

৬) সৌৰভ কুমাৰ চলিহা -১৬৮-১৭৬

৭) চন্দ্ৰপ্ৰসাদ শইকীয়া -১৭৭-১৮১

৮) স্নেহ দেৱী -১৮২-১৮৮

৯) হোমেন বৰগোহাঞি -১৮৯-১৯৯

১০) মেদিনী চৌধুৰী -২০০-২০২

১১) নিৰুপমা বৰগোহাঞি -২০৩-২০৯

১২) অতুলানন্দ গোস্বামী -২১০-২১৬

১৩) বীৰেশ্বৰ বৰুৱা -২১৭-২১৯

১৪) ৰোহিণী কুমাৰ কাকতি -২২০-২২২

১৫) নীলিমা শৰ্মা -২২৩-২৩০

১৬) লক্ষ্মীনন্দন বৰা -২৩১-২৩৭

১৭) গোবিন্দ প্ৰসাদ শৰ্মা -২৩৮-২৪০

১৮) লুম্মেৰ দাই -২৪১-২৪২

১৯) প্ৰবীণা শইকীয়া আৰু অণিমা দত্ত- -২৪৩-২৪৬

২০) নিৰোদ চৌধুৰী, ইমৰাণ শ্বাহ আৰু ছাইদুল ইছলাম -২৪৮-২৪৯

২১) ৰুনু বৰুৱা , বাসন্তী বৰুৱা, আলিমুন্নিছা পিয়াৰ -২৫০-২৫৩

২২) নগেন শইকীয়া -২৫৪-২৫৮

২৩) অপূৰ্ব শৰ্মা -২৫৯-২৬৫

২৪) মামণি ৰয়ছম গোস্বামী -২৬৬-২৬৮

২৫) ৰামধেনুৰ অন্যান্য লেখক লেখিকাসকল -২৬৯-২৭০

**চতুৰ্থ অধ্যায় ঃ**

চুটিগল্পৰ পৰবৰ্তী ধাৰালৈ ৰামধেনুৰ বৰঙণি -২৭১-২৭৮

উপসংহাৰ -২৭৯-২৮০

সহায়ক গ্ৰন্থপঞ্জী -২৮১-২৯৪

# অৱতৰণিকা

যুগান্তকাৰী আলোচনী *ৰামধেনু*ৱে অসমীয়া সাহিত্যলৈ আধুনিকতাৰ ধ্বজা বহন কৰি আনিলে। সমগ্ৰ অসমীয়া সাহিত্যতে এই নতুনত্ব বিয়পি পৰিল - চুটিগল্পতে হওক বা কবিতাতে হওক, উপন্যাসতে হওক বা সমালোচনামূলক সাহিত্যতে হওক। পাশ্চাত্য জগতত আলোড়ন সৃষ্টি কৰা বিভিন্ন দৰ্শন, চিন্তা-চৰ্চা বহলৰূপত অসমীয়া সাহিত্যলৈ ৰামধেনু যুগে আদৰি আনিলে। এই পশ্চিমীয়া ভাৱধাৰা *আৱাহন*ৰ পাততো প্ৰকাশ পাইছিল যদিও ৰামধেনু যুগত ই খোপনি পুতি বহিল। জোনাকী যুগৰ পৰা প্ৰচলিত হৈ অহা ৰোমাণ্টিক সাহিত্যৰ সৈতে যুদ্ধোত্তৰ যুগৰ সাহিত্যৰ যথেষ্ট পাৰ্থক্য দেখা গ'ল। আদৰ্শ, দৃষ্টিভংগী আৰু প্ৰকাশ কৌশলৰ ক্ষেত্ৰত এই পাৰ্থক্য স্পষ্টৰূপত প্ৰতিভাত হ'ল। ৰোমাণ্টিক সাহিত্যৰ অন্যতম বৈশিষ্ট্য কল্পনাবিলাসিতাৰ ঠাই ল'লে গভীৰ বাস্তববাদে। ধৰ্ম আৰু আধ্যাত্মিকতাৰ সম্পৰ্কে থকা গতানুগতিক বিশ্বাসৰ ভেটি থৰক বৰক হ'ল। জীৱনৰ মূল্যবোধৰ পৰিৱৰ্তন ঘটিল। এক নতুন দৃষ্টিৰে ব্যক্তি আৰু সমাজক প্ৰত্যক্ষ কৰাত এই নতুন যুগৰ লেখকসকল ব্ৰতী হৈ পৰিল। সাতামপুৰুষীয়া সামাজিক তথা সাম্প্ৰদায়িক বন্ধনক স্বীকাৰ কৰিবলৈ টান পাই তেওঁলোকে সাহিত্যৰ জৰিয়তে মুক্তিৰ আস্বাদ ল'বলৈ বিচাৰিলে। সমাজ সংগঠনৰ ক্ষেত্ৰত এই যুগৰ একাংশ লেখক উদ্বুদ্ধ হৈ পৰিল মাৰ্ক্সীয় চিন্তাধাৰাৰে।

ৰোমাণ্টিকতাৰ অৱসান ঘটোৱাত প্ৰভূত পৰিমাণে অৰিহণা যোগোৱা মহাযুদ্ধৰ ফলস্বৰূপে সমগ্ৰ দেশৰে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ দ্ৰুত পৰিৱৰ্তন ঘটে। তেনেদৰে পৰিৱৰ্তিত হ'ল সাধাৰণ মানুহৰ চিন্তা-ভাৱনা আৰু বিশ্বাস। নিত্য-নতুন বিজ্ঞানৰ আৱিষ্কাৰে মানুহৰ চকুত চমক লগালে। ধৰ্ম তথা ভগৱানৰ অস্তিত্বৰ প্ৰতি সন্দেহৰ সৃষ্টি হ'ল। এনে দ্ৰুত পৰিৱৰ্তনশীল সমাজৰ বিভিন্ন সমস্যা, ঘটনা, অভিজ্ঞতাৰে পুষ্ট হৈ পৰা ব্যক্তিৰ আশা-আকাংক্ষাৰ বৰ্ণনা কৰিবলৈ এই যুগৰ লেখকসকল আগ্ৰহী হৈ পৰিল। আধুনিক মনোবিজ্ঞানৰ প্ৰভাৱে তেওঁলোকৰ মনত ব্যক্তিৰ বাহ্যিক ৰূপটোতকৈ আভ্যন্তৰীণ ৰূপটোৰ সূক্ষ্ম বিশ্লেষণ কৰিবলৈ তীব্ৰ ইচ্ছাৰ জন্ম দিলে। প্ৰখ্যাত মনস্তত্ত্ববিদ ফ্ৰয়দৰ দৰ্শনে তেওঁলোকৰ ওপৰত বিশেষভাৱে ক্ৰিয়া কৰিলে।

প্ৰথমবাৰৰ বাবে অসমীয়া চুটিগল্প নিজৰ সমগ্ৰ বৈশিষ্ট্যৰে ঐশ্বৰ্যশালী হৈ পৰিছিল এই যুদ্ধোত্তৰ যুগতে আৰু এই ঐশ্বৰ্যৰ স্বাক্ষৰ বহন কৰাৰ বিশাল গৌৰৱৰ অধিকাৰী হৈছিল *ৰামধেনু* আলোচনী। অসমীয়া চুটিগল্পই পৰিপূৰ্ণতা লাভ কৰিলে এই *ৰামধেনু*ৰ পাততে। সেয়েহে ৰামধেনু যুগক অসমীয়া চুটি গল্পৰ সোণালী যুগ হিচাপে আখ্যা দিয়া হৈছে। এই যুগৰ লেখকসকলৰ পশ্চাৎপটৰূপে থকা মহাযুদ্ধৰ প্ৰভাৱে ৰোমাণ্টিক চেতনাৰ প্ৰতি তেওঁলোকক আগ্ৰহহীন কৰি তোলে। এই সময়ছোৱাত লেখকসকল পৰম্পৰাগত ধ্যান ধাৰণাৰ পৰা আঁতৰি আহি অধিক বাস্তৱবাদী হৈ পৰিল। সেয়েহে এওঁলোকৰ গল্পত আগৰ যুগতকৈ

অধিক বাস্তৱমুখিতা আৰু সূক্ষ্মতৰ আংগিকৰ প্ৰয়োগ দেখা যায়। গল্পকাৰসকল বেছি পৰিমাণে সমাজ সচেতন হ'বলৈ ল'লে আৰু বিশেষভাৱে সচেতন হৈ পৰিল সমাজত চলি থকা অন্যায়-অবিচাৰৰ প্ৰতি। স্বৰাজোত্তৰ কালৰ মধ্যবিত্ত সমাজত দেখা দিয়া ক্ষয়িষ্ণু জীৱনৰ প্ৰতিও তেওঁলোক জ্ঞাত আছিল। সেয়েহে *ৰামধেনু*ৰ গল্পত এই দিশটোৱে ক্ৰিয়া কৰা পৰিলক্ষিত হয়। ভাৰতৰ স্বাধীনতা আন্দোলনৰ অন্তিম পৰ্যায়ৰ সৈতেও এই তৰুণ লেখকসকল জড়িত আছিল। সেই সময়ৰ বংগদেশৰ দুৰ্ভিক্ষ তথা সাম্প্ৰদায়িক সংঘৰ্ষই তেওঁলোকৰ হৃদয় স্পৰ্শ কৰি গৈছিল। স্বাধীনতা প্ৰাপ্তিৰ পৰৱৰ্তী কালত দেখা দিয়া ৰাজনৈতিক বিশৃংখলতা আৰু আদৰ্শচ্যুতিয়ে তেওঁলোকক হতাশ কৰাৰ প্ৰমাণ গল্পত মূৰ্ত হৈ পৰিল। সেই সময়ত ক্ৰমশঃ বৃদ্ধি পাবলৈ লোৱা নগৰীয়া জীৱনৰ প্ৰতি মোহ ভালেমান গল্পকাৰৰ গল্পত কেন্দ্ৰীয় ভাৱ হিচাপে স্থান পাইছে যদিও *ৰামধেনু*ৰ চুটিগল্প গাঁৱলীয়া সমাজখনক কেন্দ্ৰ কৰিয়েই প্ৰধানতঃ আৱৰ্তিত হৈছে। স্বাধীনতা লাভ, মহাযুদ্ধৰ সৰ্বব্যাপী প্ৰভাৱ আৰু বিজ্ঞানৰ ন ন আৱিষ্কাৰে সমাজৰ দ্ৰুত পৰিবৰ্তন সাধন কৰে। এনে পৰিবৰ্তনশীল সমাজৰ বিচিত্ৰ অভিজ্ঞতা আৰু সমস্যাত জৰ্জৰিত হোৱা ব্যক্তিৰ আশা-নিৰাশা, কামনা-বাসনা, সুখ-দুখৰ কথা এই যুগৰ গল্পকাৰে ৰূপ দিবলৈ চেষ্টা চলালে। নতুন লেখকসকলৰ ৰচনাত সহজ বৰ্ণনাতকৈ সূক্ষ্ম বিশ্লেষণ, বহিঃ সংঘাততকৈ আভ্যন্তৰীণ সংঘাতে ঠাই পালে। মানৱ জীৱনৰ বৈচিত্ৰ্যময় প্ৰকাশ আধুনিক গল্পকাৰৰ ৰচনাত লক্ষ্য কৰা যায়। যুদ্ধোত্তৰ যুগৰ লেখকসকলৰ নতুন, শক্তিশালী আৰু বাস্তৱধৰ্মী দৃষ্টিভংগীয়ে নাটকীয়তা আৰু তাৰপৰা সৃষ্টি হোৱা কৃত্ৰিমতাৰ পৰিবৰ্তে স্বাভাৱিকতা আৰু বস্তুনিষ্ঠতাক অধিক প্ৰাধান্য দিলে। বৰ্ণনা আৰু কথোপকথন অধিক স্বাভাৱিক আৰু বাস্তৱধৰ্মী হ'ল। যুদ্ধোত্তৰ যুগৰ সাহিত্যৰ অন্যতম বৈশিষ্ট্য বাস্তৱবোধৰ যথাৰ্থ ৰূপায়ণৰ খাতিৰত আগতে অব্যৱহাৰ্য বা অবাঞ্ছিত বুলি গণ্য কৰা বিষয়বস্তু বা বৰ্ণনাৰ প্ৰতি থকা সংকোচ তথা নেতিবাচক দৃষ্টিভংগীৰ সলনি ঘটিল। ফ্ৰয়দ, য়ুং আদিৰ মনোবৈজ্ঞানিক চিন্তাধাৰাৰে প্ৰভাৱিত হৈ এই যুগৰ গল্পকাৰে জীৱনৰ ওপৰত নিৰ্মোহ বিশ্লেষণ চলালে। তেনেকৈ সমাজ সংগঠনৰ ক্ষেত্ৰত মাৰ্ক্সীয় দৰ্শনেৰে প্ৰভাৱান্বিত হৈ বঞ্চিত আৰু সৰ্বহাৰা শ্ৰেণীৰ সৰ্বস্ব ঘূৰাই অনাৰ স্বপ্ন তেওঁলোকৰ গল্পত প্ৰকাশিত হ'ল।

এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে আৱাহন যুগতে অসমীয়া চুটিগল্প তাৰ প্ৰায়বোৰ আংগিক বৈচিত্ৰ্যৰে সমৃদ্ধ হৈছিল। ৰামধেনু যুগৰ গল্প অভূতপূৰ্বভাৱে ঐশ্বৰ্যশালী হৈ উঠিছিল সেই কালৰ গল্পকাৰসকলৰ বিচিত্ৰ উদ্ভাৱন শক্তি, গভীৰ বিশ্লেষণ-দক্ষতা, তীব্ৰ যুগসচেতনতা আৰু প্ৰচুৰ সামাজিক দায়িত্ববোধৰ পৰশত। অসমীয়া চুটিগল্পৰ ক্ষেত্ৰত *ৰামধেনু*ৰ এই অক্ষয় কীৰ্তি আজিও অম্লান হৈ আছে। *ৰামধেনু*ৰ পাততেই তেওঁলোকৰ জীৱনৰ উৎকৃষ্ট গল্পসমূহ প্ৰকাশ পাইছে। ৰামধেনু যুগৰ সেই প্ৰাচুৰ্যক বৰ্তমানলৈকে চেৰ পেলাব পৰা নাই। অসমীয়া চুটিগল্পৰ ইতিহাসত *ৰামধেনু* আজিও অদ্বিতীয়।

## ৰামধেনুৰ চুটিগল্পকেই কিয় গবেষণাৰ বিষয় হিচাপে নিৰ্বাচিত কৰা হ'ল—

*ৰামধেনু*ত প্ৰকাশিত গল্পসমূহৰ জৰিয়তে অসমীয়া সাহিত্যৰ তদানীন্তন সময়ৰ গৌৰৱময় ঐতিহ্য প্ৰকাশিত হৈছিল। অসমীয়া গল্প সাহিত্যৰ প্ৰেক্ষাপটলৈ চকু ফুৰালে দেখা যায় ইয়াৰ জনক লক্ষ্মীনাথ বেজবৰুৱাই *জোনাকী*ৰ পাততে আৰম্ভ কৰা অসমীয়া চুটিগল্পই বিভিন্ন আলোচনীৰ মাজেৰে অগ্ৰসৰ হৈ *ৰামধেনু* আলোচনীতে পৰিপূৰ্ণতা লাভ কৰে। বিশ্ব সাহিত্য আৰু ভাৰতীয় সাহিত্যৰ লগত সংগতি ৰাখি *ৰামধেনু*ৰ গল্পকাৰসকলে নিজকে ব্ৰতী কৰিলে বাস্তৱৰ গভীৰ অন্বেষণৰ অন্তহীন অভিযানত। এইয়া আছিল অসমীয়া সাহিত্যক এটা আন্তৰ্জাতিক ৰূপ প্ৰদানৰ আশাশুধীয়া প্ৰচেষ্টা। পাশ্চাত্যৰ অৱদান অসমীয়া চুটিগল্পই এই ৰামধেনু যুগতে ৰোমাণ্টিকতা আৰু বাস্তৱবোধৰ সমন্বয়ৰ স্বাক্ষৰ হৈ বিশ্ব সাহিত্যৰ সমানে সমানে আধুনিক হ'বলৈ ধৰে। সেই সময়ৰ যুগসচেতনতায়ো লেখকসকলক তেখেতসকলৰ সৃষ্টিক বৈচিত্ৰ্যময় কৰিব পৰাকৈ পৰিবেশৰ যোগান ধৰিলে। সমাজবাদ, মনস্তত্ব, অৱস্থিতিবাদ আদি বিভিন্ন ভাৱধাৰাৰ প্ৰভাৱে অসমীয়া চুটিগল্পক বৈচিত্ৰ্যময় কৰি তুলিলে। *ৰামধেনু*ৰ সেই প্ৰাচুৰ্য আজিও অম্লান হৈয়েই আছে। তিনিটা দশকৰ পিছতো *ৰামধেনু* অপ্ৰতিদ্বন্দী। অসমীয়া ভাষাৰ বহুজন প্ৰতিভাশালী গল্পকাৰে *ৰামধেনু*তে প্ৰতিষ্ঠা লাভ কৰে। যুগসৃষ্টিকাৰী আলোচনী *ৰামধেনু*ৰ গল্প সম্পৰ্কে অধ্যয়ন কৰিবৰ বাবে এক বহল আৰু আকৰ্ষণীয় ক্ষেত্ৰ মুকলি হৈ আছে। এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখি আৰু যিহেতু বৰ্তমানলৈকে *ৰামধেনু*ৰ গল্প সম্পৰ্কে বিস্তৃত আলোচনা হোৱা নাই সেয়েহে *ৰামধেনু*ৰ গল্পক গৱেষণাৰ বাবে বাচিলোৱা হ'ল। এই অধ্যয়নৰ মাজেদি ৰামধেনু যুগৰ গল্পৰ প্ৰাচুৰ্য, তাৰ মাজত প্ৰকাশিত ন ন চিন্তা চৰ্চা, আৰু *ৰামধেনু*ত আত্মপ্ৰকাশ বা প্ৰতিষ্ঠা লাভকৰা বিশিষ্ট গল্পকাৰসকলৰ সৃষ্টি ,আংগিক তথা নান্দনিক বৈচিত্ৰ্য প্ৰভৃতি দিশত বিশ্লেষণ আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

এই বিষয়টো অধ্যয়ন কৰোতে প্ৰধানকৈ পুথিভঁৰালকেন্দ্ৰিক অধ্যয়নতে গুৰুত্ব দি অহা হৈছে। *ৰামধেনু*ত প্ৰকাশিত সমগ্ৰ গল্পৰাজি সংগ্ৰহ কৰিবৰ বাবে প্ৰয়োজন সাপেক্ষে চৰকাৰী, বেচৰকাৰী পুথিভঁৰালৰ উপৰিও বিভিন্ন ব্যক্তিৰ ব্যক্তিগত পুথিভঁৰালৰ সহায় আৰু লগতে বৰ্তমানেও লিখি থকা সেই যুগৰ গল্পকাৰসকলক ব্যক্তিগতভাৱে সাক্ষাৎ কৰি তথ্য সংগ্ৰহ কৰিবলৈ চেষ্টা কৰা হৈছে।

১৮৭২ শকৰ (১৯৫০ চন) বহাগ মাহৰ ১ম বছৰ, ১ম সংখ্যা '*ৰামধেনু*' প্ৰকাশ পাইছিল। স্বাধীনতাৰ ৰ'দ কাচিয়লিত অসমীয়া চুটিগল্পৰ ক্ৰমবিকাশৰ নেতৃত্ব বহন কৰা *ৰামধেনু* প্ৰকাশৰ নেপথ্যত আছিল এগৰাকী উদ্যোগী ব্যৱসায়ী ইন্দ্ৰকমল বেজবৰুৱা। ১৮৭২ শকৰ আহাৰ মাহত প্ৰকাশিত *ৰামধেনু*ত কিন্তু তৃতীয় বছৰ, দ্বিতীয় সংখ্যা বুলিহে উল্লেখ কৰা হৈছিল; ইয়াৰ কাৰণ হ'ল - ইন্দ্ৰকমল বেজবৰুৱাই শিশুসকলৰ উপযোগীকৈ বিৰিঞ্চি কুমাৰ বৰুৱাৰ সম্পাদনাত *ৰংঘৰ* (১৯৪৮-৪৯ চন) নামৰ আলোচনী এখন প্ৰকাশ কৰিছিল। শেষৰফালে *ৰংঘৰ*ৰ সম্পাদনাৰ ভাৰ মহেশ্বৰ নেওগে গ্ৰহণ কৰে। শিশু আলোচনী

ৰংঘৰে পাঠকৰ পৰা আশানুৰূপ সঁহাৰি নোপোৱাত সেইখনকে সকলো শ্ৰেণীৰ পাঠকৰ উপযুক্ত কৰি *ৰামধেনু* নামেৰে প্ৰকাশ কৰা হ'ল। সেয়ে *ৰামধেনু* নামেৰে প্ৰকাশিত আলোচনীৰ দ্বিতীয় সংখ্যাটোত তৃতীয় বছৰ, ২য় সংখ্যা বুলি উল্লেখ কৰা হৈছে। *ৰামধেনুৰ* প্ৰথম পাঁচটা সংখ্যাৰ সম্পাদনা ইন্দ্ৰকমল বেজবৰুৱাৰ (বহাগ-ভাদ) আৰু ষষ্ঠ সংখ্যাৰ পৰা অৰ্থাৎ সেই বছৰৰ আহিন মাহৰ পৰা সম্পাদক হিচাপে মহেশ্বৰ নেওগৰ নাম এককভাৱে পোৱা যায়।

১৮৭৪ শকৰ (১৯৫২ চন) প্ৰথম সংখ্যাৰ পৰা *ৰামধেনুৰ* সম্পাদকৰ ভাৰ গ্ৰহণ কৰে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই। অধিকাংশ অসমীয়া লেখক, সমালোচকে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যক অসমীয়া আলোচনীৰ এজন শ্ৰেষ্ঠ সম্পাদক হিচাপে স্বীকৃতি দিছে। এইজন সম্পাদকৰ সফল তথা শক্তিশালী নেতৃত্বত অসমীয়া সাহিত্যৰ ইতিহাসত বিখ্যাত ৰামধেনু যুগৰ আৰম্ভণি হ'ল। লেখক আৰু পাঠকৰ মাজত যোগসূত্ৰ স্থাপনৰ ক্ষেত্ৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ দক্ষতা আছিল অতুলনীয়। লেখকৰ লেখনীৰ প্ৰতিটো শব্দক সম্পাদক হিচাপে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই গুৰুত্ব প্ৰদান কৰিছিল আৰু সম্পাদনাৰ হাত ফুৰাবলগীয়া হ'লে লেখকসকলৰ প্ৰয়োজনীয় অনুমতি বিচাৰি লৈছিল। লেখক সৃষ্টিৰ তাগিদাত *ৰামধেনুৱে* সততে গল্প প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিল। এনেবোৰ কাৰণত লেখকসকলে *ৰামধেনুত* গল্প ৰচনা কৰিবলৈ বিশেষ উৎসাহ পাইছিল। আধুনিক অসমীয়া সাহিত্যৰ অধিকাংশ শ্ৰেষ্ঠ সাহিত্যিকেই *ৰামধেনুৰ* সৃষ্টি । ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি বিভিন্ন বিষয়ৰ প্ৰবন্ধ-পাতি, সাহিত্য-সমালোচনা, কবিতা, বিদেশী সাহিত্যৰ পৰিচয় জ্ঞাপক লেখনী আদিৰ লগতে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই অসমীয়া গল্পৰ এক শক্তিশালী সৌধ নিৰ্মাণৰ প্ৰচেষ্টা হাতত ল'লে। অসমীয়া গল্প সাহিত্যৰ বিকাশ, সমৃদ্ধি আৰু জনপ্ৰিয়তাৰ ক্ষেত্ৰত *ৰামধেনুৰ* ভূমিকা অপৰিসীম। ১৮৮৫ শক (১৯৬৩ চন) অথাৎ ষষ্ঠদশ বছৰৰ ১ম সংখ্যাত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ নামৰ লগত ৰাধিকা মোহন ভাগৱতীৰ নাম সহকাৰী সম্পাদক হিচাপে প্ৰকাশ পালে। সেই বছৰৰে ২য় সংখ্যাৰ পৰা ৰাধিকামোহন ভাগৱতী সম্পাদক ৰূপে নিযুক্ত হ'ল আৰু বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাৰ কালছোৱাৰ সামৰণি পৰিল। ১৯শ বছৰ অথাৎ ১৯৬৭ চনৰ মাজভাগলৈকে ৰাধিকামোহন ভাগৱতীয়ে কাৰ্যভাৰ চলালে যদিও এই চনতে স্বত্বাধিকাৰী ইন্দ্ৰকমল বেজবৰুৱাৰ মৃত্যু হোৱাত *ৰামধেনুৰ* প্ৰকাশ বন্ধ হ'ল। তাৰ সম্পূৰ্ণ এযুগ পিছত ১৯৭৯ চনৰ আগষ্ট মাহত আকৌ ৰাধিকামোহন ভাগৱতীৰ সম্পাদনাতে ১৯৮০ চনৰ জুলাই মাহলৈকে *ৰামধেনুৰ* কিছু সংখ্যা প্ৰকাশ পালে যদিও তাৰপিছত *ৰামধেনুৰ* প্ৰকাশ বন্ধ হ'ল ।১৯৯৬ চনত ড° নীলকমল বেজবৰুৱাই পুনৰ নিজৰ সম্পাদনাত *ৰামধেনুৰ* আকৌ দুটামান সংখ্যা উলিয়ালে যদিও সেয়া মুঠেই স্থায়ী হ'ব নোৱাৰিলে আৰু *ৰামধেনুৰ* সেই প্ৰকাশে পূৰ্বৰ গৰিমা বহন কৰিবলৈ সক্ষম হ'ব নোৱাৰিলে।

**গৱেষণা গ্ৰন্থত আলোচিত বিষয়বস্তুৰ সম্পৰ্কত একাষাৰ :**

বৰ্তমান সময়ৰ অসমীয়া ভাষাৰ দ্বিত্ব বৰ্জনৰ পৰম্পৰা আৰু ভাষাতাত্বিক দিশৰ প্ৰতি লক্ষ্য ৰাখি *ৰামধেনু*ত ব্যৱহৃত 'ৰ্য্য' আমাৰ আলোচনাত 'ৰ্য' ৰূপে লিখা হৈছে ।উদাহৰণ স্বৰূপে *ৰামধেনু*ত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য বুলি লিখা হৈছিল যদিও আমাৰ আলোচনাত আৰু উদ্ধৃতিত সমৰূপতাৰ বাবে 'ৰ্য্য'ৰ সলনি 'ৰ্য' ব্যৱহাৰ কৰা হৈছে । বেলেগ বেলেগ মতাদৰ্শৰ বিষয়ে আলোচনা কৰাৰ সময়ত একেটা গল্পৰ প্ৰসঙ্গ একাধিকবাৰ উত্থাপন কৰা হৈছে । আনহাতে কোনো এজন গল্পকাৰৰ গল্পৰ আলোচনাৰ স্বাৰ্থত *ৰামধেনু*ত প্ৰকাশ নোহোৱা গল্পৰ প্ৰসঙ্গও দুই এঠাইত টানি অনা হৈছে ।

প্ৰাপ্তি ঠাকুৰ

# অসমীয়া চুটিগল্পৰ বিকাশ : এক ঐতিহাসিক অৱলোকন

# অসমীয়া চুটিগল্পৰ ক্রমবিকাশ ঃ এক ঐতিহাসিক অৱলোকন

১৯৯২ চনত শতবর্ষ সম্পূর্ণ কৰা অসমীয়া চুটিগল্পৰ ইতিহাসে অসমীয়া সাহিত্যৰ বুৰঞ্জীত এক চমকপ্রদ অধ্যায় ৰচনা কৰিছে। শতাব্দী অতিক্রম কৰা অসমীয়া চুটিগল্পৰ ক্রমবিকাশৰ স্তৰসমূহ সুকীয়া সুকীয়া বৈশিষ্ট্য আৰু অভিনৱত্বৰে সমুজ্জ্বল। এই সুদীর্ঘ যাত্রাপথত ভিন্ন যুগৰ বিভিন্ন লেখকে সমকালীন সমাজ জীৱনৰ, ব্যক্তিৰ অন্তৰৰ অনুভৱক নিজৰ তথা পাঠকৰ ৰুচি-অভিৰুচি অনুযায়ী লেখনীৰ মাধ্যমেৰে মূর্ত কৰি তুলিছে।

অসমীয়া চুটিগল্পৰ জন্মৰ ক্ষেত্রত ১৮৮৯ চনত কলিকতাৰ পৰা প্রকাশিত *জোনাকী* আলোচনীয়ে অবিস্মৰণীয় অৰিহণা যোগাইছে। অসমীয়া সাহিত্যলৈ ৰমন্যাসবাদৰ ঢৌ কঢ়িয়াই অনা সর্বপ্রথম আলোচনী *জোনাকী*ৰ জন্মই প্রকৃতার্থত আধুনিক অসমীয়া সাহিত্যৰো জন্মোৎসৱ। অসমীয়া সাহিত্যৰ ত্রিমূর্তি লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্রকুমাৰ আগৰৱালা আৰু হেমচন্দ্র গোস্বামীৰ প্রচেষ্টাত প্রকাশ হোৱা *জোনাকী*ৰ প্রথম সংখ্যাৰ আত্মকথাত চন্দ্রকুমাৰ আগৰৱালাই নিজৰ উদ্দেশ্য এইদৰে ব্যাখ্যা কৰিলে — "এই পাছ পৰি থকা আন্ধাৰ দেশলৈ অলপ জোনাক সুমুৱাব নোৱাৰিলেও, যদি নিজে নিজেও যত্নৰ ফিৰিঙতিৰ পোহৰত বাট পাওঁ তেনে আমাৰ শক্তিৰ মিছা ব্যয় হোৱা নাই বুলি ভাবিম। ..... আমি যুঁজিবলৈ ওলাইছোঁ আন্ধাৰৰ বিপক্ষে, উদ্দেশ্য- দেশৰ উন্নতি, জোনাক।"[১] এই সংকল্পৰে *জোনাকী*য়ে যেনেদৰে ৰোমান্টিক কবিতাৰ ঢলেৰে আলোড়ন আনিলে, তেনেদৰে অসমীয়া সাহিত্যৰ আন আন দিশবোৰলৈও *জোনাকী*য়ে জোৱাৰ আনিলে আৰু ইয়াৰ পাতত প্রকাশ পোৱা প্রথম অসমীয়া চুটিগল্পৰ স্রষ্টাৰূপে লক্ষ্মীনাথ বেজবৰুৱাৰ কৃতিত্ব আৰু সুখ্যাতি যাউতিযুগীয়া হৈ ৰ'ল।

অসমীয়া চুটিগল্পৰ এই এশবছৰীয়া বুৰঞ্জীক প্রধানতঃ চাৰিটা যুগত ভাগ কৰিব পাৰি। উল্লেখযোগ্য যে সাম্প্রতিক যুগৰ বাদে বাকী কেউটা যুগেই একো একোখন যুগান্তকাৰী আলোচনীৰ নামক কেন্দ্র কৰি নামাংকিত হৈছে। এই যুগ কেইটা হ'ল ক্রমে জোনাকী যুগ, আৱাহন যুগ, ৰামধেনু যুগ আৰু উত্তৰ ৰামধেনু যুগ। গতিকে দেখা যায় যে অসমীয়া চুটিগল্পৰ

১। মহেশ্বৰ নেওগ– *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, পৃঃ ২৫০

উদ্ভৱ আৰু ক্ৰমবিকাশৰ ধাৰাটো অসমীয়া পত্ৰিকাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত আৰু এই প্ৰত্যেকখন যুগ সৃষ্টিকাৰী পত্ৰিকা আছিল সেই যুগৰ আত্মাস্বৰূপ — সামাজিক আৰু মানসিক অনুভূতিৰ ধ্বজাবাহক।

*জোনাকী*ত প্ৰকাশিত বেজবৰুৱাৰ বেছিসংখ্যক গল্পই আধুনিক চুটিগল্পৰ অংগিকৰ কলা-কৌশলৰ ফালৰ পৰা নিখুঁত নহয় যদিও ইয়েই সাধুকথাৰ পৰা অসমীয়া চুটিগল্পক আঁতৰাই আনি আধুনিক চুটিগল্পৰ কাষ চপালেহি। পাশ্চাত্যৰ গল্পৰ প্ৰভাৱপুষ্টিৰে অসমীয়া সাধুকথা, লোকজীৱন আৰু কিংবদন্তীৰ আধাৰত এই লেখনীবোৰে কিছু পৰিমাণে হ'লেও চুটিগল্পৰ ৰূপ পৰিগ্ৰহণ কৰিলে। বেজবৰুৱাই এইবোৰক চুটিগল্প বুলি নামকৰণ কৰা নাছিল যদিও পশ্চিমীয়া চুটিগল্পৰ বৈশিষ্ট্যবোৰ কম বেছি পৰিমাণে ইয়াত পৰিলক্ষিত হ'বলৈ ধৰিলে।

১৮৯২ চনৰ *জোনাকী* আলোচনীৰ চতুৰ্থ বছৰৰ চতুৰ্থ সংখ্যাত প্ৰকাশিত 'সেউতী' গল্পৰ জৰিয়তে অসমীয়া সাহিত্যত চুটিগল্পৰ শুভাৰম্ভ হয়।[২] পিছলৈ ক্ৰমে 'পণ্ডিত মহাশয়', 'আৰ্জি', 'চেনিচম্পা', 'কেকোককা', 'জয়ন্তী', 'পুত্ৰবান পিতা' ইত্যাদি বেজবৰুৱাৰ গল্পৰে *জোনাকী*ৰ মাজেদি অসমীয়া চুটিগল্পই নিজৰ জয়যাত্ৰা অব্যাহত ৰাখিলে।

অসমীয়া চুটিগল্পৰ ঐতিহাসিক ক্ৰমবিকাশৰ আলোচনাত প্ৰথম অসমীয়া চুটিগল্প 'সেউতী'ৰ আলোচনাৰ বিশেষ গুৰুত্ব আছে। 'সেউতী'[৩] গল্পটো নাৰীয়ে জীৱনত সততে ভোগ কৰিবলগীয়া হোৱা অন্যায়- অবিচাৰ, নিৰ্যাতন-শোষণক লৈ লিখা হৈছে। বেজবৰুৱাৰ এই প্ৰথম চুটিগল্পটোৱে সমকালীন সমাজ ব্যৱস্থাত কুসংস্কাৰে সৃষ্টি কৰা ভয়াবহ সমস্যাৰ বাৰ্তা বহন কৰি আনিছে। বেজবৰুৱাৰ সময়ৰ সমাজখন আছিল অৰ্দ্ধশিক্ষিত, অশিক্ষিত আৰু নিৰক্ষৰজনৰ গাঁৱলীয়া সমাজ। কুসংস্কাৰ, ৰক্ষণশীলতা, অজ্ঞতা, গোড়ামি, ঈৰ্ষা-অসূয়াই ক্ৰিয়া কৰা সেই সময়ৰ সমাজখনত আটাইতকৈ ক্ষতিগ্ৰস্ত হ'বলগীয়া হৈছিল নাৰীসকল। 'সেউতী'ত লেখকে তেনে পৰিবেশৰ মাজত সোমাই থকা এগৰাকী নাৰীৰ এক মৰ্মন্তুদ কাহিনীকে প্ৰকাশ কৰিছে। ৯ বছৰ বয়সত পিতৃ-মাতৃয়ে এজন উপযুক্ত পাত্ৰত অৰ্পণ কৰা

---

২। ড° নগেন শইকীয়া—'শতাব্দীৰ পোহৰত অসমীয়া চুটিগল্প', *শতাব্দীৰ পোহৰত অসমীয়া চুটিগল্প*, পৃঃ১০

৩। লক্ষ্মীনাথ বেজবৰুৱা —'সেউতী', *বেজবৰুৱা গ্ৰন্থাৱলী*।

সেউতীয়ে এমাহো স্বামীৰ ঘৰত সুকলমে কটাবলৈ নেপালে। চৌদিশে এইবুলি গুজৱ ওলাল দৰা হেনো সেউতীৰ সম্পৰ্কীয়। লগে লগে সেউতীক পিতৃগৃহলৈ নিৰ্বাসন দিয়া হ'ল আৰু আনফালে মাক আৰু বিধবা বায়েকৰ হেঁচাত সেউতীৰ স্বামীয়ে দ্বিতীয় বিবাহ কৰিবলৈ বাধ্য হ'ল। কেইবছৰমানৰ পিছতহে নিজৰ এই দুৰ্ভাগ্যৰ বিষয়ে সেউতীৰ জ্ঞান হ'ল আৰু তাই নিজ ইচ্ছাত পতিগৃহলৈ উভতি গ'ল। অৱশ্যে এইবাৰ তাই ঢেঁকীশালতহে স্থান পালে। এজনী সাধাৰণ বান্দীৰ দৰেই সেউতীয়ে জীৱন কটাবলৈ ধৰিলে। ঘৰৰ মানুহৰ আগোচৰত সেউতীক তাইৰ স্বামীয়ে তাতেই লগ ধৰিছিল যদিও এদিন এই কথা গম পাই মাক আৰু বায়েকে অভিসন্ধি কৰি তাইক বিহ খুৱাই মাৰিলে। সেউতীৰ মৃত্যুৰ পিছত লাহে লাহে এইকথা সদৰি হ'ল যে সেউতীৰ সৈতে গিৰিয়েকৰ সম্বন্ধ থকা বুলি ওলোৱা কথাটো তেনেই মিছাহে আছিল।

'সেউতী' গল্পৰ উপৰিও নাৰী জীৱনৰ দুৰ্দশা আৰু কাৰুণ্যক বিষয়বস্তু হিচাপে লৈ বেজবৰুৱাই ভালেমান গল্প লিখিছিল। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল – 'ভোমকেৰোলা', 'মালতী', 'ফিৰিঙতি পৰা খাণ্ডৱ দাহ', 'লাওখোলা', 'আমালৈ নেপাহৰিবা', 'এৰাবাৰী', 'শিৱপ্ৰসাদ', 'নিস্তাৰিণী দেৱী বা ফাতেমা বিবি' ইত্যাদি।

সেই সময়ৰ নিম্ন মধ্যবিত্ত আৰু মধ্যবিত্ত গাঁৱলীয়া সমাজখনক লৈয়েই লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পবোৰৰ পটভূমি গঢ়ি উঠিছিল। নৱবৈষ্ণৱ আন্দোলনৰ প্ৰভাৱেৰে সজীৱ পৰিয়ালৰ সদস্য হোৱা হেতুকে বেজবৰুৱাৰ জীৱনবোধো এই প্ৰভাৱেৰেই সঞ্জীৱিত হৈছিল আৰু ভাল-বেয়া, উচিত-অনুচিত, ন্যায়-অন্যায়ৰ জোখ-মাখ ইয়াৰ দ্বাৰাই নিৰ্দ্ধাৰিত হৈছিল। সনাতন ধৰ্মৰ এই সংস্কাৰবোধৰ উপৰিও বেজবৰুৱা আছিল আধুনিক পশ্চিমীয়া শিক্ষাৰ প্ৰতিভূ উদাৰ মানসিকতা আৰু ধৰ্মনিৰপেক্ষ যুক্তিবাদৰ অধিকাৰী। সেয়েহে তেওঁ অসমীয়া সমাজ জীৱনত সততে ক্ৰিয়া কৰা কৌটিকলীয়া কু-সংস্কাৰ, অন্ধবিশ্বাস, গোড়ামি, অজ্ঞতা-শঠতাক আঁতৰাই এখন নিকা সমাজ গঠনৰ বাবে উঠিপৰি লাগিবলৈ প্ৰেৰণা পালে। বেজবৰুৱাৰ সতীৰ্থসকলৰ মাজতো ক্ৰমান্বয়ে এই মানসিকতাই গা কৰি উঠিল। চুবুৰীয়া ৰাজ্য বংগদেশৰ নৱজাগৰণৰ ঢৌৱেও তেওঁলোকক অধিক প্ৰেৰণা যোগালে। ৰোমাণ্টিক আন্দোলনৰ ভাৱধাৰায়ো তেওঁলোকক অধিক সংবেদনশীল আৰু উদাৰ কৰি তুলিলে।

লক্ষ্মীনাথ বেজবৰুৱাৰ গল্পৰ বিষয়বস্তু বহুধাবিস্তৃত নহয়। সেই সময়ৰ অসমীয়া সমাজখনৰ পৰাই তেওঁ গল্পৰ বিষয়বস্তু গ্ৰহণ কৰিছিল। বেজবৰুৱাৰ গল্পবোৰৰ কিছুসংখ্যকত সমকালীন সমাজৰ ভণ্ডামি-গোড়ামি, অন্ধবিশ্বাস, অন্ধঅনুকৰণ, কু-সংস্কাৰ, অজ্ঞতা আৰু মূৰ্খামিক তীব্ৰ ব্যংগৰ দ্বাৰা শুধৰাই শুদ্ধ পথলৈ আনিবলৈ কৰা প্ৰয়াস আছে। 'মলক গুইন গুইন', 'ধৰ্মধ্বজ ফয়চলা নবীচ', 'নাঙল', 'জাতিৰামৰ জাত', 'ভোকেন্দ্ৰ বৰুৱা', 'ধোঁৱাখোৱা', 'জুৰমন ৰাইডঙীয়া' এইবোৰ এনে ধৰণৰ তীব্ৰ ব্যংগ আৰু শ্লেষ প্ৰকাশক গল্প। আন কিছুসংখ্যক গল্পত বেজবৰুৱাই জন-জীৱনৰ সুখ-দুখ, আনন্দ বিষাদ আৰু প্ৰকৃতিৰ চিত্ৰ অন্তৰৰ সুকোমল অনুভূতিৰে সিক্ত কৰি সহানুভূতিৰে অংকন কৰিছে। 'পুত্ৰৱান পিতা', 'নকওঁ', 'জলকুঁৱৰী', 'কন্যা', 'মুক্তি,' 'বাপিৰাম', 'ৰতনমুণ্ডা' আদি হৈছে এই শ্ৰেণীৰ গল্প।

পুৰুষ শাসিত সমাজখনৰ নাৰীক লৈ লিখা বেজবৰুৱাৰ গল্প 'সেউতী', 'ভদৰী', 'জয়ন্তী' আদি গল্পত নাৰীজীৱনৰ দুৰৱস্থা ফুটি উঠাৰ লগে লগে নাৰীৰ মহানতা আৰু প্ৰেমৰ স্বৰূপো প্ৰকাশ হৈছে। এই গল্পবোৰৰ জৰিয়তে বেজবৰুৱাৰ নাৰীৰ প্ৰতি থকা সহানুভূতি আৰু মৰ্যাদা প্ৰকাশিত হৈছে। তেওঁৰ উল্লেখযোগ্য গল্প 'ভদৰী'[৪]ক প্ৰথমবাৰৰ বাবে চুটিগল্পৰ প্ৰায়বোৰ লক্ষণ পৰিলক্ষিত হৈছিল। এই প্ৰসংগত তাৎপৰ্যপূৰ্ণ সামাজিক চিত্ৰ সম্বলিত 'ভদৰী' ক চুটিগল্পৰ পথপ্ৰদৰ্শক হিচপে গণ্য কৰিব পাৰি। গ্ৰামীন পটভূমিত ৰচিত 'ভদৰী'ৰ পৰিবেশ আৰু চৰিত্ৰ চিত্ৰণ অতিশয় বাস্তৱসন্মত। এহাল গাঁৱলীয়া কৃষক দম্পতি শিশুৰাম আৰু ভদৰীৰ দৈনন্দিন অৰিয়াঅৰিৰ আৱৰণৰ আঁৰত লুকাই থকা মধুৰ দাম্পত্য প্ৰেমৰ চানেকিক লৈয়েই ভদৰীৰ বিষয়বস্তু ৰচিত হৈছে। গল্পটোত কেইবাদিনৰো ঘটনা বৰ্ণিত হৈছে যদিও ফলশ্ৰুতিৰ একময়তাই কাহিনীটোক নিটোল ৰূপত ধৰি ৰাখিব পাৰিছে। শিশুৰাম আৰু ভদৰীৰ কাজিয়াখনো সম্পূৰ্ণ বাস্তৱধৰ্মী। কাজিয়াখনৰ নাটকীয় পৰিণতিয়ে পাঠকৰ উৎকণ্ঠাৰ মাত্ৰা তীব্ৰতৰ কৰি ৰাখিবলৈ সক্ষম হৈছে আৰু এই ঔৎসুক্য গল্পটোৰ শেষলৈকে বৰ্তি আছে। কাহিনীৰ শেষত মৈদাৰে ভদৰীৰ গা কাটি হাজোতলৈ যাবলগীয়া হোৱা শিশুৰামক ৰক্ষা

---

৪। লক্ষ্মীনাথ বেজবৰুৱা— 'ভদৰী', *বেজবৰুৱা গ্ৰন্থাৱলী* ।

কৰিবলৈ ভদৰীয়ে নিজে দোষ গা পাতি লৈছে আৰু শিশুৰাম অনুতপ্ত হৈছে। এই নাটকীয় পৰিণতিৰে গল্পটোৰো অন্ত পৰিছে।

বেজবৰুৱাৰ গল্পৰ আন এটা উল্লেখযোগ্য দিশ হৈছে মানুহৰ মনৰ ভিতৰৰ জগতখনত প্ৰৱেশৰ বাবে কৰা প্ৰয়াস। মানুহৰ অৱচেতন মনৰ এখন ছয়া-ময়া ছবি আঁকিবলৈ বেজবৰুৱাই তেওঁৰ 'পাতমুগী'[৫] গল্পত যত্ন কৰিছে। মানুহৰ জৈৱিক সমস্যাৰ ওপৰতো বেজবৰুৱাই আলোকপাত কৰিছে 'চোৰ', 'লাওখোলা', 'শিৱপ্ৰসাদ', 'এৰাবাৰী', 'আমালৈ নাপাহৰিব' আদিৰ দৰে গল্পৰ জৰিয়তে । মন কৰিবলগীয়া গুৰুত্বপূৰ্ণ কথা এইটোৱেই যে আধুনিক গল্প সাহিত্যৰ দুটা প্ৰধান দিশ মনস্তত্ব আৰু জৈৱিক সমস্যাৰ ওপৰত অসমীয়া গল্প সাহিত্যৰ জনক বেজবৰুৱাই তাহানিতে দৃষ্টিপাত কৰি কথা সাহিত্যত নব্য আঙ্গিক আৰু মননশীল, অন্তৰ্মুখী দৃষ্টি নিক্ষেপৰ যথাৰ্থ পৰীক্ষা চলাই গৈছে।

'পাতমুগী'ত নাৰী মনস্তত্বৰ ৰহস্য প্ৰকাশ পাইছে আৰু এইবাবেই গল্পটোৰ শিল্পমূল্য বাঢ়িছে। পাতমুগীয়ে তাইক বিয়া কৰাই এৰি থৈ যোৱা গিৰিয়েকৰ অবিচাৰৰ বিৰুদ্ধে মোকৰ্দমা কৰিবলৈ যাওঁতে লগতে যোৱা পিতৃবয়সৰ দদাইদেউজনৰ তাইৰ প্ৰতি হঠাতে জন্মা অহৈতুকী ক্ষন্তেকীয়া দুৰ্বলতাৰ বিষয়ে জানিব পাৰি পাতমুগীয়ে অন্তৰত এক গৌৰৱজনিত আনন্দ আৰু পুলক অনুভৱ কৰিলে। পুৰুষৰ মন জয় কৰি তাৰ পৰা লাভ কৰা পৰিতৃপ্তি নাৰী মনস্তত্বৰ অন্যতম বৈশিষ্ট্য। পাতমুগীয়েও খন্তেকৰ বাবে হ'লেও দদায়েকৰ দুৰ্বলতাৰ অধিকাৰিণী হ'বলৈ পাই নিজৰ দুখ-বেদনা পাহৰি আত্মবিস্মৃত হৈ পৰিছিল যদিও পিছ মুহূৰ্ততে নিজৰ কৰ্তব্যৰ প্ৰতি সচেতন হৈ দদায়েকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছে — "দদাই, মোৰ দোষ মৰিষণ কৰক। তিৰোতাৰ স্বভাৱৰ বিষয়ে মতা মানুহে কেতিয়াও ভালকৈ নাজানে আৰু জানিবও নোৱাৰে। মানুহে নজনাটোতো ঠিকেই। দেৱতাইয়ো নাজানে বুলি কয়। পুৰুষক হাতৰ মুঠিত ল'বলৈ পোৱাটোৱেই তিৰোতাৰ ডাঙৰ আশা।"[৬]

লক্ষ্মীনাথ বেজবৰুৱাৰ অন্যতম শ্ৰেষ্ঠ গল্প 'মুক্তি'[৭]। এই গল্পটোৰ জৰিয়তে গল্পকাৰে শিশুৰ মনৰ ভিতৰলৈও ভুমুকিয়াই চাইছে। গল্পটো চৰিত্ৰ প্ৰধান। গাঁৱৰ সৰু ল'ৰা সুকুমাৰৰ বনৰীয়া মুক্ত

---

৫। লক্ষ্মীনাথ বেজবৰুৱা— 'পাতমুগী', *বেজবৰুৱা গ্ৰন্থাৱলী*

৬। পূৰ্বোক্ত গ্ৰন্থ পৃঃ ৭৬০

৭। লক্ষ্মীনাথ বেজবৰুৱা— 'মুক্তি', *বেজবৰুৱা গ্ৰন্থাৱলী*

বিহংগৰ দৰে মুকলিমূৰীয়া মনটোক বাধা দি অনুশাসনৰ জৰিয়তে বন্দী কৰিব খুজিছে দেউতাক আৰু চহৰত থকা আধুনিক শিক্ষাৰে শিক্ষিত ককায়েক দেৱকুমাৰে। ভায়েকক পঢ়ুৱাই মেলি বৰ মানুহ কৰাৰ প্ৰৱণতা থকা দেৱকুমাৰৰ অতিমাত্ৰা অনুশাসনৰ ফলস্বৰূপে সুকুমাৰে অৱশেষত কৰুণভাৱে মৃত্যুবৰণ কৰিবলগীয়া হ'ল। বেজবৰুৱাৰ এই গল্পটোৰ সুবিন্যস্ত কাহিনীটোৱে বাস্তৱসন্মত ৰূপ লৈ আধুনিক চুটিগল্পৰ কাষ চাপিছেহি। চুটিগল্পৰ সফলতাৰ বাবে অন্যতম প্ৰয়োজনীয় উপাদান বৰ্ণনাৰ মিতব্যয়িতাও ইয়াত যথোচিতভাৱে ৰক্ষিত হৈছে। সুকুমাৰৰ চৰিত্ৰ সৃষ্টিৰ ক্ষেত্ৰতো গল্পকাৰ সম্পূৰ্ণ সফল হৈছে কিয়নো চৰিত্ৰটোৱে শিশুমনৰ নিখুঁত চিত্ৰ প্ৰকাশ কৰিব পাৰিছে আৰু যিকোনো শিশুমনৰেই প্ৰতিনিধিত্ব কৰিব পৰাকৈ সক্ষম হৈ উঠিছে।

গল্পটোৰ অন্যতম উল্লেখনীয় দিশ হৈছে গল্পটোৰ মাজেদি গল্পকাৰে প্ৰকাশ কৰা সংস্কাৰধৰ্মী বক্তব্য প্ৰকাশৰ শিল্পসন্মত ৰূপ। পুৰণিৰ পৰা নতুনলৈ উত্তৰণ কৰিব খোজা সন্ধিক্ষণৰ সময়খিনিতে মানুহে ভুল কৰাৰ সম্ভাৱনা অধিক থাকে। সেয়েহে এইখিনি সময়ত শুদ্ধবাটে পৰিচালিত হ'ব পৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ কথা। নতুনৰ প্ৰতি থকা আগ্ৰহ আৰু আকৰ্ষণৰ তাড়নাত মানুহে যাতে বিবেচনাহীন হৈ বিপদত পৰিব লগা নহয় সেয়াই লেখকৰ বক্তব্য। গল্পটোত এইষাৰ কথাকে এইদৰে কোৱা হৈছে – "দিন ৰাতিৰ দোমোজা কালডোখৰ সকলোৰে পক্ষে ভয়ানক। দিন-ৰাতিৰ সন্ধিক্ষণতে নৰসিংহৰ দ্বাৰায় হিৰণ্যকশিপুৰ বিনাশ ঘটিছিল। পুৰণি সভ্যতা বা অসভ্যতা আৰু নতুন সভ্যতা বা অসভ্যতাৰ মাজৰ দূৰদৃষ্টিৰ নিমিত্তেই এই ভদ্ৰলোকজনৰ (সুকুমাৰৰ দেউতাক) এনে মানসিক বিপদ ঘটিছিল। সংক্ষেপতে এয়ে কথা।"[৮]

অসমীয়া চুটিগল্পৰ আদি যুগ অৰ্থাৎ জোনাকী যুগৰ দ্বিতীয়জন অসমীয়া গল্পকাৰ হ'ল বেজবৰুৱাৰ সমসাময়িক শৰৎচন্দ্ৰ গোস্বামী। অসমীয়া গল্প সাহিত্যৰ জগতত শৰৎচন্দ্ৰ গোস্বামীৰ আৱিৰ্ভাবে গল্পৰ ক্ৰমবিকাশৰ আৰম্ভণিৰ নিশকতীয়া ধাৰাটোক শক্তি প্ৰদান কৰি বেজবৰুৱাৰ গল্প সৃষ্টিৰ প্ৰচেষ্টাক আগবঢ়াই নিয়ে। *গল্পাঞ্জলি*,(১৯৪৪), *ময়না*,(১৯২০), *বাজিকৰ* (১৯৩০) আৰু মৃত্যুৰ পিছত প্ৰকাশ পোৱা *পৰিদৰ্শন* গল্পপুথিৰ গল্পবোৰেৰে গোস্বামীয়ে অসমীয়া চুটিগল্পৰ ইতিহাসৰ প্ৰথমটো অধ্যায় চহকী কৰি তুলিলে।

---

৮। লক্ষ্মীনাথ বেজবৰুৱা– 'মুক্তি', *বেজবৰুৱা গ্ৰন্থাৱলী* পৃঃ ৭৪১

লক্ষ্মীনাথ বেজবৰুৱাৰ দৰে গোস্বামীৰো সমাজ সংস্কাৰৰ উদ্দেশ্য থাকিলেও তেওঁৰ গল্পত বিদ্ৰোহ আৰু প্ৰতিবাদৰ তীব্ৰ সুৰ নাই। বক্ৰোক্তি, শ্লেষ বা তীব্ৰ ব্যংগ গোস্বামীৰ গল্পত নাই। হাস্যৰস সৃষ্টিৰ প্ৰচেষ্টাও তেওঁ কৰা নাই। সৰল পোনপটীয়া বাক্ ভংগীৰে সাধাৰণভাৱে সাধাৰণ মানুহৰ দুখ-দুৰ্দশা আৰু দুৰ্ভাগ্যৰ এক বাস্তৱসন্মত ৰূপ দাঙি ধৰাতহে তেওঁ গুৰুত্ব প্ৰদান কৰিছে। ভিক্টোৰিয়ান যুগৰ ইংৰাজ উপন্যাসিক থমাচ হাৰ্ডিৰ উপন্যাসত সততে প্ৰকাশ পোৱাৰ দৰে অদৃষ্ট বা নিয়তিৰ ওচৰত মানুহৰ অসহায় অৱস্থাৰ ৰেঙনি তেওঁ গল্পত সততে অনুভৱ হয়। নিপীড়িতজনৰ প্ৰতি আনকি সামান্য অসহায় প্ৰাণী এটাৰ প্ৰতিও তেওঁ সহানুভূতিশীল।

সামাজিক অন্যায়-অবিচাৰৰ প্ৰতি সচেতন শৰৎচন্দ্ৰ গোস্বামীৰ গল্পৰ বিষয়বস্তু সম্পৰ্কে হোমেন বৰগোহাঞিয়ে সঠিক মন্তব্য কৰিছে — "সাধাৰণভাৱে ক'বলৈ হ'লে, গোস্বামীৰ কেইবাটাও শ্ৰেষ্ঠ গল্পৰ প্ৰধান বিষয়বস্তু হ'ল দ্বন্দ্ব। ব্যক্তি আৰু অৱস্থাভেদে এই দ্বন্দ্বৰ ৰূপ বেলেগ বেলেগ। কেতিয়াবা সি হৃদয়বৃত্তি বা প্ৰবৃত্তিৰ দ্বন্দ্ব ('ব্ৰহ্মপুত্ৰৰ বুকুত', 'নদৰাম', 'তাৰা', 'সন্যাসিনী'), কেতিয়াবা সি ব্যক্তি আৰু সমাজৰ মাজত হোৱা দ্বন্দ্ব ('ঘুনুচা', 'নৈৰ দাঁতিত', 'পশুপতিৰ বিয়া')।"[৯]

গোস্বামীৰ গল্পৰ মাজেদি অসমীয়া চুটিগল্পৰ আংগিকে কিছু পৰিমাণে বিকাশ লাভ কৰিছে। চুটিগল্প এটি মাথোন কেন্দ্ৰস্থ ভাৱৰ ওপৰত প্ৰতিষ্ঠিত শিল্পৰূপ। গোস্বামীৰ গল্পতো গল্পৰ কেন্দ্ৰস্থ ভাৱৰ প্ৰতি গল্পকাৰৰ লক্ষ্য পৰিলক্ষিত হয়। সেয়েহে ঘটনাৰ ঐক্যও তেওঁৰ গল্পত ৰক্ষিত হৈছে।

শৰৎচন্দ্ৰ গোস্বামীৰ 'নদৰাম'[১০] এটা উল্লেখযোগ্য গল্প। এই গল্পটোৰ আৰম্ভণি যিদৰে আকস্মিক, সামৰণিও সেইদৰে নাটকীয়। বিষয়বস্তু ৰূপায়ণৰ ক্ষেত্ৰতো গল্পটো আনবোৰ গল্পতকৈ পৃথক আৰু উন্নত মানৰ। গল্পটোৰ পটভূমি কছাৰী জনজাতীয় সমাজ। নদৰাম যুদ্ধত ব্যস্ত হৈ থাকোতে তাৰ ঘৈণীয়েক ভাটিৰামলৈ পলাই যায়। চিপাহী নদৰাম যুদ্ধৰ অন্তত ঘৰলৈ উভতি আহি ভাটিৰামৰ বিৰুদ্ধে মোকৰ্দমা তৰি পুনৰ ঘৈণীয়েকক লাভ কৰিলে যদিও তাইৰ ভাটিৰামৰ প্ৰতি থকা প্ৰেমৰ গভীৰতা দেখি আকৌ নিজৰ ফালৰ পৰা ঘৈণীয়েকক মুক্ত কৰি দিয়ে। সচৰাচৰ সমাজত দুৰ্লভ এই ব্যতিক্ৰমী মানসিকতাৰ অধিকাৰী নদৰামৰ চৰিত্ৰটোৰ জৰিয়তে গল্পকাৰে প্ৰেমৰ ক্ষেত্ৰত বাহ্যিক

৯। হোমেন বৰগোহাঞি (সম্পাদক)– 'পাতনি', *অসমীয়া গল্প সংকলন*, ১ম খণ্ড, পৃঃ ৩০।

১০। শৰৎ চন্দ্ৰ গোস্বামী– 'নদৰাম', *শৰৎ চন্দ্ৰ গোস্বামী ৰচনাৱলী*

বাক্ষোনৰ মূল্যহীনতা প্ৰদৰ্শন কৰি তাৰ বিপৰীতে হৃদয়াবেগক স্বীকৃতি প্ৰদান কৰিব খুজিছে। এনে ধৰণৰ ব্যতিক্ৰমদৃষ্টিভংগী, কেন্দ্ৰীয় ভাৱৰ ঐক্য, চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্য, লক্ষ্যৰ একমুখিতা, ফলশ্ৰুতিৰ একময়তা, ভাষাৰ সংযম, নাটকীয়তা আদি গুণৰ বাবে গোস্বামীৰ 'নদৰাম' এটা সফল গল্প। এইদৰে অসমীয়া চুটিগল্পৰ জন্মৰ লগ্নতেই বেজবৰুৱাৰ পিছত গল্পৰ বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগাই শৰৎচন্দ্ৰ গোস্বামীয়ে অসমীয়া চুটিগল্পৰ শিল্পমূল্যৰ সাৰ্থক উত্তৰণ ঘটালে।

*আৱাহন*ৰ আগৰ যুগৰ চুটিগল্পৰ ধাৰাটোক প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত সহযোগ কৰা অন্য কেইগৰাকীমান গল্পকাৰ হৈছে দণ্ডিনাথ কলিতা, সূৰ্য কুমাৰ ভূঞা, মিত্ৰদেৱ মহন্ত আৰু নকুল চন্দ্ৰ ভূঞা। অৱশ্যে নকুল চন্দ্ৰ ভূঞাই প্ৰাক্ আৱাহন যুগৰ *বাঁহী* আৰু *চেতনা* আলোচনীতেই গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰি আৱাহন যুগতহে প্ৰতিষ্ঠা লাভ কৰিলে আৰু *ৰামধেনু* আলোচনীলৈকে তেওঁৰ এই যাত্ৰা অব্যাহত থাকিল।

দণ্ডিনাথ কলিতা শৰৎচন্দ্ৰ গোস্বামীৰ সমসাময়িক লেখক। সমাজত থকা অন্যায় অবিচাৰ অনাচাৰৰ প্ৰতি সচেতন দৃষ্টি থকা কলিতাৰ গল্পৰ কোনো কোনো চৰিত্ৰই সাতামপুৰুষীয়া ৰীতি-নীতিৰ পৰা মুক্ত হোৱাৰ প্ৰয়াস কৰা পৰিলক্ষিত হয়। এক প্ৰচাৰধৰ্মী সংস্কাৰৰ মনোভাৱেৰে লিখা কিছুমান গল্পত লেখকজনৰ উদ্দেশ্য স্পষ্টভাৱে ওলাই পৰিছে আৰু সেয়েহে সেইবোৰৰ কলাত্মক আবেদন অনেক সময়ত ক্ষতিগ্ৰস্ত হৈছে। এনে বিষয়বস্তুৰে গঢ় লৈ উঠা গল্প 'হৰিচৰণৰ বিয়া' আৰু 'সধবা নে বিধবা নে কুমাৰী'। সাতসৰী (১৯১৮) (দ্বি. সংস্কৰণ -১৯৪০) এইজন গল্পকাৰৰ সফল সংকলন।

ৰোমান্টিক কবি, পুৰাতত্ববিদ, বুৰঞ্জীবিদ সূৰ্যকুমাৰ ভূঞাৰ গল্পত সমাজ সংস্কাৰধৰ্মী মনোভাৱৰসলনি প্ৰধানকৈ ব্যক্তি জীৱনৰ সুখ-দুখৰ চিত্ৰ প্ৰকাশ পোৱা দেখা যায়। ভূঞাৰ ৰোমান্টিক কল্পনা তেওঁৰ সহজ সাৱলীল প্ৰকাশভংগীৰ মাজেৰে মূৰ্ত হৈ উঠিছে 'তেতিয়া আৰু এতিয়া', 'আমিনা', 'শিলা নহয়' 'ফুল,' 'বিজুলী' আদি গল্পৰ মাজেৰে।তেওঁৰ পাঁচোটা গল্পৰ সমাহাৰ *পঞ্চমী* (১৯২৭) ত সংকলিত হৈছে।

নাট্যকাৰ, কবি-গীতিকাৰ মিত্ৰদেৱ মহন্তই সত্ৰীয়া সমাজৰ আচাৰ-ব্যৱহাৰ,দুৰ্নীতি-অন্যায় আদিৰে তেওঁৰ গল্পৰ কাহিনী ৰচনা কৰিছে। তেওঁৰ গল্পৰ বিষয়বস্তু বাস্তৱ জগতৰ পৰা আহৰণ কৰা যদিও মাজে মাজে তেওঁৰ কবি কল্পনাও প্ৰকাশিত হৈছে গল্পৰ মাজেৰে । নৰ-নাৰীৰ প্ৰেম- প্ৰণয়ৰ মাধুৰ্যৰেও

তেওঁৰ গল্প ব্যঞ্জিত হৈছে।তেনে কেইটামান গল্প হৈছে 'ফুলৰকুকি', 'অংগপূৰণ' ইত্যাদি। *চন্দ্ৰহাৰ* (১৯২৪) *সাতসৰী* (১৯২৫) মিত্ৰদেৱ মহন্তৰ প্ৰকাশিত গল্প সংকলন। এইজন গল্পকাৰৰ গল্প সংকলন।

গল্পকাৰ নকুলচন্দ্ৰ ভূঞাৰ গল্পত সামাজিক সমস্যাৰ তেনে কোনো গুৰুত্ব বা অন্য কিবা চমকপ্ৰদ ঘটনা, বৰ্ণনা অভিনৱত্ব বা কাহিনীৰ নতুনত্ব চকুত নপৰে। সৰল, নিজস্ব ভংগীৰ কথনৰীতিৰেই ভূঞাই সৰু সৰু ঘটনাক বিশ্বাসযোগ্য কৰি তোলে। সাধাৰণ মানুহখিনিৰ প্ৰতি থকা তেওঁৰ সহানুভূতি গল্পবোৰৰ জৰিয়তে প্ৰকাশ পাইছে। তেওঁ ব্যংগাত্মক গল্পবোৰৰ চৰিত্ৰৰ চলন ফুৰণ আৰু কাৰ্যকলাপৰ জৰিয়তে হাস্যৰস সৃষ্টিৰ প্ৰচেষ্টা পৰিলক্ষিত হয়। ভূঞাৰ গল্প সংকলন কেইখন হ'ল *চোৰাংচোৱাৰ চৰা (১৯১৮), জোনোৱালি (১৯৩৩) আৰু গল্পৰ শৰাই (১৯৬২)*। নকুলচন্দ্ৰ ভূঞাৰ গল্পৰ সম্পৰ্কে মহেশ্বৰ নেওগে কৈছে —

> চুটিগল্প কেইটা চুটি খণ্ডকবিতাৰ দৰে, তাৰে দুটিমান একে বহাতে পঢ়ি শেষ কৰিবলৈ যত্ন কৰিবই নালাগে, থিয় হৈয়ে পঢ়ি আঁতাব পৰা যাব। কিন্তু সিহঁতৰ অন্তৰৰ ধ্বনিটি হ'লে পিছলৈকে আমাৰ মনৰ মাজত কঁপি ৰৈ যাব। জীৱনৰ বৰ বৃহৎ তথ্য উদ্ঘাটন কৰাৰ প্ৰবৃত্তি গল্প লেখকৰ নাই। জীৱনৰ সামান্য হাস্য পৰিহাস (little ironies) প্ৰতিফলিত কৰিয়েই লেখক ক্ষান্ত হৈছে। গল্পবোৰৰ সৌন্দৰ্য বিন্দুত, ৰেখাত বা আকৃতিত সিমান নহয়। [১১]

এইকেইজন গল্পকাৰৰ সৃষ্টিয়ে অসমীয়া চুটিগল্পৰ ইতিহাসৰ গতি তীব্ৰতৰ কৰি তোলা বা ইতিহাসক গৌৰৱোজ্জ্বল কৰি তুলিছে বুলি ক'ব নোৱাৰি। কিন্তু অসমীয়া গল্পক তেনেই চালুকীয়া অৱস্থাৰ পৰা আনি আধুনিক চুটিগল্পৰ শাৰীত থিয় হ'ব পৰাকৈ আগবঢ়াই দিয়াত অথবা উন্নত স্তৰৰ চুটিগল্প ৰচনাৰ বাবে আৱাহন যুগৰ গল্পৰ পথ প্ৰশস্ত কৰি তোলাত তেওঁলোকৰ সৃষ্টিয়ে বিশেষ বৰঙনি যোগালে। সেই বৰঙনিৰ বাবেই অসমীয়া চুটিগল্পৰ ক্ৰমবিকাশৰ ইতিহাসত তেওঁলোকৰ দান স্মৰণযোগ্য।

---

১১। মহেশ্বৰ নেওগ —'ভূমিকা', *নকুলচন্দ্ৰ ভূঞাৰ স্মৃতিগ্ৰন্থ*, পৃঃ৭৯

অসমীয়া গল্প সাহিত্যৰ দ্বিতীয়টো স্তৰ আৱাহন যুগৰ। জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীয়ে ১৯২৯ চনত প্ৰতিষ্ঠা কৰা *আৱাহন* আলোচনীয়ে অসমীয়া গল্প সাহিত্যৰ ক্ষেত্ৰত এক উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে। ডাঃ দীননাথ শৰ্মাৰ সম্পাদনাত ডেৰ দশক ধৰি *আৱাহনৰ* গল্পই অসমত এক আলোড়ন সৃষ্টি কৰিলে। *আৱাহনে* সমন্বয় সাধন কৰিলে ঐতিহ্য আৰু অভিনৱত্বৰ। পুৰণি কৃতী লেখকসকল আৰু তৰুণ উদ্যমী লেখকসকলৰ প্ৰতিভা প্ৰকাশৰ বাবে *আৱাহন* হৈ পৰিল এক শক্তিশালী মাধ্যম স্বৰূপ। জোনাকী যুগৰ অসমীয়া চুটিগল্পৰ আৰম্ভণিৰ সুঁতিটো বাৰিষাৰ জলধাৰাৰ দৰে পৰিপূৰ্ণ কৰি তোলে আৱাহন যুগৰ বিস্তৃত পৰিধিযুক্ত নব্য বিষয়বস্তুৰ গল্পসমূহে।

*আৱাহনৰ* পটভূমি আছিল ১৯২১ চনৰ গণ আন্দোলনৰ পৰবৰ্তী সময়খিনি। সেই সময়ছোৱাত অসম তথা সমগ্ৰ ভাৰতৰ দশোদিশ মুখৰিত হৈছিল স্বাধীনতা আন্দোলনৰ ঢৌৰে। ফৰাচী বিপ্লৱৰ আদৰ্শই পশ্চিমৰ ৰোমান্টিক কবিসকলক প্ৰেৰণা দিয়াৰ দৰে ভাৰতৰ স্বাধীনতা আন্দোলনেও লেখকসকলক উদ্বুদ্ধ কৰি মুক্তি প্ৰয়াসী কৰি তুলিলে। এই বন্ধন মুক্তি আৰু স্বাধীনতাকামী মনোভাৱ প্ৰকাশিত হ'ল তেওঁলোকৰ নতুন নতুন চিন্তাধাৰাৰ গল্পসমূহত। জোনাকী যুগত উদ্ভৱ হোৱা চুটিগল্পৰ বিকাশ আৰু সমৃদ্ধিৰ ক্ষেত্ৰত *আৱাহনে* গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিলে। গতানুগতিক গল্পৰ ৰীতি পৰিহাৰ কৰি নতুন গল্পকাৰসকলে এক উদাৰ দৃষ্টিভংগী ল'লে। প্ৰকাশভংগীৰ নতুনত্বৰে অসমীয়া গল্প সাহিত্যলৈ তেওঁলোকে বিচিত্ৰতাৰ জোৱাৰ লৈ আহিল। *আৱাহন* জন্মলগ্নৰে পৰাই প্ৰগতিশীল হৈ আহিল কিয়নো পাণ্ডু কংগ্ৰেছৰ তিনি বছৰৰ পিছত আৰু লোণ সত্যাগ্ৰহ তথা দাণ্ডি যাত্ৰাৰ এবছৰৰ আগত *আৱাহন* প্ৰথমে কলিকতাৰ পৰা ছপা হৈ ওলাইছিল। ভাৰতীয় জাতীয়তাবাদ আৰু সেই দেশপ্ৰেমৰ লগত জড়িত হৈ থকা সমাজ সংস্কাৰৰ প্ৰৱণতা এই লেখকসকলৰ মজ্জাগত আছিল। হয়তো এনে কাৰণ বা পটভূমিতে আৱাহন যুগৰ অন্যতম শ্ৰেষ্ঠ গল্পকাৰ কৃষ্ণ ভূঞাৰ প্ৰথমটো প্ৰকাশিত গল্পৰ নাম আছিল 'কাৰাগাৰ'।

*আৱাহনৰ* চুটিগল্পৰ অভিনৱত্ব বিষয়বস্তুৰ নিৰ্বাচন, চৰিত্ৰাংকন, সংলাপ, পৰিবেশ সৃষ্টি আদি সকলোবোৰ ক্ষেত্ৰতেই পৰিলক্ষিত হ'ল। জোনাকী যুগৰ গল্পৰ মাজেৰে সততে প্ৰকাশ পোৱা ব্যংগ বিদ্ৰূপাত্মক দৃষ্টিৰ পৰিবৰ্তে এইসকল গল্পকাৰে মানৱ অন্তৰৰ আশা-আকাংক্ষা, সুখ-দুখ, হাঁহি-কান্দোনক সহৃদয়তাৰে অংকন কৰিবলৈ প্ৰচেষ্টা চলালে। মনস্তাত্ত্বিক বিশ্লেষণ, জীৱন-যৌৱনৰ উচ্ছ্বাস, অৰ্থনৈতিক কাৰুণ্য, মানৱীয় সংবেদনেৰে অসমীয়া গল্পৰ এই নতুন স্তৰ সিক্ত হৈ পৰিল। *জোনাকীৰ* পিছত

*বাঁহী, ঊষা, বিজুলি, চেতনা* প্ৰমুখ্যে কেইবাখনো আলোচনীৰ সৃষ্টি হৈছিল যদিও এইবোৰৰ ক্ষণস্থায়িত্ব বাবেই এইবোৰে অসমীয়া চুটিগল্পৰ ধাৰাটোক এটা স্থায়ী গঢ় দিবলৈ সক্ষম হোৱা নাছিল।

কিছুসংখ্যক পুৰণি লেখক-গল্পকাৰেও *আৱাহনৰ* পাতত লিখি থকা হেতুকে বেজবৰুৱাৰ দিনৰেপৰা বৈ অহা ধাৰাটো আৱাহন যুগতো অব্যাহত আছিল। নকুলচন্দ্ৰ ভূঞা, মহীচন্দ্ৰ বৰা আদি লেখকসকল এই ধাৰাৰ অন্তৰ্গত। শিক্ষাৰ প্ৰসাৰৰ লগে লগে এটা নতুন লেখক আৰু পাঠকগোষ্ঠীৰ আবিৰ্ভাৱ হ'ল এই সময়ছোৱাতে। "মাৰ্কিন গল্পকাৰ এদ্‌গাৰ এলেন পো, ফৰাচী কথাশিল্পী মোপাছাঁ আৰু আন্টন চেখভৰ চুটিগল্পৰ প্ৰভাৱ আৱাহনৰ যুগতেই অসমীয়া চুটিগল্পত শক্তিশালী হৈ আহিছিল।"[১২] ফ্ৰয়দৰ মনস্তত্বয়ো তেওঁলোকক জীৱন- যৌৱনৰ বিষয়ে মুকলিকৈ প্ৰকাশ কৰিবলৈ অনুপ্ৰেৰণা যোগালে। মানুহৰ জৈৱিক তাড়নাৰ নিষিদ্ধ দিশটোও গল্পৰ বিষয়বস্তুৰ ভিতৰুৱা হ'ল ।"আৱাহন যুগত হেনৰী জেমছ আৰু ডি. এইচ লৰেন্সৰ সাহিত্য দৰ্শনৰ আধাৰত মন গহনত প্ৰৱেশ কৰি মানুহৰ অভ্যন্তৰ জীৱনৰ অন্বেষণ কৰিবলৈ প্ৰয়াস কৰা হৈছিল। এনে কাৰণতে সংখ্যাত কম হ'লেও দুই এটা গল্পত চেতনাস্ৰোতৰ তত্ত্ব প্ৰয়োগ কৰি চুটিগল্প সৃষ্টি কৰা হৈছিল।"[১৩] মাৰ্ক্সীয় চিন্তাধাৰাৰো ৰেঙণি লেখকসকলৰ ৰচনাত প্ৰতিভাত হ'ল। সমাজৰ নিস্পেষিত-নিৰ্যাতিতজনৰ প্ৰতি সহানুভূতিশীল হৈ পৰি তেওঁলোক নাৰী নিৰ্যাতনৰ বিৰুদ্ধেও সৰৱ হৈ পৰিল। বৈধব্য জীৱনৰ বেদনা-যন্ত্ৰণাৰ আৰ্তি এইচাম গল্পকাৰৰ গল্পত প্ৰতিধ্বনিত হ'ল। সামাজিক দৰ্শনৰূপে এই সময়ত মাৰ্ক্সীয় দৰ্শনৰ বিকাশ আৰম্ভ হয় যদিও বৈজ্ঞানিক সমাজবাদে পাছৰ যুগৰ সাহিত্যিকসকলকহে বিশেষভাৱে প্ৰভাৱান্বিত কৰিবলৈ ল'লে। মাৰ্ক্সীয় চিন্তাধাৰাৰ সৈতে এই যুগৰ লেখকসকল পৰিচিত হ'ল।

*আৱাহনৰ* প্ৰতিষ্ঠাপক আৰু আৱাহন যুগৰ প্ৰৱৰ্তক নগেন্দ্ৰ নাৰায়ণ চৌধুৰী বেজবৰুৱা আৰু শৰৎ চন্দ্ৰ গোস্বামীৰ মধ্যৱৰ্তী গল্পকাৰ। বাংলা সাহিত্যৰ সৈতে ঘনিষ্ঠ সম্বন্ধ থকা চৌধুৰীয়ে প্ৰথমাৱস্থাত বাংলা ভাষাত গল্প ৰচনা কৰি জীৱনৰ মাজ বয়সতহে *আৱাহনৰ* পাতত গল্প লিখিবলৈ আৰম্ভ কৰে। বেজবৰুৱাৰ দৰে চৌধুৰীৰো আধুনিক শিক্ষা সাহিত্য-সংস্কৃতিৰ কেন্দ্ৰস্থল কলিকতাৰ সৈতে নিবিড় পৰিচয় আছিল। সেয়েহে তেওঁৰো জীৱনৰ অভিজ্ঞতা আছিল বিস্তৃত।

১২। প্ৰহ্লাদ কুমাৰ বৰুৱা- *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃঃ ৬২
১৩। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬৩

অবিভক্ত গোৱালপাৰা জিলাৰ প্ৰজাবৎসল জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পৰ বিষয়বস্তুলৈ লক্ষ্য কৰিলে দেখা যায় যে সেই সময়ৰ গোৱালপাৰাৰ ক্ষয়িষ্ণু জমিদাৰী সমাজ, জনজাতীয় সহজ-সৰল জীৱন, কু-সংস্কাৰৰ বলি হোৱা দুৰ্ভগীয়া নাৰীৰ জীৱন, নৰ-নাৰীৰ মাজৰ প্ৰণয় এইবোৰক লৈয়েই তেওঁৰ গল্পবোৰ লিখা হৈছে। *আৱাহন*ৰ সময়ত চুটিগল্প আৰু উপন্যাসৰ সঠিক পাৰ্থক্য নিৰ্দ্ধাৰিত হোৱা নাছিল বাবে *আৱাহন*ৰ যথেষ্ট সংখ্যক গল্পৰ পৰিধি বিস্তৃত আছিল। চৌধুৰীৰ গল্পৰ বিষয়বস্তুও কিছু পৰিমাণে উপন্যাসৰ বিষয়বস্তুৰ ওচৰচপা আৰু আয়তনৰ ক্ষেত্ৰতো উপন্যাসৰ দৰেই বিশাল।

জনজাতীয় সমাজখন বিশেষকৈ গাৰো আৰু কাৰ্বিসকলৰ জীৱনযাত্ৰাৰ সৈতে নগেন্দ্ৰ নাৰায়ণ চৌধুৰী বিশেষভাৱে পৰিচিত আছিল। সেয়েহে 'পোহাৰী','টুনী' 'মুক্তিলাভ', 'ধনভঁৰাল', আদিত জনজাতীয় জীৱনৰ সৰূলতা, হাঁহি-অশ্ৰু আদি সুন্দৰভাৱে প্ৰতিফলিত হৈছে। চৌধুৰীয়ে দুটামান গল্পত পাৰ্থিৱ সম্পদৰ সৈতে মানৱ জীৱনৰ সম্পৰ্ক দেখুৱাবলৈ গৈ সমাজতাত্বিকৰ দৰে সমাজ বৈজ্ঞানিকৰ দৃষ্টিভংগী গ্ৰহণ কৰিছে । এই প্ৰসংগত হোমেন বৰগোহাঞিৰ মন্তব্য প্ৰাণিধানযোগ্য – "অসমীয়া গল্পত আৰু এটা বিষয়বস্তুৰ তেঁৱেই অৱতাৰণা কৰিছিল। সেইটো হৈছে money অৰ্থাৎ মানুহৰ মনস্তত্ব আৰু মানৱিক সম্পৰ্কৰ ওপৰত ধনৰ প্ৰভাৱ আৰু প্ৰতিক্ৰিয়া।"[১৪] এনেভাৱবস্তুৰে ৰচিত দুটা গল্প হৈছে-'ভাগ বটোৱাৰা','ধনভঁৰাল'। ধন বা পাৰ্থিৱ সম্পদেই যে জীৱনৰ সৰ্বস্ব নহয়, বৰঞ্চ জীৱনক এটা উন্নত স্তৰত উপনীত কৰাবলৈ হ'লে যে এনে সম্পদক যথাযোগ্যভাৱে ব্যৱহাৰ কৰিব জানিব লাগিব- এই কথাৰ বিশ্লেষণ কৰা হৈছে। *আৱাহন*ৰ আৰম্ভণিৰ সময়তে যেতিয়া অসমত আধুনিক বিজ্ঞান চৰ্চাৰ ধাৰা তেনেই চালুকীয়া অৱস্থাত আছিল, সেই সময়তে জমিদাৰ নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ কাপৰ পৰা বিজ্ঞান ভিত্তিক গল্প 'ৰসায়ণ'ৰ[১৫] সৃষ্টি হোৱাটো অবিশ্বাস্য তথা আশ্চৰ্যজনক ভাৱে সত্য আৰু গৌৰৱৰ বিষয়। আয়ুৰ্বেদৰ কায়-কল্প বিদ্যাৰ দ্বাৰা শৰীৰৰ ৰূপান্তৰ সাধন, জীৱবিজ্ঞানৰ তত্বানুসাৰে ভিন্ন জীৱনৰ ৰক্ত কণিকাৰে ভিন্ন জীৱৰ ৰূপান্তৰ আৰু ভয়াবহ সংঘাত, ভীতিগ্ৰস্ততাই যে মানুহৰ অকাল বাৰ্দ্ধক্যৰ কাৰণ — এই তিনিটা দিশৰ জ্ঞানৰ সমাহাৰেৰে জীৱনৰ ব্যাখ্যা আগবঢ়োৱা হৈছে। আৱাহন যুগৰ গল্পৰ বিষয়বস্তুৰ পৰা সম্পূৰ্ণ আঁতৰি আহি অগতানুগতিক বিষয়বস্তুক লৈ ৰচনা কৰা 'ৰসায়ণ'

---

১৪। হোমেন বৰগোহাঞি (সম্পাদক)– *অসমীয়া গল্প সংকলন*, ১ম খণ্ড, পৃঃ ১৪

১৫। নগেন্দ্ৰ নাৰায়ণ চৌধুৰী — 'ৰসায়ণ,' *বীণাৰ ঝংকাৰ*

গল্পটো চৌধুৰীৰ গল্পবোৰৰ ভিতৰত কলা-কৌশলৰ ফালৰ পৰাও সফল, উৎকৃষ্ট গল্প হিচাপে পৰিগণিত হৈছে।

নগেন্দ্র নাৰায়ণ চৌধুৰীৰ পিছত আৱাহন যুগৰ গল্পকাৰ মহীচন্দ্ৰ বৰা, হলিৰাম ডেকা আৰু লক্ষ্মীনাথ ফুকনৰ ৰচনাত অসমীয়া চুটিগল্পৰ ধাৰাটি পুৰঠ তথা দৃঢ় হৈ উঠিল। লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া গল্প সাহিত্যত প্রতিষ্ঠা কৰি থৈ যোৱা হাস্য-ব্যংগৰ সুঁতিটোক আৱাহন যুগত অব্যাহত ৰাখিছিল দুজন গল্পকাৰ মহীচন্দ্ৰ বৰা আৰু লক্ষ্মীনাথ ফুকনে। মহীচন্দ্ৰ বৰাৰ ৰচনাত ব্যংগকাৰ বেজবৰুৱাৰ যথাযোগ্য উত্তৰাধিকাৰীৰ সম্ভাৱনা দেখা যায়। বৰাই তেওঁৰ গল্পত সেই সময়ৰ সমাজত গা কৰি উঠা মধ্যবিত্ত শ্ৰেণীটোৰ তৰাং মানসিকতা, ভণ্ডামি, সুবিধাবাদী স্বাৰ্থপৰ মনোবৃত্তিৰ স্পষ্ট আৰু পৰিস্কাৰ চিত্ৰ অংকন কৰিছে।

'কেৰাণীৰ কপাল'[১৬] মহীচন্দ্ৰ বৰাৰ এটা অন্যতম উল্লেখযোগ্য গল্প। গল্পটোত দুখন সমাজৰ মানুহৰ মানসিকতা চিত্রিত কৰা হৈছে। এখন হৈছে চহৰৰ চাকৰিজীৱী মধ্যবিত্ত সমাজখন আৰু আনখন গাঁৱৰ বিচিত্ৰ স্বভাৱৰ মানুখিনিৰ সমাজ। গল্পটোৰ বক্তব্য প্ৰকাশ কৰিবলৈকে বিভিন্ন মানসিকতাৰ অধিকাৰী মানুহক ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। কেৰাণী কিনাৰামৰ পিতৃৰ মৃত্যুৰ পিছত যথেষ্ট পৰিমাণৰ সাঁচতীয়া পইছা পুতেকলৈ এৰি থৈ যোৱা বুলি ভুল ধাৰণাৰ বশবৰ্তী হৈ গাঁৱৰ ভকত, পুৰোহিতকে আদি কৰি বংশ পৰিয়াল, আত্মীয়-কুটুম্ব, এলেকৰ পৰা পেলেকলৈকে সকলোবোৰে কিনাৰামৰ পিতৃৰ শ্ৰাদ্ধৰ সময়ত কিনাৰামক উচটাই মহাভোজ খাবলৈ কৰা আশা-আকাংক্ষা আৰু লোভৰ বৰ্ণনা অতিশয় জীৱন্ত।যিমানেই আপোন নহওক, ব্যক্তিগত স্বাৰ্থ সিদ্ধি হোৱা নোহোৱাৰ ওপৰতহে ভিত্তি কৰি এই আপোন ভাৱ টিকি থাকে। স্বাৰ্থ সিদ্ধিৰ আশা থাকিলেহে মানুহ কাষ চাপি আহে আৰু স্বাৰ্থ সিদ্ধিত ব্যাঘাত জন্মিলেই বিভিন্ন অজুহাতৰ আচিলা দেখুৱাই আঁতৰি যায়। এই মনস্তাত্বিক সত্যকে প্ৰকাশ কৰিবলৈ কিনাৰামৰ পিতৃৰ শ্ৰাদ্ধৰ প্ৰসংগটো অৱতাৰণা কৰা হৈছে।

নতুনকৈ গঢ়ি উঠা আমোলা জীৱনৰ প্ৰতি থকা আকৰ্ষণৰ বাবেই পৈতৃক সম্পত্তি পৰ্যন্ত বন্ধকত চহৰৰ চিৰস্তাদাৰক ঘোঁচ দি হলেও কেৰাণী চাকৰিত সোমোৱা গাঁৱৰ নিৰীহ ডেকা কিনাৰাম দুদিনমানৰ পিচতেই আকৌ একেজন চিৰস্তাদাৰৰ ষড়যন্ত্ৰত চাকৰিৰ পৰা বৰ্খাস্ত হবলগীয়া হৈছে। কিয়নো বৃদ্ধ

১৬। মহীচন্দ্ৰ বৰা-'কেৰাণীৰ কপাল', *অসমীয়া গল্পগুচ্ছ*

গল্পটো চৌধুৰীৰ গল্পবোৰৰ ভিতৰত কলা-কৌশলৰ ফালৰ পৰাও সফল, উৎকৃষ্ট গল্প হিচাপে পৰিগণিত হৈছে।

নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ পিছত আৱাহন যুগৰ গল্পকাৰ মহীচন্দ্ৰ বৰা, হলিৰাম ডেকা আৰু লক্ষ্মীনাথ ফুকনৰ ৰচনাত অসমীয়া চুটিগল্পৰ ধাৰাটি পুৰঠ তথা দৃঢ় হৈ উঠিল। লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া গল্প সাহিত্যত প্ৰতিষ্ঠা কৰি থৈ যোৱা হাস্য-ব্যংগৰ সুঁতিটোক আৱাহন যুগত অব্যাহত ৰাখিছিল দুজন গল্পকাৰ মহীচন্দ্ৰ বৰা আৰু লক্ষ্মীনাথ ফুকনে। মহীচন্দ্ৰ বৰাৰ ৰচনাত ব্যংগকাৰ বেজবৰুৱাৰ যথাযোগ্য উত্তৰাধিকাৰীৰ সম্ভাৱনা দেখা যায়। বৰাই তেওঁৰ গল্পত সেই সময়ৰ সমাজত গা কৰি উঠা মধ্যবিত্ত শ্ৰেণীটোৰ তৰাং মানসিকতা, ভণ্ডামি, সুবিধাবাদী স্বাৰ্থপৰ মনোবৃত্তিৰ স্পষ্ট আৰু পৰিস্কাৰ চিত্ৰ অংকন কৰিছে।

'কেৰাণীৰ কপাল'[১৬] মহীচন্দ্ৰ বৰাৰ এটা অন্যতম উল্লেখযোগ্য গল্প। গল্পটোত দুখন সমাজৰ মানুহৰ মানসিকতা চিত্ৰিত কৰা হৈছে। এখন হৈছে চহৰৰ চাকৰিজীৱী মধ্যবিত্ত সমাজখন আৰু আনখন গাঁৱৰ বিচিত্ৰ স্বভাৱৰ মানুখিনিৰ সমাজ। গল্পটোৰ বক্তব্য প্ৰকাশ কৰিবলৈকে বিভিন্ন মানসিকতাৰ অধিকাৰী মানুহক ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে। কেৰাণী কিনাৰামৰ পিতৃৰ মৃত্যুৰ পিছত যথেষ্ট পৰিমাণৰ সাঁচতীয়া পইছা পুতেকলৈ এৰি থৈ যোৱা বুলি ভুল ধাৰণাৰ বশবৰ্তী হৈ গাঁৱৰ ভকত, পুৰোহিতকে আদি কৰি বংশ পৰিয়াল, আত্মীয়-কুটুম্ব, এলেকৰ পৰা পেলেকলৈকে সকলোবোৰে কিনাৰামৰ পিতৃৰ শ্ৰাদ্ধৰ সময়ত কিনাৰামক উচটাই মহাভোজ খাবলৈ কৰা আশা-আকাংক্ষা আৰু লোভৰ বৰ্ণনা অতিশয় জীৱন্ত।যিমানেই আপোন নহওক, ব্যক্তিগত স্বাৰ্থ সিদ্ধি হোৱা নোহোৱাৰ ওপৰতহে ভিত্তি কৰি এই আপোন ভাৱ টিকি থাকে। স্বাৰ্থ সিদ্ধিৰ আশা থাকিলেহে মানুহ কাষ চাপি আহে আৰু স্বাৰ্থ সিদ্ধিত ব্যাঘাত জন্মিলেই বিভিন্ন অজুহাতৰ আচিলা দেখুৱাই আঁতৰি যায়। এই মনস্তাত্বিক সত্যকে প্ৰকাশ কৰিবলৈ কিনাৰামৰ পিতৃৰ শ্ৰাদ্ধৰ প্ৰসংগটো অৱতাৰণা কৰা হৈছে।

নতুনকৈ গঢ়ি উঠা আমোলা জীৱনৰ প্ৰতি থকা আকৰ্ষণৰ বাবেই পৈতৃক সম্পত্তি পৰ্যন্ত বন্ধকত চহৰৰ চিৰস্তাদাৰক ঘোঁচ দি হলেও কেৰাণী চাকৰিত সোমোৱা গাঁৱৰ নিৰীহ ডেকা কিনাৰাম দুদিনমানৰ পিচতেই আকৌ একেজন চিৰস্তাদাৰৰ ষড়যন্ত্ৰত চাকৰিৰ পৰা বৰ্খাস্ত হবলগীয়া হৈছে। কিয়নো বৃদ্ধ

---

১৬। মহীচন্দ্ৰ বৰা-'কেৰাণীৰ কপাল', *অসমীয়া গল্পগুচ্ছ*

চিৰস্তাদাৰৰ তৃতীয় গৰাকী যুৱতী ভাৰ্যা সেউতীৰ কথা মতে কিনাৰামৰ ঠাইত সেই কেৰাণীৰ চাকৰিটোত সেউতীৰ ককায়েককহে মকৰল কৰিবলৈ চিৰস্তাদাৰ বাধ্য হৈ পৰিল। এই চৰিত্ৰটোৰ কপটালি, স্ত্ৰৈণতা আৰু ভণ্ডামিৰ প্ৰতি লেখকে ক্ষুৰধাৰ ব্যংগবাণ এৰিছে। গল্পকাৰৰ ভাষাত "চিৰস্তাদাৰ সাত্বিক লোক। নিতৌ তিনিও প্ৰসংগ তেওঁ নাম গায় আৰু ভোৰতাল কোবায়। হৰি দীনবন্ধুক নিচিন্তি একাষাৰ কথাও তেওঁ নকয়।" [১৭]

মহীচন্দ্ৰ বৰাৰ গল্পৰীতিৰ আটাইতকৈ মোহনীয় দিশটো হ'ল জীৱন্ত আৰু বাস্তৱ চিত্ৰ অংকনৰ দক্ষতা। এই বিষয়ে হোমেন বৰগোহাঞিয়ে কৈছে -

> **ব্যক্তিগত অভিজ্ঞতা আৰু সংস্পৰ্শৰ যোগেদি এটা সীমাবদ্ধ পৰিসৰ মাজত তেওঁ যিবোৰ মানুহক লগ পাইছিল আৰু অতি নিবিড়ভাৱে চিনি পাইছিল, সেইমানুহবোৰৰ জীৱনধাৰা, আচাৰ-আৰচণ, মাত-কথা, ক্ষুদ্ৰ আশা-আকাংক্ষা আৰু হিংসা-দ্বেষ-প্ৰীতি আদিৰ একোটা জীৱন্ত আৰু বাস্তৱনুগ চিত্ৰ তেওঁ আঁকি থৈ গৈছে। দৰাচলতে মফচলীয়া চহৰ আৰু গাঁৱৰ ক্ষুদ্ৰ পৰিবেশত ক্ষুদ্ৰ আশা-আকাংক্ষা আৰু সমস্যা লৈ জীয়াই থকা এই ক্ষুদ্ৰ মানুহবোৰ এনে জীৱন্ত চিত্ৰ মহীচন্দ্ৰ বৰাৰ বাহিৰে আন কোনেও বোধহয় আমালৈ থৈ যাব পৰা নাই।** [১৮]

মহীচন্দ্ৰ বৰাৰ গল্পৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হল নিভাঁজ কথিত ভাষাৰ যাদুকৰী শক্তি। এই সম্পৰ্কত বিৰিঞ্চি কুমাৰ বৰুৱাৰ মন্তব্য - মহীচন্দ্ৰ বৰাৰ অনুকৰণীয় ভাষাশৈলীৰ বাবেই গল্পসমূহ উপাদেয়। মহীচন্দ্ৰ বৰা গল্পৰ প্ৰসংগত বিৰিঞ্চি কুমাৰ বৰুৱাৰ এইখিনি কথাও উল্লেখ কৰিব পাৰি -

> 'The chief feature of Mohi Bora's short stories is charming description of the healthy contented middle class life of Assam, of its capacity to lead an uncomplaining and uninsinuating stoic esistence even in the teeth of want, and of lifes little ironies.' [১৯]

মহীচন্দ্ৰ বৰাৰ প্ৰায়বোৰ গল্পতে ব্যক্তি আৰু সমাজৰ অৱক্ষয় সূচক ৰূপটো ফুটাই তোলা হৈছে।'লাভ

---

১৭। মহীচন্দ্ৰ বৰা - 'কেৰাণীৰ কপাল' *অসমীয়া গল্পগুচ্ছ* পৃঃ ৫৫।

১৮। হোমেন বৰগোহাঞি (সম্পা)- *অসমীয়া গল্প সংকলন*, ১ম খণ্ড পৃঃ ৪১

১৯। Birinchi Kumar Baruah:- *History of Assamese Literature'* P.177

লোকচান', 'চাকনৈয়া', 'অব্যয়', আদি গল্পও ইয়াৰ ব্যতিক্ৰম নহয়। 'যুদ্ধবিৰতি,' 'অসাৰ খলু সংসাৰ'- - গল্পত গল্পকাৰে বহুবাৰ পাণি গ্ৰহণ কৰিবলৈ ইচ্ছা কৰা ব্যক্তিৰ কাৰ্য-কলাপৰ ব্যংগাত্মক ছবি আঁকিছে।

*আৱাহন*ৰ জন্মৰ প্ৰায় ডেৰ দশকৰ আগতে গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰা লেখক লক্ষ্মীনাথ ফুকন আৱাহন যুগৰ এজন বিশিষ্ট লেখক। ৰামধেনু যুগলৈকে এইজন গল্পকাৰে তেওঁৰ লেখা অব্যাহত ৰাখে। 'মেধি' লক্ষ্মীনাথ ফুকনৰ এটি সুখপাঠ্য গল্প। আউনিআটী সত্ৰৰ মেধি বাব পোৱা বাবে বলোৰাম নামৰ মানুহজনৰ নামটো তল পৰি কেৱল মেধি নামটোহে ওপৰলৈ উঠিল। মেধিৰ নাম যে বলোৰাম আছিল – মানুহে পাহৰি পেলালে, ল'ৰাৰ পৰা বুঢ়া সকলোৰে বাবে তেওঁ হ'ল মেধি। এইজন মেধিৰে মৰমিয়াল কোমল অন্তৰ, সৰল স্বভাৱ আৰু পৰোপকাৰী, আপোনভোলা চৰিত্ৰৰ বৰ্ণনাই গল্পটোৰ বিষয়বস্তু। আদবয়সীয়া মেধিৰ যুৱতী ভাৰ্যা মেধিয়নীয়ে তেওঁক এৰি গাঁৱৰে মুহীধৰলৈ যোৱা ঘটনাটোকো মেধিয়ে সহজভাৱেই গ্ৰহণ কৰিছে। আনকি মেধিয়নীয়ে ৰিহা মেখেলা এযোৰ লোৱাৰ বাবে সাঁচি থোৱা আঢ়েকুৰি টকাও ওচৰৰে ল'ৰা গোপালৰ হাতত দি পঠিয়াইছে এইবুলি –

> তই যা, এতিয়াই দি আহগৈ। খুৰীয়েৰক কবি, ৰিহা মেখেলা ল'বৰ কাৰণে এই ৰূপ আঢ়েকুৰি, খুৰীয়েৰে যি কৰে কৰিব।[২০]

এই ঘটনাটোৰ মাজেদি মেধি চৰিত্ৰৰ স্নেহ আৰু উদাৰতা প্ৰকাশ কৰাৰ উপৰিও মেধিয়নী চৰিত্ৰৰো এটা মনস্তাত্বিক বিশ্লেষণ দাঙি ধৰিবলৈ যত্ন কৰা হৈছে। মেধি দম্পতী আছিল সন্তানহীন। মেধিয়নীয়ে মেধিক এৰি আনলৈ যোৱাৰ অন্তৰালত এইটো কাৰণেও ক্ৰিয়া কৰিছিল। নাৰীৰ সন্তান প্ৰাপ্তিৰ চিৰন্তন আকাংক্ষা মেধিয়নীৰো আছিল। এই কথাষাৰ গল্পকাৰে মেধিৰ মুখতো দিছে। এইদৰে সন্তানৰ প্ৰতি থকা প্ৰৱল আগ্ৰহৰ বাবেই মেধিয়নীয়ে মেধিক এৰি মুহীধৰলৈ গুচি যোৱা দেখুৱাই গল্পকাৰে নাৰী মনস্তত্বৰ এটা আভাস দিবলৈ প্ৰয়াস কৰিছে।

'টাইপিষ্টৰ জীৱন' লক্ষ্মীনাথ ফুকনৰ গল্পবোৰৰ ভিতৰত উল্লেখযোগ্য গল্প। এইগল্পটোৰ সম্পৰ্কত হোমেন বৰগোহাঞিয়ে মন্তব্য কৰিছে -

---

২০। লক্ষ্মীনাথ ফুকন–'মেধি', *অসমীয়া গল্পগুচ্ছ,* পৃঃ ৪৮

কেৰাণী জীৱনক কেন্দ্ৰ কৰি অসমীয়া ভাষাত বহুতো গল্প লেখা হৈছে, সেইবোৰ ভিতৰত লক্ষ্মীনাথ ফুকনৰ গল্পটো নিজস্ব বৈশিষ্ট্যৰে সমুজ্জ্বল।[২১]

গল্পটোত প্ৰচলিত সমাজ ব্যৱস্থাৰ প্ৰতি তীব্ৰ ব্যংগ নিহিত হৈ আছে। বিত্তবান শ্ৰেণীটোৰ হৃদয়হীনতা আৰু ভণ্ডামিকো গল্পকাৰে আক্ৰমণ কৰিছে। আধুনিক সমাজৰ ৰংচঙীয়া আৱৰণৰ আঁৰত লুকাই থকা ফোপোলা মানসিকতাৰ প্ৰতি এইজন লেখকৰ দৃষ্টিভংগী সদায়েই ব্যংগাত্মক। গল্পটো সফল হৈছে লেখকৰ বক্তব্যই প্ৰচাৰধৰ্মী ৰূপ নোলোৱাৰ বাবে। শিল্পসুলভ চাতুৰ্যময় কথনভংগীৰে ভাৱবস্তুক স্পষ্টৰূপ দিয়া হৈছে। গল্পটোৰ মূল চৰিত্ৰ মাণিক শইকীয়াৰ চাৰিত্ৰিক বৈশিষ্ট্যৰে আৰম্ভণি কৰাৰ পিছত চৌধুৰী ব্ৰাদাৰ্ছ কোম্পানীৰ চাকৰিয়াল টাইপিষ্ট মাণিক শইকীয়াৰ অভাৱ-অনাটনগ্ৰস্ত চাকৰি জীৱনৰ কৰুণ কাহিনী বৰ্ণনা কৰা হৈছে। চাকৰি জীৱনৰ তিনিবছৰৰ ভিতৰত মাত্ৰ দহদিন চুটি লৈ একাগ্ৰতা আৰু নিষ্ঠাৰে নিজৰ কৰ্তব্য পালন কৰা শইকীয়াৰ মৃত্যু হল চিকিৎসাৰ অভাৱত। অসুখীয়া অৱস্থাত চিকিৎসাৰ বাবে সামান্য টকা কেইটামানো মেনেজাৰে দিব নোৱাৰিলে, কিন্তু মৃত্যুৰ পিছত মৃতকৰফটোত মাল্যাৰ্পণ কৰি বহল মনৰ পৰিচয় দিবলৈ মেনেজাৰৰ মন হ'ল, শোকসভা পাতি শোকপ্ৰস্তাৱ লবলৈও মন হ'ল। এই প্ৰসংগত হোমেন বৰগোহাঞিয়ে কৈছে —

**গল্পটোৰ মূল বক্তব্য এজন দৰিদ্ৰ, হতভাগ্য কেৰাণীৰ জীৱনৰ কৰুণ ট্ৰেজেডী নহয়, আচল বক্তব্য হ'ল এক নিৰ্দয় অন্তঃসাৰশূন্য সমাজ ব্যৱস্থাৰ স্বৰূপ উন্মোচন।**[২২]

সমাজৰ কলুষিত চৰিত্ৰৰ শ্ৰেণীটোৰ প্ৰতি লক্ষ্মীনাথ ফুকনৰ ক্ষুৰধাৰ ব্যংগ দৃষ্টি সম্পৰ্কে আকৌ এঠাইত বৰগোহাঞিয়ে কৈছে —

**লক্ষ্মীনাথ ফুকনৰ মৰ্মভেদী ব্যংগবাণৰ লক্ষ্য হ'ল এনে এক আত্মপ্ৰতাৰক দুশ্চৰিত্ৰ সমাজ, যি সমাজে নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে কিছুমান মানুহক নিৰ্দয়ভাৱে শোষণ কৰে, কিন্তু লগতে নিজৰ অপৰাধী বিবেকৰ প্ৰক্ষালনৰ কাৰণে আন্তৰিকতাশূন্য বাহ্যিক ক্ৰিয়াকাণ্ডৰ উদ্ভাৱন কৰে।**[২৩]

---

২১। হোমেন বৰগোহাঞি - *অসমীয়া গল্প সংকলন*, ১ম খণ্ড, পৃঃ ৯৭

২২। লক্ষ্মীনাথ ফুকন - 'টাইপিষ্টৰ জীৱন,' *অসমীয়া গল্পসংকলন*, ১ম খণ্ড

২৩। হোমেন বৰগোহাঞি - পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৯৭

লক্ষ্মীনাথ ফুকনৰ গল্পৰ সুখপাঠ্যতাৰ কাৰণ হৈছে তেওঁৰ ভাষাৰ কোমলতা আৰু অসমীয়া ভাষাৰ নিভাঁজ প্ৰয়োগ। তেওঁৰ ভাষাৰ সন্মোহিনী শক্তিৰ বিষয়ে বিৰিঞ্চি কুমাৰ বৰুৱাই কৈছে –

> Lakshminath Phukon uses spoken language and idioms with nice discrimination and great telling effect. A sense of homour is an additional virtue of his fascinating and picturesque writings.[২৪]

আৱাহন যুগৰ এগৰাকী বিশিষ্ট লেখক হলিৰাম ডেকা। গল্পৰ গুণগত দিশৰ ফালৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে বেজবৰুৱাৰ পিছত এইজন গল্পকাৰ হাততেই অসমীয়া গল্পই এক শিল্পমণ্ডিত ৰূপ ধাৰণ কৰে। জীৱনবোধৰ অটল গভীৰতা থকা ডেকাৰ গল্পই অসমীয়া গল্পক উন্নত স্তৰ এটাত উপনীত কৰালে।

> বুদ্ধিদীপ্ত হাস্যৰস, ব্যংগৰ বক্ৰতা আৰু বক্ৰাঘাতৰ স্ততিৰ প্ৰতি আকৰ্ষণ থকা হলিৰাম ডেকাৰ গল্পত মানুহৰ জীৱনৰ আভ্যন্তৰীণ পৃথিৱীখনৰ গভীৰ বিশ্লেষণ চলিল আৰু এই পৰীক্ষাত তেওঁ কৃতকাৰ্যও হ'ল।[২৫]

মানৱীয় আৱেদনেৰে সিক্ত 'ৰে বড়ে ভাই'[২৬] ডেকাৰ যুগজয়ী গল্প। গল্পটোৰ বিষয়বস্তু তেনেই সাধাৰণ কিন্তু ইয়াৰ দ্বাৰা প্ৰকাশিত গভীৰ জীৱনবোধ তথা মানৱীয় অনুভূতিৰ বাবে গল্পটোৱে শ্ৰেষ্ঠত্বৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। এজন অন্ধ ব্যক্তি চুলতানৰ দুৰ্ভগীয়া জীৱনৰ কাৰুণ্যই গল্পটোৰ বিষয়বস্তু। চুলতানৰ ককায়েক হোছেনে শ্বিলঙত সাধাৰণ চাকৰি কৰি থাকে। এইজন ভাতৃৰ প্ৰতি থকা স্নেহৰ তাগিদাতেই চুলতান এদিনাখন শ্বিলং পায়গৈ। বাটত হোৱা বিভিন্ন বাধা-বিঘিনী তথা দুৰ্যোগ নেওচি গৈ অৱশেষত এই সন্ধানতেই বজ্ৰপাত পৰি চুলতানৰ মৃত্যু ঘটে। এই সাধাৰণ ঘটনাটোকে গল্পকাৰে স্বকীয় প্ৰতিভাৰে অসাধাৰণ কৰি তুলিছে। গল্পটোৰ সাফল্যৰ আঁৰত ক্ৰিয়া কৰা প্ৰকাশভংগীৰ শিল্প চাতুৰ্যৰ সম্পৰ্কে হোমেন বৰগোহাঞিয়ে কৈছে –

> দৰিদ্ৰ আৰু দুৰ্ভগীয়া মানুহৰ জীৱনক কেন্দ্ৰ কৰি এনেকুৱা বহুত গল্প লেখা হৈছে, ভৱিষ্যতেও হৈ থাকিব। কিন্তু প্ৰকাশভংগীৰ যি যাদুস্পৰ্শত সামান্যও অসামান্য হৈ উঠে; জীৱনৰ অতি তুচ্ছ আৰু নিত্য পৰিচিত অভিজ্ঞতাও এক নতুন চেতনাৰ আলোকত তাৎপৰ্যমণ্ডিত হৈ উঠে, হলিৰাম ডেকাৰ এই

---

২৪। B.K. Baruah -- *History of Assamese literature*, P.177

২৫। ত্ৰৈলোক্য নাথ গোস্বামী- *আধুনিক গল্প সাহিত্য*, পৃঃ ১২১

২৬। হলিৰাম ডেকা– 'ৰে বড়ে ভাই', *অসমীয়া গল্পগুচ্ছ*

গল্পটোত প্ৰকাশভংগীৰ সেই যাদুস্পৰ্শ দেখা যায়। গল্পটোৰ গম্ভীৰ দৃশ্যপটত এহাতে মানুহ আৰু আনহাতে প্ৰকৃতিয়ে, এহাতে সমাজ আৰু আনহাতে নিয়তিয়ে সমানে ভূমিকা লৈছে। লেখকে নিপুণ তুলিকাৰ দুই এটা আঁচোৰতে এই সকলোৰে উপস্থিতি অতি জীৱন্ত অৰ্থপূৰ্ণ ৰূপত ফুটাই তুলিছে।'[২৭]

আৱাহন যুগৰ গল্পৰীতিৰ গতানুগতিক গণ্ডীৰ পৰা মুক্ত হলিৰাম ডেকাৰ অন্য এটা উল্লেখযোগ্য গল্প হৈছে 'ভ্ৰষ্টলিপি'[২৮]। কাহিনীৰ নাম মাত্ৰও নথকা এই গল্পটোৰ বিশৃংখল, অগতানুগতিক, কাল্পনিক বাতাবৰণ এটাই বিষয়বস্তু। প্ৰহ্লাদ কুমাৰ বৰুৱাই কৈছে –"এই গল্পৰ ভাৱবস্তু আৰু ইয়াৰ অগতানুগতিক টেক্‌নিকৰ প্ৰতি লক্ষ্য কৰিলে সহজে অনুমান কৰিব পাৰি যে এই গল্পটোৰ জৰিয়তে অসমীয়া গল্পলৈ পাশ্চাত্য সাহিত্যাদৰ্শৰ চেতনাস্ৰোত ভাৱধাৰা কঢ়িয়াই অনা হৈছিল।"[২৯] উদ্দেশ্যবিহীনভাৱে ঘূৰি ফুৰোঁতে পানীৰ যুঁৰলিত পোৱা এখন কাগজৰ বিক্ষিপ্ত বিশৃংখল কথাখিনিক লৈ নায়কজনে বাৰে বাৰে পঢ়ি অৰ্থ বুজিবলৈ যত্ন কৰা কথাখিনিক লৈয়ে গল্পটোৰ বিষয়বস্তু। কেতিয়াবা তেওঁ সেই লেখাখিনি এজন মৃতকৰ বুলি ভাবে আৰু কেতিয়াবা সেই লেখাখিনি তেওঁৰ পত্নীৰো হ'ব পাৰে বুলি ভাৱে আৰু কল্পনাত ডুব যায়। চেতনাস্ৰোতধৰ্মী সাহিত্যত চৰিত্ৰৰ চিন্তা-অনুভূতিৰ কোনো ধৰণৰ ক্ৰম নাথাকে আৰু ভাৱ-অনুভূতিকো যুক্তিপূৰ্ণভাৱে নাইবা বাস্তৱধৰ্মী ভাৱে প্ৰকাশ কৰা নহয়। গতিকে প্ৰহ্লাদ কুমাৰ বৰুৱাৰ মন্তব্য এই ক্ষেত্ৰত যথাৰ্থ যেন অনুমান হয়।

'দ্বিতীয় পক্ষ'[৩০] হলিৰাম ডেকাৰ অন্য এটা বিশিষ্ট গল্প। ইয়াত এজন বৃদ্ধ পতিৰ দ্বিতীয় গৰাকী ভাৰ্যাৰ অবৈধ প্ৰেমৰ স্বীকাৰোক্তি আছে। গল্পৰ নায়কজনেই এই স্বীকাৰোক্তি শুনি জানিব পাৰিছে যে যিজনী ছোৱালীৰ আকৰ্ষণত তেওঁ সেইখন ঘৰৰ সন্মুখেৰে সঘনাই আহ-যাহ কৰে, সেইজনী ছোৱালী আচলতে মানুহগৰাকী অৰ্থাৎ ঘৰৰ গৃহিণীগৰাকীৰ অবৈধ সন্তানহে। আৱাহন যুগৰ গল্পৰ অন্যতম বৈশিষ্ট্য কাহিনীৰ প্ৰাধান্যক এইটো গল্পত অস্বীকাৰ কৰা হৈছে। ভাৱবস্তুৰ ফালৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে ইয়াত ফ্ৰয়ডীয় জৈৱিক প্ৰবৃত্তি আৰু নাৰী মনস্তত্বৰ ৰহস্য উদ্‌ঘাটনৰ প্ৰচেষ্টা আছে।

---

২৭। হোমেন বৰগোহাঞি – *অসমীয়া গল্প সংকলন*, ১ম খণ্ড, পৃঃ ৮৭

২৮। হলিৰাম ডেকা – 'ভ্ৰষ্টলিপি', *ৰৌদ্ৰ নীলিমা*

২৯। প্ৰহ্লাদ কুমাৰ বৰুৱা – *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃঃ ৯৯

৩০। হলিৰাম ডেকা – 'দ্বিতীয় পক্ষ,' *অসমীয়া গল্প কৌমুদী*

গল্পৰ নায়কজনৰ সেই ঘৰৰ ছোৱালীজনীৰ প্ৰতি থকা তীব্ৰ আকৰ্ষণ আৰু সন্মোহনৰ কাৰণ প্ৰকৃততে নাৰী-পুৰুষৰ প্ৰবৃত্তিগত আকৰ্ষণহে। সেইদৰে স্বামীৰ প্ৰথম পক্ষৰ কেইবাটিও ল'ৰা-ছোৱালীৰ মাহীমাক হোৱাৰ পিছতো নিজৰ এটা সন্তানৰ কামনা – লাগিলে সেই সন্তানৰ জন্ম অবৈধভাৱেই নহওক কিয় - - নাৰীমনৰ ই চিৰন্তন সত্য। মানুহৰ জীৱনৰ এই আভ্যন্তৰীণ ভাগৰ বিশ্লেষণ ডেকাৰ গল্পত সাফল্যমণ্ডিত হৈ উঠাৰ বিষয়ে হোমেন বৰগোহাঞিয়ে কৈছে -

> হলিৰাম ডেকাৰ গল্পত সাহিত্যৰ লগত জীৱনৰ সম্পৰ্ক নিবিড়তৰ হৈ আহিল, অধিক ব্যক্তিগত হৈ আহিল। অসমীয়া সাহিত্যত ই এটা নতুন স্বাদৰ অভিজ্ঞতা। অতি কম কথাতে অৰ্থাৎ বিশদ বিৱৰণৰ পৰিবৰ্তে কেৱল মাত্ৰ সযত্ন চৰিত্ৰ ( suggestive detail) অৰ সহায়েৰে চৰিত্ৰ ফুটাই তোলাৰ ক্ষমতা তেওঁৰ (হলিৰাম ডেকা) ৰচনাতেই অসমীয়া গল্পৰ বয়ঃপ্ৰাপ্তিৰ লক্ষণো দেখা গৈছে।[৩১]

সংক্ষিপ্ততা, কথনভংগীৰ বুদ্ধিদীপ্ততা আৰু প্ৰকাশভংগীৰ চাতুৰ্যৰে হলিৰাম ডেকাই অসমীয়া গল্পক এক নতুন মাত্ৰা প্ৰদান কৰিলে।

লক্ষ্মীনাথ শৰ্মাই অসমীয়া গল্প সাহিত্যত এক প্ৰকাৰৰ বিপ্লৱ সূচনা কৰে। এই নতুন দৃষ্টিভংগীৰ বাবে তেওঁ সমালোচনাৰ পাত্ৰ হৈ পৰিছিল যদিও *আৱাহনে* তেওঁৰ সপক্ষে দৃঢ়ভাৱে থিয় দিলে।

সমাজ সংস্কাৰৰ ভূমিকা লোৱা লক্ষ্মীধৰ শৰ্মাই চৰিত্ৰৰ মনস্তাত্বিক বিশ্লেষণ আৰু সামাজিক চেতনা সম্ভূত আদৰ্শৰে গল্প ৰচনা কৰি এই যুগৰ গল্পক এটা বেলেগ মৰ্যাদা দিলে। তেওঁৰ ৰচনাত গান্ধী, ফ্ৰয়দ আৰু মাৰ্ক্স – এই তিনিওজনৰে প্ৰভাৱ মূৰ্ত হৈ পৰিছিল। আন কথাত ক'বলৈ গলে তেওঁ আদৰ্শ, যৌৱন আৰু জীৱন কোনোটোকে উপেক্ষা কৰা নাছিল।

নাৰী মুক্তি আন্দোলনৰ এজন প্ৰবক্তা লক্ষ্মীধৰ শৰ্মাই জৈৱিক সমস্যাত জৰ্জৰিত নৰ-নাৰীৰ অপূৰ্ব চিত্ৰ অংকন কৰিছে। সামগ্ৰিকভাৱে মানৱ মুক্তিৰ এক সংগ্ৰামত অংশগ্ৰহণ কৰা লক্ষ্মীধৰ শৰ্মা অসমীয়া গল্প সাহিত্যত বহু ফালৰে পৰাই এজন যুগান্তকাৰী লেখক।

> দায়বদ্ধ লেখক বুলিলে আমি যি বুজো, সেই অৰ্থত লক্ষ্মীধৰ শৰ্মাই বোধহয় অসমীয়া সাহিত্যৰ প্ৰথম দায়বদ্ধ লেখক। দৰিদ্ৰৰ প্ৰতি সহানুভূতি, সামাজিক সংস্কাৰৰ প্ৰতি আকাংক্ষা, সাম্যৰ আদৰ্শৰ প্ৰতি আৱেগিক অনুৰাগ, জাতীয় মুক্তি সংগ্ৰামৰ প্ৰতি সমৰ্থন – এনেবোৰ অনুভূতি লক্ষ্মীধৰ শৰ্মাৰ আগতেও অন্যান্য অসমীয়া লেখকৰ ৰচনাত প্ৰকাশ

---

৩১। হোমেন বৰগোহাঞি — *অসমীয়া গল্প সংকলন*, ১ম খণ্ড, পৃঃ ৮৭

পাইছে; কিন্তু শ্ৰমিক, কৃষক আৰু তিৰোতা আদি সমাজৰ নিষ্পেষিত আৰু শোষিত শ্ৰেণীৰ লোকসকলৰ মুক্তিৰ দাবীত তেওঁৰ কণ্ঠ যিভাৱে সোচ্চাৰ হৈ উঠিছে আৰু যি ব্যাকুলতা ব্যক্ত হৈছে, তেওঁৰ আগতে আন কোনো অসমীয়া লেখকৰ ৰচনাতেই এনে ধৰণৰ তীব্ৰ আৱেগময় সামাজিক দায়বদ্ধতা ফুটি উঠা নাই। তেওঁৰ ৰচনাতেই আধুনিক অৰ্থনৈতিক আৰু সামাজিক চিন্তাৰ প্ৰভাৱো প্ৰথমে লক্ষ্য কৰা যায়।[৩২]

মানৱ মুক্তি সংগ্ৰামত লক্ষ্মীধৰ শৰ্মাই সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁ নাৰী চেতনাৰ মুক্তি বিচাৰিছিল 'বিদ্ৰোহিনী', 'ব্যৰ্থতাৰ দান' ৰ ললিতা আৰু লিলিৰ জৰিয়তে, দৰিদ্ৰ কৃষক শ্ৰমিকৰ মুক্তি বিচাৰিছিল 'পৰাজয়'ৰ মহেশৰ জৰিয়তে আৰু অন্ধ সংস্কাৰ, ভুৱা জাত্যাভিমান, অন্ধসংস্কাৰ আৰু সাম্প্ৰদায়িকতাৰ পৰা মুক্তি বিচাৰিছিল 'চিৰাজ' গল্পৰ চিৰাজৰ জৰিয়তে।লক্ষ্মীধৰ শৰ্মাৰ 'ব্যৰ্থতাৰ দান' এটা সাৰ্থক গল্প।

> সামাজিক দৃষ্টিকোণৰ পৰা গল্পটোৰ তাৎপৰ্য্যপূৰ্ণ কথা এইটোৱেই যে লেখকে ইয়াত পুৰুষ আৰু তিৰোতাৰ ক্ষেত্ৰত সমাজে ব্যৱহাৰ কৰি অহা দুডাল বেলেগে বেলেগে মাপ-কাঠি দলিয়াই পেলাই দিছে আৰু তিৰোতাৰ সুকীয়া ব্যক্তিত্বক সশ্ৰদ্ধ স্বীকৃতি দিছে। এই গল্পটোৱে অসমীয়া সাহিত্যত আৰু সমাজত যুগ পৰিবৰ্তনৰ আগলি বতৰা ঘোষণা কৰিছে।[৩৩]

'ব্যৰ্থতাৰ দান'[৩৪] গল্পত কাহিনী নিৰ্মাণৰ প্ৰতি লেখকৰ আগ্ৰহ দেখা নাযায়। ইয়াত সুন্দৰী নায়িকা লিলিৰ মানসিক অৱস্থা প্ৰকাশৰ বাবে এটা অনুকূল বাতাবৰণ বা পৰিবেশ সৃষ্টিহে লেখকে কৰিব খুজিছে যেন অনুমান হয়। নাৰী মনস্তত্বৰ কেইবাটাও দিশ এই গল্পটোৰ জৰিয়তে পোহৰলৈ অনা হৈছে। ধনীৰ দুলালী আৰু আঢ্যবন্তৰ পত্নী হৈও লিলি অতৃপ্ত। চাহ বাগিছাৰ মালিক স্বামীৰ প্ৰতি লিলিৰ কোনো ধৰণৰ অন্তৰৰ আকৰ্ষণ নাই, প্ৰেমৰ স্পৃহা নাই। স্বামীৰ সৈতে লিলিৰ সম্পৰ্ক যান্ত্ৰিক। সংগীত-সাহিত্য-কলাৰ প্ৰতি অনুৰক্তা লিলি, কিন্তু তেওঁৰ স্বামীৰ এইবোৰৰ সৈতে সামান্য পৰিচয়কণো নাই, স্বাভাৱিক যে তেওঁৰ তিলমাত্ৰ আগ্ৰহো নাই। তেওঁ কেৱল ধন ঘটিব আৰু লিলিৰ ৰূপ মাধুৰীৰ প্ৰশস্তি গাব জানে।নাৰীয়ে বিবাহৰ মাজেৰে জীৱনৰ পূৰ্ণতা বিচাৰে – কেৱল ধন-দৌলতৰ দৰে স্থাৱৰ সম্পত্তিৰ

---

৩২। হোমেন বৰগোহাঞি — *অসমীয়া গল্প সংকলন*, পৃঃ ৬৭

৩৩। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬৮

৩৪। লক্ষ্মীধৰ শৰ্মা — 'ব্যৰ্থতাৰ দান,' *অসমীয়া গল্প সংকলন*

মালিকীস্বত্ব নহয়। সেয়েহে লিলিয়ে জীৱনক পূৰ্ণতা প্ৰদান কৰাৰ উদ্দেশ্যেৰে বিচাৰি পালেগৈ বান্ধৱী তৰুৰ গিৰিয়েক ললিতক। ললিতৰ বুদ্ধিদীপ্ত আকৰ্ষণীয় ব্যক্তিত্বত মোহিত লৈ লিলিয়ে তেওঁৰ প্ৰতি চৰম আকৰ্ষণ অনুভৱ কৰিবলৈ ধৰিলে। লিলিৰ এই আকৰ্ষণ আচলতে নাৰী মনস্তত্বৰেই প্ৰতিক্ৰিয়া মাথোন। কিন্তু ললিতৰ উদাসীনতাই লিলিক হতাশ কৰিলে। তৰু লিলিৰ ঈৰ্ষাৰ কাৰণ হৈ পৰিল। আনকি তৰুৰ মৃত্যুৰ পিচতো ললিত নিৰ্বিকাৰ হৈয়েই থাকিল। নিজৰ দৈহিক সৌন্দৰ্যৰ প্ৰতি গভীৰ আস্থা থকা সত্বেও যেতিয়া এই সৌন্দৰ্যই ললিতক মুগ্ধ কৰিবলৈ সক্ষম নহ'ল লিলি ক্ৰুদ্ধা হৈ পৰিছে। নাৰীৰ আত্মৰতিৰ পৰা ওপজা ঈৰ্ষা আৰু এই ঈৰ্ষাই ক্ৰমশঃ ভয়াবহ ৰূপ ধাৰণ কৰিব পৰা অৱস্থাটো নাৰীমনৰ এটা মৌলিক সত্য। এই সত্যক লিলি চৰিত্ৰৰ জৰিয়তে প্ৰত্যয়জনক ভাৱে চিত্ৰিত কৰা হৈছে। শেষত এই হৃদয়াবেগৰ তাড়নাত তিষ্ঠিব নোৱাৰি লিলিয়ে প্ৰকাশ্যে ললিতৰ ওচৰত আত্ম সমৰ্পণ কৰিবলৈ আহোঁতে দেখিলে যে বেথাৰ অনন্ত সাগৰত পৰি ললিতে মৃতা স্ত্ৰীৰেই উপাসনা কৰিছে আৰু সেই পূজাৰ বিশ্বব্যাপী কৰুণ শংখ নিনাদে সমগ্ৰ নাৰীজাতিৰেই গৌৰৱ ঘোষণা কৰিছে। সেই পূজা বিনষ্ট কৰাটো অন্যায় বুলি লিলিয়ে অৱশেষত উপলব্ধি কৰিবলৈ সক্ষম হৈছে।

'বিদ্ৰোহিনী'ত ললিতাই বাল বিধবা হৈও সমাজৰ কটকটীয়া ৰীতি-নীতিক অস্বীকাৰ কৰিছে আৰু অবৈধ সন্তানৰ মাতৃত্ব স্বীকাৰ কৰিছে। পুৰুষৰ অন্যায়-অবিচাৰৰ বিৰুদ্ধে ললিতাই বিদ্ৰোহ ঘোষণা কৰি বিদ্ৰোহিনী ৰূপেৰে পৰিচিত হৈছে।

লক্ষ্মীধৰ শৰ্মাৰ গল্পৰ চৰিত্ৰবোৰৰ মাজেৰে প্ৰকাশ পোৱা সংস্কাৰকামী চেতনা দৰাচলতে লেখকৰেই নিজা ধ্যান ধাৰণাৰ প্ৰতিফলন। সেয়েহে হোমেন বৰগোহাঞিয়ে যথাৰ্থ মন্তব্য দিছে— তেওঁৰ বেছিভাগ চৰিত্ৰৰে আহিঁ হয়তো কোনো তেজ-মাংসৰ জীৱন্ত ব্যক্তি নাছিল, সেইবোৰ আছিল তেওঁৰ কল্পনাৰ সৃষ্টি, তেওঁৰ চিন্তা, স্বপ্ন আৰু আদৰ্শৰ প্ৰৱক্তা। কিন্তু আদৰ্শবাদী কল্পনাৰ সৃষ্টি চৰিত্ৰকো লেখকে নিজৰ প্ৰতিভা আৰু আৱেগেৰে জীৱন্ত কৰি তুলিব পাৰে। লক্ষ্মীধৰ শৰ্মাৰ ক্ষেত্ৰত সেইটো আৰু বেছিকৈ সম্ভৱ হৈছিল এই কাৰণেই যে, তেওঁৰ চৰিত্ৰবোৰ আছিল তেওঁৰ নিজৰ ব্যক্তিত্বৰে প্ৰক্ষেপন। মানৱ মুক্তিৰ এক বিৰাট সংগ্ৰামত তেওঁ নিজে লিপ্ত আছিল, তেওঁৰ কল্পনাৰ সৃষ্টি চৰিত্ৰবোৰ আছিল সেই সংগ্ৰামৰ পথত তেওঁৰ সংগী।

'পৰাজয়'[৩৫] গল্পৰ নায়ক উচ্চ শিক্ষিত মহেশ, যিজনে চাহ বাগানৰ শ্ৰমিক সম্প্ৰদায়ৰ মানুহখিনিৰ

৩৫। লক্ষ্মীধৰ শৰ্মা—'পৰাজয়', *অসমীয়া গল্প কৌমুদী*

মাজত সংস্কাৰমুখী জাগৰণ আনিব খোজে। মালিকৰ অন্যায়-অবিচাৰৰ প্ৰতি তেওঁ মানুহখিনিক প্ৰতিবাদ কৰিবলৈ শিকায়, সৰু ল'ৰা-ছোৱালীবোৰক লেখা-পঢ়া শিকায়। ফলস্বৰূপে মালিকগোষ্ঠীৰ ৰোষত পৰি জেললৈ যাবলগীয়া হয় মহেশ। মহেশৰ সংস্কাৰমুখী আশা কাৰ্যত পৰিণত নহ'ল। তেওঁ যক্ষ্মাৰোগত আক্ৰান্ত হৈ অৱশেষত মনৰ হতাশাত আত্মহত্যা কৰে। মহেশৰ প্ৰেমিকা সুব্ৰতাই তেওঁৰ প্ৰেমাস্পদৰ পথকে অনুসৰণ কৰি এই নিপীড়িত মানুহখিনিৰ মাজত সোমাই পৰে। এই গল্পটোৰ জৰিয়তে সাম্যবাদৰ শ্ৰেষ্ঠত্ব আৰু এখন সুস্থ সমাজৰ বাবে যে সাম্যবাদৰ আদৰ্শৰ প্ৰয়োজনীয়তা আছে তাকেই গল্পকাৰে মহেশৰ চৰিত্ৰটোৰ দ্বাৰা ঘোষণা কৰিছে।

'ছিৰাজ'[৩৬] এটা দীঘলীয়া গল্প। চাহবাগানৰ মালিক বৰুৱাৰ একমাত্ৰ পুত্ৰ কন্দৰ্প প্ৰেমত পৰে তেওঁলোকৰ ঘৰৰে বনকৰা ছোৱালী সাৱিত্ৰীৰ আৰু এই প্ৰণয়ৰ ফলস্বৰূপে সাৱিত্ৰী অন্তঃসত্বা হয়। ঘৰৰ পৰা পলাই যোৱা সাৱিত্ৰীক তেনে অৱস্থাত দয়ালু, ধৰ্মপ্ৰাণ ব্যক্তি ছিৰাজে নিজৰ ঘৰত আশ্ৰয় দিয়ে আৰু এটি কন্যা সন্তানৰ জন্ম দি সাৱিত্ৰীয়ে ইহলীলা সম্বৰণ কৰে। ছিৰাজে কন্যাটিৰ নাম দিয়ে সীতা। সীতাৰ বিয়াৰ উপযুক্ত বয়সত তাইৰ প্ৰেমিক আনিলে যেতিয়া সীতাৰ জন্ম ৰহস্য জানিব পাৰিলে তেতিয়া নিষ্ঠুৰভাৱে তাইক প্ৰত্যাখান কৰিলে। পুনৰ মাক সাৱিত্ৰীৰ দৰেই সীতায়ো অন্তঃসত্বা অৱস্থাত কেৱল আশ্ৰয় পালে ছিৰাজৰ কাষতেই। গল্পটোত সীতা-সাৱিত্ৰীৰ জৰিয়তে নাৰীৰ ওপৰত যুগে যুগে চলি অহা সামাজিক অবিচাৰৰ চিত্ৰ ফুটাই তোলা হৈছে। গল্পকাৰে ছিৰাজ চৰিত্ৰটোৰ সহায়ত সমাজ সংস্কাৰকৰ ভূমিকা গ্ৰহণ কৰিছে – যিজন বিশ্বাসী মানৱ প্ৰেমত। এই চৰিত্ৰটোৰ মাজেৰে গল্পকাৰ শৰ্মাৰ গান্ধীবাদৰ প্ৰতি থকা অটল আস্থা আৰু গভীৰ বিশ্বাস প্ৰতিফলিত হৈছে।

আৱাহন যুগৰ এজন পৰিচিত গল্পকাৰ ৰমা দাশৰ গল্পত ফুটি উঠিছে চেতনাৰ অনিৰুদ্ধ গতি। সমাজৰ, বিবেকৰ কোনো ধৰণৰ হকা-বাধা নামানি ৰমা দাশৰ কিছুসংখ্যক গল্পৰ চৰিত্ৰ কেৱল জৈৱিক তাড়নাত উন্মত্ত হৈ কামনা চৰিতাৰ্থ কৰাত সততে প্ৰবৃত্ত হৈ পৰে। এই ধৰণৰ দৃশ্যপট তেওঁৰ গল্পত সুলভ। তেওঁৰ গল্পৰ প্ৰসংগত ত্ৰৈলোক্য নাথ গোস্বামীয়ে দিয়া মন্তব্য উল্লেখনীয়–

> যৌন ক্ষুধাৰ বিশ্লেষণতেই হওক নাইবা আন সুকুমাৰ অনুভূতিৰ বৰ্ণনাতেই হওক লেখাৰ মাজেদি এটা মহত্ব ফুটাই

---

৩৬। লক্ষীধৰশৰ্মা– 'ছিৰাজ' *অসমীয়া গল্পগুচ্ছ।*

তোলাৰ চেষ্টা নাথাকিলে ৰস-সঞ্চাৰ সম্ভৱ নহয়। মানৱ মনৰ ৰতি ভাৱক সাহিত্যৰ মাজেদি প্ৰকাশ কৰোতে সি আদি বা শৃংগাৰ ৰসলৈ ৰূপান্তৰিত হয়। এইদৰে বাস্তৱ জীৱনৰ শোকৰ ছবি সাহিত্যত প্ৰতিফলিত হলে সি শোক নহৈ করুণ ৰস হৈ পৰে। ৰমা দাশৰ হাতত এইটো হোৱা নাই। বাসনাৰ প্ৰচণ্ডতাৰ আগত চৰিত্ৰবোৰৰ ব্যক্তিত্ব বিলোপ হৈছে আৰু চৰিত্ৰবোৰো যেন বাসনাৰ মূৰ্ত প্ৰতীক হিচাপেহে পাঠকৰ চকুৰ আগত দেখা দিছে।"[৩৭]

এই কাৰণেই ৰমা দাশৰ একদিকদৰ্শী কাৰ্য-কলাপৰ চৰিত্ৰবোৰ অন্তৰ্ভুক্ত হোৱা গল্পবোৰ গতানুগতিক হৈ পৰিছে।

ৰমা দাশৰ গল্পবোৰৰ ভিতৰত চুটিগল্পৰ কলা-কৌশলৰ ফালৰ পৰা উন্নত, ভাৱবস্তু তথা বিষয়বস্তুৰ ফালৰ পৰা তুলনামূলক ভাৱে পৃথক দুটা উল্লেখযোগ্য গল্প 'অবুজ মায়া' আৰু 'কোন এওঁ নতুন মিৰাণ্ডা'। পিছৰ কালত প্ৰকাশিত 'ৰেড দেনগুনৰ বিলাস' গল্পটোও ৰমা দাশৰ অন্যতম সুখপাঠ্য গল্প।

সমাজৰ দ্বাৰা বিবৰ্জিতা সেউতী নামৰ নাৰী এগৰাকীৰ নিঃসংগ জীৱনৰ কাৰুণ্য আৰু এই সেউতী বাইৰ প্ৰতি কিশোৰ এজনৰ অনামী স্নেহৰ বৰ্ণনাই 'অবুজ মায়া'[৩৮] গল্পটোৰ বিষয়বস্তু। মাতৃসুলভ মৰমৰ অধিকাৰী সেউতী বাইৰ ওচৰলৈ যোৱাৰ অপৰাধত কিশোৰজন নিজৰ মাক-আইতাকৰ চকুৰ আগত নজৰবন্দী থৈ থাকিবলগীয়াত পৰিল। সমাজৰ কঠোৰ বিচাৰত অভ্যস্ত হৈ পৰা সেউতীয়ে এইটো কাৰণত পুনৰ মৰ্মান্তিক আঘাত পালে আৰু এই দুখতে এদিন তেওঁ মৃত্যু মুখত পৰিল। এগৰাকী সমাজ পৰিত্যক্তা নাৰীৰ বাবে এনে অমানৱীয় সংস্কাৰ কিমান মৰ্মন্তুদ হ'ব পাৰে আৰু সমাজৰ এনে অলংঘনীয় বিধানে এজন কোমল মনৰ মৰম আকলুৱা কিশোৰৰ অন্তৰত কেনে তীব্ৰ আঘাত হানিব পাৰে তাৰ করুণ বৰ্ণনাৰে গল্পটো সিক্ত হৈ উঠিছে। গল্পটোত সমাজ সমালোচনা আছে। অপত্য স্নেহৰ প্ৰতি থকা নাৰীৰ চিৰন্তন আগ্ৰহক সুন্দৰভাৱে পৰিস্ফুট কৰি তোলাত লেখক সফল হৈছে। বিষয়বস্তুৰ নিটোল গাঁথনি, লক্ষ্য আৰু ফলশ্ৰুতিৰ ঐক্যৰ বাবেও গল্পটো সফল হৈছে।

'কোন এওঁ নতুম মিৰাণ্ডা' [৩৯] গল্পটোৰ সৌন্দৰ্য প্ৰকাশ পাইছে গল্পটোত নিহিত থকা শ্লেষৰ নিমিত্তে। যুদ্ধৰ সময়ত খৰি বেচি ডাঙৰ ব্যৱসায়ী হৈ পৰা নিৰক্ষৰ গোমৰ সিঙৰ অৱস্থা যুদ্ধ শেষ হোৱাৰ পিছত পুনৰ বেয়ালৈ ঢাল খালে। আগতে খৰি বাকীকৈ বেচি গ্ৰাহকৰ পৰা শ্লিপ ৰখা গোমৰে তাত

---

৩৭। ত্ৰৈলোক্য নাথ গোস্বামী – *আধুনিক গল্প সাহিত্য*, পৃঃ ১৩৮

৩৮। ৰমাদাশ – 'অবুজ মায়া', *অসমীয়া গল্পগুচ্ছ*

৩৯। ৰমাদাশ – 'কোন এওঁ নতুন মিৰাণ্ডা,' *অসমীয়া গল্প কৌমুদী*

কি লিখা আছে সেইটো গম নাপায়। এবাৰ এনে বিভিন্ন আকৃতি-প্ৰকৃতিৰ কাগজৰ টুকুৰাৰ মাজত এখন কাগজ ওলাল – য'ত শ্বেক্সপীয়েৰৰ 'টেমপেষ্ট' নাটকৰ মিৰাণ্ডাৰ মুখত দিয়া এছোৱা সংলাপ লিখি থোৱা আছিল। বেলেগক সুধি মিৰাণ্ডা শব্দটো জানিব পাৰি গোমৰ সিঙৰ সেই নামটোৰে সৈতে ধ্বনিগত মিল থকা নৰেন্দ্ৰ নামৰ বাকী নিয়া ঠিকাদাৰ এজনলৈ মনত পৰিল আৰু সেইখন নৰেন্দ্ৰৰ নামৰে বাকীৰ হিচাপ থকা শ্লিপ বুলি ভাবি উৰুলীকৃত হৈ তেওঁৰ ওচৰলৈ বুলি ঢাপলি মেলিলে। নিৰক্ষৰ গোমৰ সিঙৰ প্ৰতি এই শ্লেষ নিক্ষেপ কৰিছে– তেওঁৰ নিৰক্ষৰতা, সমাজ আৰু ভাগ্যই। ৰমা দাশৰ গল্পবোৰৰ ভিতৰত এইটো এটা ব্যতিক্ৰমধৰ্মী গল্প। ভাৱৰ একমুখিতা আৰু পৰিণতিমুখী উৎকন্ঠাই গল্পটো সাৰ্থক কৰি তুলিছে।

সমালোচক, সাহিত্যিক বিৰিঞ্চি কুমাৰ বৰুৱাই 'বীণা বৰুৱা' নামেৰে *আৱাহনৰ* পাতত গল্প লিখিবলৈ আৰম্ভ কৰে। 'আঘোণী বাই' আৰু 'পট পৰিবৰ্তন' তেওঁৰ দুখন গল্প সংকলন। কাহিনীৰ বাস্তৱধৰ্মিতা আৰু চৰিত্ৰৰ স্পষ্টতা তেওঁৰ গল্পৰ বৈশিষ্ট্য।

বীণা বৰুৱাৰ গল্পত মধ্যবিত্ত শ্ৰেণীৰ মানুখিনিৰ ধ্যান-ধাৰণা, কাৰ্য-কলাপ আৰু গাৱঁলীয়া সমাজখনৰ হুবহু চিত্ৰ প্ৰতিফলিত হৈছে। প্ৰথম সংকলন 'পট পৰিবৰ্তন'ৰ গল্পবোৰৰ সম্পৰ্কত হোমেন বৰগোহাঞিয়ে কৈছে -

> প্ৰথমখন গ্ৰন্থৰ গল্পবোৰ লেখকৰ আগবয়সৰ ৰচনা, দ্বিতীয় মহযুদ্ধৰ আগৰ কালৰ ৰচনা আৰু সেইবোৰৰ বিষয়বস্তু হ'ল মধ্যবিত্ত সম্প্ৰদায়ৰ ডেকা-গাভৰু আৰু কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ প্ৰেম, বিৰহ, ৰোমাঞ্চ আদি হৃদয়ঘটিত সমস্যা। শিল্পসৃষ্টি হিচাপে এই গল্পবোৰক বিশেষ উচ্ছাংগ সৃষ্টি হৈছে বুলি ক'ব নোৱাৰি। অৱশ্যে তেওঁৰ আগবয়সৰ এই গল্পকেইটাৰ সামাজিক তাৎপৰ্য একেবাৰে নোহোৱা নহয়। ভাৰতীয় তথা অসমীয়া সমাজত স্ত্ৰী-শিক্ষাৰ প্ৰচলন সহশিক্ষা আৰু আপেক্ষিক স্ত্ৰী স্বাধীনতা সামাজিক দৃষ্টিকোণৰ পৰা নিশ্চয় এটা গুৰুত্বপূৰ্ণ ঘটনা আছিল! আমাৰ পৰম্পৰাবাদী সমাজত এই ঘটনাৰ প্ৰথম অভিঘাতে সমাজৰ এক শ্ৰেণীৰ মানুহৰ জীৱনত আৰু মনোভংগীৰ কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল - তাৰ এটা হুবহু চিত্ৰ বীণা বৰুৱাৰ এই শ্ৰেণীৰ গল্পবোৰত পোৱা যায়।[৪০]

আৱাহন যুগৰ গল্পৰ বৈশিষ্ট্য কাহিনী চিত্ৰণৰ প্ৰতি থকা আকৰ্ষণ বীণা বৰুৱাৰ গল্পতো আছে। কিন্তু সেইবুলি তেওঁৰ গল্পৰ কাহিনী বিক্ষিপ্ত নহয়। দীৰ্ঘদিন ধৰি চলি অহা ঘটনা এটা বা দীঘলীয়া

---

৪০। হোমেন বৰগোহাঞি — *অসমীয়া গল্প সংকলন,* ১ম খণ্ড, পৃঃ ১৩১

কাহিনীক তেওঁ লক্ষ্যৰ একমুখিতাৰে নিটোল ৰূপ দিবলৈ সক্ষম হৈছে। সমাজ সচেতন গল্পকাৰ বীণা বৰুৱাৰ বক্তব্য তেওঁৰ গল্পৰ চৰিত্ৰবোৰৰ নিখুঁত বিশ্লেষণৰ দ্বাৰা পৰোক্ষভাৱে প্ৰায়েই প্ৰকাশ হোৱাটো পৰিলক্ষিত হয়। ভাষাৰ অপূৰ্ব সুন্দৰ প্ৰয়োগে তেওঁৰ গল্পবোৰক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে। অসমীয়া সমাজত সততে প্ৰচলিত বিভিন্ন উপমা, যোজনাই তেওঁৰ গল্পবোৰৰ ৰহন চৰাইছে।

অসমীয়া গল্প সাহিত্যৰ ইতিহাসত বীণা বৰুৱাৰ 'আঘোণী বাই'[৪১] এক যুগমীয়া সৃষ্টি। অসমীয়া গ্ৰামীণ সমাজৰ নিভাঁজ পৰিচয় এই গল্পটোৰ জৰিয়তে পাব পাৰি। অসমীয়া সংস্কৃতিৰ গৱেষক বিৰিঞ্চি কুমাৰ বৰুৱাক গল্পটোৰ মাজত বিচাৰি পোৱা যায়।

গল্পৰ নায়িকা আঘোণীৰ জীৱন কাহিনীক লৈয়েই ইয়াৰ বিষয়বস্তু গঢ়ি উঠিছে। আঘোণী বাইৰ চাৰিত্ৰিক বৈশিষ্ট্য তেওঁৰ কাৰ্য-কলাপ তথা কথা কাণ্ডৰ জৰিয়তে সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। এই চৰিত্ৰটোৰ সৃষ্টিত গল্পকাৰে তেওঁৰ সৃষ্টিশীলতাৰ নৈপুণ্যৰ পৰিচয় দিছে। এই সম্পৰ্কে আগবঢ়োৱা হোমেন বৰগোহাঞিৰ মন্তব্য যথাৰ্থ –

> আঘোণী বাইৰ নিচিনা মানুহ আমাৰ সকলোৰে অতিশয় পৰিচিত; ইমান বেছি পৰিচিত যে, ৰাস্তাৰ কাষৰ টেলিগ্ৰাফৰ তাঁৰ, সদায় চুৰা পাতনিত আহাৰ বিচাৰি অহা ভতুৱা কুকুৰ বা ৰাস্তাত ওলালেই নাকত আহি লগা নৰ্দমাৰ গোন্ধটোৰ লগত তাইৰ নিচিনা মানুহৰ আমি একো পাৰ্থক্য বিচাৰি নাপাওঁ। খুব বেছি পৰিচিত কাৰণেই তাইৰ বিষয়ে আমি একোৱেই নাজানো। বীণা বৰুৱাৰ গল্প 'আঘোণী বাই'ত আমি সেই চিৰপৰিচিত মাজত অজানিত আৰু অপৰিচিতক আৱিষ্কাৰ কৰাৰ বিস্ময় অনুভৱ কৰো। ঘৰে ঘৰে কথাৰ মলিহা মাৰি, ইটো-সিটো বস্তু খুজি ফুৰা চিনাকী বুঢ়ীজনীৰ যে এটা অতীত আছে, এটা নিজস্ব জীৱন আছে, আনকি এটা জটিল মন আছে- সেইকথা আমি আৱিষ্কাৰ কৰো।[৪২]

জীৱনৰ প্ৰত্যেক পৰিস্থিতিকেই সহজ-সাধাৰণভাৱে গ্ৰহণ কৰাৰ মানসিকতা আৰু সাহস আঘোণী বাইৰ আছে। স্বামী ৰতনৰ মৃত্যুৰ পিছত একমাত্ৰ জীয়েক লয়নীৰ সৈতে আঘোণীয়ে জীৱনত দুখ আৰু দাৰিদ্ৰকেই পালে। লয়নীয়েও গাভৰু বয়সত মাকক এৰি পদোঁলৈ পলাই যায় যদিও স্বামীগৃহত তিষ্ঠিব নোৱাৰি পুনৰ মাকৰ ঘৰ পায়হি আৰু এজনী লেঙেৰী ছোৱালীক জন্ম দি মৃত্যু মুখত পৰে। নিঃসংগতাই আঘোণীক কোঙা কৰি পেলাইছে যদিও তাই জীৱন যুদ্ধত হাৰ মনা

---

৪১। বীণা বৰুৱা – 'আঘোণী বাই', *অসমীয়া গল্প সংকলন*

৪২। হোমেন বৰগোহাঞি – *অসমীয়া গল্প সংকলন*, ১ম খণ্ড, পৃঃ ১৩৩

নাই। স্বামীৰ মৃত্যুৰ পিছত একমাত্ৰ জীয়েকৰ মৃত্যু – প্ৰত্যেকেই আঘোণীক বাৰে বাৰে দি থৈ গৈছে নিঃসংগতাৰ ভয়াবহ যন্ত্ৰণা। সেয়েহে লেঙেৰী নাতিনীয়েকৰ বিষয়ে মনতে ভাবিছে যে লেঙেৰী হৈ ওপজি ভালেই হ'ল, কিয়নো লয়নীৰ নিচিনাকৈ এতিয়া আৰু তাই আঘোণীক এৰি থৈ যাব নোৱাৰিব। গল্পকাৰৰ জীৱনবোধৰ গভীৰতাৰ এই প্ৰকাশ অনিৰ্বচনীয় আৰু অপূৰ্ব!

'আঘোণী বাই' গল্পৰ চৰিত্ৰচিত্ৰণৰ দৰেই পৰিবেশ চিত্ৰণো অতিশয় সাৰ্থক। এই ক্ষেত্ৰত গল্পকাৰৰ কৃতিত্ব সম্পৰ্কে বৰগোহাঞিয়ে কৈছে – "বীণা বৰুৱাৰ নিপুণ তুলিকাই কেৱল যে মূল চৰিত্ৰটোকে জীৱন্ত ৰূপত ফুটাই তুলিছে এনে নহয়, পটভূমি বা পৰিবেশৰ সামান্যতম খুটিনাটিও তেওঁৰ সূক্ষ্ম দৃষ্টিৰ পৰা বাদ পৰি যোৱা নাই আৰু এই সকলোৰে মাজেদি ফুটি উঠিছে এখন সৰু আধা গাঁৱলীয়া চহৰৰ জীৱন যাত্ৰা।"[৪৩]

গল্পকাৰ বীণা বৰুৱাই তেওঁৰ গল্পত নৰ-নাৰীৰ প্ৰেমক গুৰুত্ব দিছে যদিও ইয়াক কামনা-বাসনাৰ সম্পূৰ্ণ অধীন কৰি পেলোৱা নাই। জীৱনৰ স্বাভাৱিক অথচ অপৰিহাৰ্য এক প্ৰয়োজনীয় বিষয় হিচাপেহে তেওঁ প্ৰেমৰ ৰূপ চিত্ৰণ কৰিছে।

ত্ৰৈলোক্য নাথ গোস্বামী আৱাহন যুগৰ অন্যতম বিশিষ্ট সাহিত্যিক। সমাজ সচেতন গল্পকাৰ গোস্বামীৰ প্ৰায়বোৰ গল্পতেই দৰিদ্ৰ আৰু নিৰ্যাতিত মানুহখিনিৰ প্ৰতি সংবেদনশীলতা অনুভূত হোৱা দেখা যায়। বাস্তৱমুখী মানৱতাবাদেৰে তেওঁৰ গল্প মুখৰিত। প্ৰচলিত সমাজ ব্যৱস্থা আৰু ব্যক্তিৰ উৎকট স্বাৰ্থপৰতাৰে পৰিপূৰ্ণ কপট মানসিকতাক তেওঁ উদঙাই দেখুৱাইছে।

'এটা গৰম কোট'[৪৪] গল্পটোত এজন শিক্ষক ৰমেন বৰুৱাৰ সৰলতাৰ সুযোগ লৈ ধনী ব্যৱসায়ী তথা সুবিধাবাদী ঠিকাদাৰ সদানন্দ হাজৰিকাই তেওঁক এটা গৰম কোট উপহাৰ দি কেনেকৈ বৰুৱাৰ আত্মসন্মান আৰু নৈতিকতাত কালিমা সানিবলৈ যত্ন কৰিছে তাৰেই বৰ্ণনা আছে। ৰমেন বৰুৱাৰ দৰে দৰিদ্ৰ শিক্ষক এজনকো নিজৰ স্বাৰ্থ সিদ্ধিৰ কামত আহিলা হিচাপে ব্যৱহাৰ কৰিবলৈ হাজৰিকাই অকণো কুণ্ঠাবোধ কৰা নাই । কথাৰ লাচতে তেওঁ বৰুৱাক এটা গৰম কোট উপহাৰ দিয়াৰ কথাটোও উল্লেখ কৰিবলৈ পাহৰা নাই । অথচ মাহৰ অন্তত বৰুৱাৰ পাওনা টিউচনৰ পইছাকেইটা দিবলৈহে

---

৪৩। হোমেন বৰগোহাঞি – *অসমীয়া গল্প সংকলন*, ১ম খণ্ড, পৃঃ ১৩৩

৪৪। ত্ৰৈলোক্য নাথ গোস্বামী – 'এটা গৰম কোট,' *অসমীয়া গল্প সংকলন*

হাজৰিকাৰ ধনৰ অভাৱ। তেনেই সৰল অন্তৰৰ বৰুৱাই বুজি নাপালে যে প্ৰকৃততে গৰম কোটটো হাজৰিকাই তেওঁক মৰমতে দিয়া নাই– পাবলৈ বাকী থকা পইছাৰ বিনিময়তহে হাজৰিকাই উপহাৰৰ নাম লৈ কোটটো দিছে। অৱশ্যে ঘৰত পত্নী-পুত্ৰ সকলোৰে দ্বাৰা তিৰস্কৃত হৈ বৰুৱাই কোটটো দলিয়াই পেলাবলৈ বাধ্য হয়। বৰুৱাৰ পুতেক কনকে হাজৰিকাৰ দৰে সুবিধাবাদী ভণ্ড ঠিকাদাৰৰ মুখা খুলিবলৈ সংকল্প লয়।

ৰোমান্টিক যুগৰ লেখক হলেও ৰোমান্টিক ভাৱবিলাসতকৈ গোস্বামীৰ গল্পত বাস্তৱবাদী দৃষ্টিভংগীৰ প্ৰখৰতা দেখা যায়। নিজৰ গল্পৰ আলোচনাৰ ক্ষেত্ৰত তেওঁ কৈছে– "'সাদৰী,' প্ৰায়শ্চিত্ত,' 'মৰীচিকা' প্ৰভৃতি ৰোমান্টিক গল্পসমূহতো মতা-তিৰোতাক সমাজৰ পৰা আঁতৰাই আনি ভাৱবিলাসী কৰাৰ চেষ্টা নাই।" [৪৫] কিন্তু গোস্বামীৰ বেছিভাগ গল্পতেই এইষাৰ কথা প্ৰযোজ্য যে, তেওঁৰ গল্পবোৰ প্ৰায়েই মনোগ্ৰাহী হৈ নুঠে উন্নত বিষয়বস্তুৰ অন্তৰ্ভুক্তি থকা সত্বেও। আকৰ্ষণ গুণ নথকা নিৰলংকাৰ ভাষা আৰু স্পষ্ট বৰ্ণনাভংগীয়েই হয়তো ইয়াৰ কাৰণ হ'ব পাৰে। 'এটা গৰম কোট' গল্পটোও ইয়াৰ ব্যতিক্ৰম হোৱা নাই। তদুপৰি ৰমেন আৰু কনকৰ চৰিত্ৰৰ মানসিক দ্বন্দ্বৰ অস্পষ্টতাৰ কাৰণেও গল্পটো ৰসোত্তীৰ্ণ হৈ নুঠিল। নিজৰ গল্পৰ ৰচনা-ৰীতিৰ বিষয়ে ক'বলৈ গৈ তেওঁ দিয়া মন্তব্য এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য – "গোস্বামীৰ ৰচনা-ৰীতি সৰল, অনেক সময়ত বিচিত্ৰতাহীন। তেওঁৰ বস্তু উল্থাপন ৰীতিও অজটিল। বৰ্ণনাৰ অতিশয্যৰ মোহ তেওঁৰ নাই। বাক্ সংযম তেওঁৰ আছে, বৰং বেছিকৈহে আছে। ইয়াৰ ফলত কোনো কোনো ক্ষেত্ৰত গল্পৰ সৌন্দৰ্য ভালকৈ পৰিস্ফুট হ'ব পৰা নাই।"[৪৬]

গোস্বামীৰ গল্পৰ প্ৰসংগত হোমেন বৰগোহাঞিয়ে দিয়া মন্তব্য এইখিনিতে উল্লেখ কৰিব পাৰি। তেওঁ কৈছে যে- "গোস্বামীৰ গল্পৰ চৰিত্ৰবোৰত প্ৰতিবাদ আৰোপিত হৈছে অথচ কোনোটো চৰিত্ৰই প্ৰকৃতাৰ্থত প্ৰতিবাদ কৰিব পৰা নাই। ইয়াৰ মূল কাৰণ হিচাপে তেওঁ গোস্বামীৰ ভাষাৰ জড়তাকে নিৰ্দ্ধাৰণ কৰিছে।"[৪৭]

---

৪৫। ত্ৰৈলোক্য নাথ গোস্বামী— *আধুনিক গল্প সাহিত্য,* পৃঃ ১৩৬

৪৬। পূৰ্বোক্ত গ্ৰন্থ পৃঃ ১৩৬

৪৭। হোমেন বৰগোহাঞি— *অসমীয়া গল্প সংকলন,* পৃঃ ১৬৪

'পতিত আৰু পতিতা' [৪৮] গোস্বামীৰ আন এটা উল্লেখযোগ্য গল্প। সমাজত বিধবাসকলৰ প্ৰতি চলি অহা অন্যায়-অবিচাৰৰ বিৰুদ্ধে গল্পকাৰৰ প্ৰতিবাদ এই গল্পটোৰ জৰিয়তে ঘোষিত হৈছে। ঈশ্বৰক ধিয়াই ভাগ্যক দোষ দি অন্যায়-অবিচাৰ সহ্য কৰি হাত সাৱটি বহি থকাতকৈ যে মানুহে নিজৰ শক্তি সামৰ্থৰেই পীড়িত, দুৰ্ভগীয়াজনক উদ্ধাৰৰ বাবে প্ৰচেষ্টা চলাব লাগে- এনে এক উচ্চ মনোভাৱে গল্পটোত ক্ৰিয়া কৰিছে। ইয়াত এগৰাকী বিপত্নীক যুৱক ব্ৰাহ্মণ পূজাৰীয়ে তেওঁ পূজা কৰা মন্দিৰৰ গৰাকীৰ ঘৰতে থকা এজনী বিধবা বোৱাৰীৰ দুখ-দুৰ্গতি সহিব নোৱাৰি শেষত তেওঁক বিয়া কৰাবলৈ সিদ্ধান্ত কৰে আৰু সেই মৰ্মে জনজাতীয় অঞ্চল এটালৈ গৈ নিৰ্বাসিত পতিত জীৱন কটাবলৈ লয়।

এই গল্পটোৰ বিষয়ে প্ৰহ্লাদ কুমাৰ বৰুৱাই এইবুলি মন্তব্য প্ৰকাশ কৰিছে – "পতিত আৰু পতিতাত' সমাজ সংস্কাৰৰ প্ৰতিবাদী কন্ঠ ঘোষিত হৈছে আৰু লেখকৰ সমাজ সচেতন মনে সামাজিক দায়বদ্ধতাৰ পদক্ষেপ এটা লোৱা দেখা গৈছে। লেখকৰ এনে দৃষ্টিভংগী গল্পটোৰ আৰম্ভণিৰে পৰা শেহলৈকে অবিচ্ছিন্ন ৰূপত ৰক্ষিত হৈছে।"[৪৯]

বাহ্যিক বাগাড়ম্বৰ সৰ্বস্ব সাম্যবাদীৰ ফোপোলা স্বৰূপ উদঙাই দেখুওৱা হৈছে- 'পৰাজয়'[৫০] গল্পৰ নায়ক *ডাচ কেপিটেল* পঢ়ি সৰ্বহাৰাৰ সৰ্বস্ব ঘূৰাই অনাৰ বিষয়ে বক্তৃতা মাৰি ফুৰা প্ৰফেচাৰ হাজৰিকাৰ চৰিত্ৰটোৰ দ্বাৰা। সন্ধিয়াপৰত এদিনাখন হাজৰিকাৰ ঘৰত আশ্ৰয় বিচাৰি অহা দৰিদ্ৰ, নিৰাশ্ৰয় বৃদ্ধজনক ঘৰৰ পৰা খেদি পঠিয়াই দিয়াৰ ফলস্বৰূপে বৃদ্ধ মৃত্যুমুখত পৰে।অথচ সাধাৰণ গৃহিণী কমলাৰ অন্তৰত সেইকণ মানৱীয়তা, দয়াৰ অভাৱ নাছিল। কিন্তু হাজৰিকাই কমলাৰ অনুৰোধ অগ্ৰাহ্য কৰিলে। পিছদিনা ৰাতিপুৱা তেওঁৰ দুৱাৰমুখতে মৃত বুঢ়া মানুহজনক দেখি হাজৰিকাৰ মনৰ পৰিবৰ্তন ঘটিছে আৰু তেওঁ নিজৰ অন্তঃসাৰশূন্যতাক স্বীকাৰ কৰিছে। তেওঁৰ উৎকট যুক্তিবাদী মনে মানুহৰ হৃদয়ানুভূতিৰ গভীৰ উপলব্ধিৰ ওচৰত পৰাজয় স্বীকাৰ কৰিছে। এই গল্পটোত হাজৰিকাৰ চৰিত্ৰৰ মানসিক দ্বন্দ্বৰ চিত্ৰ অংকন কৰাত লেখক সফল হৈছে। পাঠকৰ হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হোৱা এই গল্পটোৰ অন্তৰ্নিহিত হৈ থকা জীৱনবোধে গল্পটোক অন্যতম শ্ৰেষ্ঠ গল্পৰ মৰ্যাদা প্ৰদান কৰিছে।

---

৪৮। ত্ৰৈলোক্য নাথ গোস্বামী— 'পতিত আৰু পতিতা', *অসমীয়া গল্প সঞ্চয়ন*

৪৯। প্ৰহ্লাদ কুমাৰ বৰুৱা— *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, পৃঃ ১২৯

৫০। ত্ৰৈলোক্য নাথ গোস্বামী— 'পৰাজয়,' *আধুনিক অসমীয়া গল্প সংগ্ৰহ*

ৰাধিকা মোহন গোস্বামী আৱাহন যুগৰ এগৰাকী বিশিষ্ট গল্পকাৰ। সমাজৰ নিম্ন মধ্যবিত্ত শ্ৰেণীটোৰ যন্ত্ৰণাময় জীৱন সংগ্ৰাম তেওঁৰ গল্পত ৰূপায়িত হৈছে। অন্যায়-অবিচাৰ আৰু শোষণৰ প্ৰতি সচেতন গোস্বামীয়ে সাধাৰণ মানুহৰ সুখ-দুখৰ বাস্তৱ চিত্ৰ জীৱন্ত ৰূপত ফুটাই তুলিবলৈ সক্ষম হৈছে। তেওঁ নিজৰ গল্পত যৌৱন আৰু জীৱনৰ আদৰ্শৰ জয়গান গোৱা নাই। দৈনন্দিন বাস্তৱ জীৱনৰ সৰু সৰু ঘটনাৰ সৈতে জড়িত ব্যক্তিৰ মনোদ্বন্দ্বৰ সফল চিত্ৰণেৰে ত্ৰিশংকুপ্ৰায় মধ্যবিত্ত জীৱনৰ প্ৰাপ্তিৰ আনন্দ আৰু অপ্ৰাপ্তিৰ বেদনাক দক্ষতাৰে গল্পত ৰূপ দিছে। আকৰ্ষণীয় পৰিস্থিতি অংকনৰ ক্ষেত্ৰত গল্পকাৰৰ হাতৰ কুশলতা প্ৰকাশ পাইছে। এনে এটি গল্প হ'ল– 'ষ্টেট ট্ৰেন্সপৰ্ট'।[৫১] আৱাহন যুগৰ কাহিনী প্ৰধান গল্পৰ ধাৰাটোক গোস্বামীয়ে এনে ধৰণৰ বিষয়বস্তুৰ গল্পবোৰেৰে অন্য দিশে প্ৰবাহিত কৰিবলৈ ল'লে। এই গল্পটোৰ বিষয়বস্তু অসাধাৰণ নহয়, কিন্তু শিল্প নৈপুণ্যৰ চমকপ্ৰদ সাফল্যত ই হৈ পৰিছে অনন্য সাধাৰণ।

শিক্ষকতা কৰি দৈনন্দিন জীৱনৰ অভাৱত পিষ্ট হোৱা গল্পৰ মূল চৰিত্ৰ শিক্ষকজনৰ আঠোটা প্ৰাণীৰ ডাঙৰ পৰিয়ালটোৰ জীৱনধাৰা চুটি চুটি বাক্যৰে স্পষ্টকৈ অংকন কৰা হৈছে। গল্পটোৰ আৰম্ভণি অতি আকস্মিক –

> শহুৰৰ পৰা চিঠি আহিল– ২৯ তাৰিখে ৰীণাৰ বিয়া। কেইদিনমানৰ আগতে আহিবা। গাড়ী পঠিয়াব নোৱাৰিম। ষ্টেট ট্ৰেন্সপৰ্টেই ভাল, খৰচ কম –।[৫২]

লগে লগে শিক্ষকজনৰ আৰ্থিক দুৰৱস্থা, এই দুৰৱস্থা হেতুকে সততে সৃষ্টি হোৱা ভয়াবহ সংকট আৰু তাতে ভূতৰ ওপৰত দানহ পৰাদি আৱিৰ্ভাৱ হোৱা বিয়াৰ খবৰটো পাই তেওঁৰ চিন্তিত হৈ পৰা মনৰ ভাৱঘন ৰূপ এনেদৰে প্ৰকাশ পাইছে, –

> বিয়াৰ খবৰটো পুৰণি, তাৰিখটো নতুন। মুকলি আকাশখন ছটা ছটা ক'লা মেঘেৰে হঠাতেই যেন অন্ধকাৰ হৈ পৰিল। মাহৰ শেষত, দোকানৰ বাকী, মেৰেজ প্ৰেজেন্ট, সাজ-পোছাক, বাছ-ৰিস্কা, কুলি মজদুৰ –। মিউনিছিপেলিটিৰ টেক্স কালেক্টৰ ভদ্ৰেশ্বৰৰ তপা মূৰটো, শেঁতা পৰা মুখখন, হালধীয়া চকুযোৰ, কৰ্কশ মাতটো মনৰ মাজত আকৌ সজীৱ হৈ উঠিলহি। চিঠিখন দ্বিতীয়বাৰ পঢ়িবলৈ সাহ নহল। জেপত ভৰাই থলোঁ।[৫৩]

বিয়ালৈ যোৱা বিষয়টোক কেন্দ্ৰ কৰি শিক্ষকজনৰ জীৱনত সেই কেইদিনতে বহুতো ঘটনা ঘটিল

৫১। ৰাধিকা মোহন গোস্বামী –'ষ্টেট ট্ৰেন্সপৰ্ট,' *অসমীয়া গল্প কৌমুদী*

৫২। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৫

৫৩। পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৫

আৰু এই প্ৰত্যেকটোৱেই আছিল বিভিন্ন মনৰ মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশৰ একো একোটা মাধ্যম। আৰ্থিক দুৰৱস্থাৰ বিষয়ে জানিও কৰা পত্নীৰ অহেতুকীয়া জেদ, সন্তানহঁতৰ ফৰমাইচৰ উপৰিও যুদ্ধৰ দিনত অসৎ উপায়েৰে ঠিকা কৰি ধনীমানী হৈ পৰা শহুৰৰ ঘৰখন, বাছত গৈ থাকোতে লগ পোৱা সাধাৰণ শিষ্টাচাৰকণো দেখুৱাব নজনা ভদ্ৰলোক এজন, আনৰ ছিট দখল কৰি এৰি নিদিয়া কলেজৰ প্ৰফেচাৰ এজন, বিবাহ অনুষ্ঠানত গোট খোৱা অনেক ব্যক্তিৰ অৰ্থহীন ব্যস্ততা, আন্তৰিকতাহীন মাত-কথাৰ জৰিয়তে ভিন ভিন চৰিত্ৰৰ প্ৰকৃত স্বৰূপ গল্পকাৰে দেখুৱাইছে। এই সকল সমাজৰ প্ৰতিনিধিস্থানীয় ব্যক্তিৰ বৰ্তমানত ঘুণে ধৰা সমাজখনত সৎ আৰু সাধু চৰিত্ৰৰ সৰল-সহজ মানুহে কেনেধৰণৰ সমস্যা আৰু অন্তৰ্দ্বন্দ্বৰ মাজেৰে জীৱন অতিবাহিত কৰিবলগীয়া হয়, তাকো গল্পকাৰে স্পষ্ট আৰু প্ৰত্যয়জনক ৰূপত দাঙি ধৰিছে। শিক্ষকজনৰ সপক্ষে থিয় হৈছে মাত্ৰ তেওঁৰ ছাত্ৰ এজন। গল্পটোৰ সামৰণিও নাটকীয়। বিয়াঘৰৰ পৰা উভতি আহি শিক্ষকজনে গম পাইছে যে তেওঁৰ মাকৰ টান নৰিয়া। ডাক্তৰ আনিবলৈ যোৱা শিক্ষকজনৰ মানসিক অৱস্থাৰ প্ৰকাশ গল্পকাৰে এনেদৰে কৰিছে –

> ঘৰৰ পৰা বাহিৰ হৈ আহিলো। অভাৱনীয় ৰূপেই অশান্তিৰ এটা নতুন কাৰণ সৃষ্টি হ'ল। লগে লগেই চিন্তা ধাৰাত আৰম্ভ হ'ল এটা নতুন বিভীষিকা - শহুৰৰ ঘৰ, খুলশালীৰ বিয়া,ষ্টেট টেন্সপৰ্ট. টিকটবাবু, প্ৰফেচাৰ, মানৱ জাতি, অভাৱ-অনাটন, অন্যায়-অবিচাৰ – এটা এটাকৈ সকলোবোৰেই এই বিভীষিকাৰ অতল গৰ্ভত চিৰকালৰ নিমিত্তেই যেন লীন হৈ গ'ল। [৫৪]

এইদৰে গল্পৰ নামকৰণৰ যথাৰ্থতা, নাট্যগুণধৰ্মী আকস্মিক আৰম্ভণি আৰু সামৰণি, বিষয়বস্তু আৰু ভাৱবস্তুৰ একমুখিতা, চৰিত্ৰৰ মানসিক অৱস্থাৰ প্ৰকাশ, ভাষাৰ আকৰ্ষণীয় শক্তি, বৰ্ণনাৰ চিত্ৰধৰ্মিতা আৰু সামগ্ৰিকভাৱে জীৱনবোধৰ গভীৰতা – এই সকলোবোৰ গুণৰ সমাহাৰত 'ষ্টেট ট্ৰেন্সপৰ্ট' এটা সফল গল্পৰূপে স্বীকৃত হৈছে।

ৰাধিকা মোহন গোস্বামীৰ অন্য এটা উল্লেখযোগ্য গল্প হৈছে 'নিয়তি'।[৫৫] গল্পটোত আৰ্থিক অভাৱৰ বাবেই অৱশেষত পৰিস্থিতিৰ সন্মুখত হাৰ মানি কেনেকৈ সৰ্বস্বান্ত মানুহে যুগ যুগান্তৰৰ মূল্যবোধক বিসৰ্জন দিবলৈ বাধ্য হয়, তাৰ বিশ্লেষণ কৰা হৈছে কমল আৰু চম্পাৰ জীৱনৰ মাজেৰে।

---

৫৪। ৰাধিকা মোহন গোস্বামী –'ষ্টেট ট্ৰেন্সপৰ্ট,' *অসমীয়া গল্প কৌমুদী* পৃঃ৫৫

৫৫। ৰাধিকা মোহন গোস্বামী – 'নিয়তি' *ৰৌদ্ৰ নীলিমা*

লোকৰ গাড়ী চলাই জীৱন নিৰ্বাহ কৰা কমল বেমাৰত পৰাৰ লগে লগে পত্নী চম্পা আৰু দুজনী জীয়েকৰ সৈতে তাৰ জীৱন ৰথৰ চকাও অচল হৈ পৰিল। বাধ্য হৈ চম্পাই লোকৰ ঘৰত কাম কৰিবলৈ লোৱাত ওচৰৰে অসৎ চৰিত্ৰৰ মহিলা ধনৰ মাকে ইমান দিনে বিচাৰি থকা সুযোগ যেন হাততে পালে। পইচা আৰু চাউল-পাতেৰে অসহায় চম্পাক সহায় কৰিবলৈ অহা ধনৰ মাকৰ মুখত সততে কোনোবা বাসুদেৱ কেঞা, ফটিক চিপাহীৰ নাম উচ্চাৰিত হ'বলৈ ধৰিলে। ধনৰ মাকৰ এই ইংগিতপূৰ্ণ কথাৰ গোপন অৰ্থ বুজিবলৈ চম্পাৰ সৰহপৰ নালাগিল। কিন্তু চম্পাই মনৰ বান্ধোন ঢিলা হবলৈ নিদিলে। অৱশ্যে চম্পাৰ এই দৃঢ়তা বেছি দিনলৈ নিটিকিল। এৰাতি ধনৰ মাকে ওচৰৰে ধনী পৰিয়াল বৰুৱাৰ ডাঙৰ পুতেকক লৈ সিহঁতৰ ঘৰত উপস্থিত হ'ল। এফালে নিজৰ অসহনীয় দাৰিদ্ৰ আৰু আনফালে সেই দাৰিদ্ৰৰ সুযোগ গ্ৰহণ কৰিব খোজা ধনী সুবিধাবাদীৰ দল, এফালে জীয়াই থকাৰ মোহ আৰু আনফালে সনাতন নৈতিক প্ৰমূল্য–এই বিপৰীত অন্তৰ্দ্বন্দ্বৰ দোমোজাত পৰি চম্পা থকাসৰকা হ'ল। অভাৱ-অনাটনেৰে পিষ্ট, ৰুগ্ন কমলে কিন্তু এই সুযোগ এৰি দিব নুখুজিলে। অৱশেষত চম্পাৰ দৈহিক সান্নিধ্যৰ আশাত বৰুৱাৰ পুত্ৰই তাৰ হাতত গুজি দিয়া টকাকেইটা লৈ চম্পাক অকলে আগবঢ়াই দিলে। দাৰিদ্ৰৰ ওচৰত এইহাল দম্পতীৰ শোকাবহ আত্মসমৰ্পণৰ বৰ্ণনা অতি মৰ্মন্তুদ। চৰিত্ৰৰ মানসিক অৱস্থা আৰু অন্তৰ্দ্বন্দ্বয়ো এইখিনিতে চূড়ান্ত ৰূপ পাইছে। দৰিদ্ৰৰ জীৱনত গ্লানি আৰু পৰাজয় –এইয়াই মাথোন সত্য। এই সত্যোপলব্ধিৰে গল্পটোৰ সামৰণি মৰা হৈছে।

ৰাধিকা মোহন গোস্বামীৰ গল্পৰ প্ৰসংগত হোমেন বৰগোহাঞিয়ে কৈছে – "গোস্বামীৰ গল্প সংখ্যাত সৰহ নহয় যদিও সেইবোৰৰ সাহিত্যিক গুণ আৰু সামাজিক তাৎপৰ্যৰ ফালৰ পৰা তেওঁৰ গল্পকেইটা অসমীয়া সাহিত্যত বিশেষভাৱে চিত্ৰিত হ'বৰ যোগ্য।"[৫৬]

গল্পকাৰ গোস্বামীয়ে তেওঁৰ গল্পত নিজৰ বক্তব্য পোনপটীয়াকৈ প্ৰকাশ নকৰে। প্ৰকাশভংগীৰ এই পৰোক্ষ কৌশল তেওঁৰ গল্পৰ আকৰ্ষণীয় বৈশিষ্ট্য। তেওঁৰ গল্পত থকা সমাজ সমালোচনা আৰু ব্যংগও পৰোক্ষ। আৱাহন যুগৰ গল্পত সাধাৰণতে দেখা পোৱা প্ৰচাৰগন্ধিত্বক সেয়া মানৱতাবাদেই হওক বা সমাজ সংস্কাৰবাদেই হওক – গোস্বামীয়ে তেওঁৰ গল্পৰ জৰিয়তে এক শিল্পসন্মত ৰূপ প্ৰদান কৰিবলৈ

৫৬। হোমেন বৰগোহাঞি — *অসমীয়া গল্প সংকলন*, ১ম খণ্ড, পৃঃ ১৭৩

সক্ষম হ'ল। তেওঁৰ গল্পত পৰিস্থিতিৰ মাজেদি চৰিত্ৰক প্ৰকাশ কৰা হয় আৰু তাৰ মাজেদিয়েই লেখকে জীৱন সম্পৰ্কে নিজৰ দৃষ্টিভংগী প্ৰকাশ কৰে। গল্পত ভাষাৰ সাৱলীলতা, ভাৱৰ ঘনত্ব আৰু কবিত্বময় লালিত্য – এক কথাত ক'বলৈ গ'লে গল্পৰ ব্যৱহৃত ভাষাৰ যাদুকৰী সন্মোহনী শক্তিয়েও ৰাধিকামোহন গোস্বামীৰ গল্পক সাফল্যৰ শাৰীলৈ উন্নীত কৰাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে।

আৱাহন যুগৰ গল্পৰ সম্পৰ্কে হোমেন বৰগোহাঞিয়ে লিখিছে – "আৱাহন যুগৰ কেইবাজনো শক্তিশালী গল্প লেখকৰ প্ৰিয় বিষয়বস্তু আছিল নৰ-নাৰীৰ সম্পৰ্কৰ অন্তহীন ৰহস্যানুসন্ধান।"[৫৭] *আৱাহন*ৰ পাতত গল্প লিখিবলৈ আৰম্ভ কৰি বিশিষ্ট গল্পকাৰ হিচাপে পৰিচয় দিয়া কৃষ্ণ ভূঞা এই ৰহস্যানুসন্ধানৰ এগৰাকী অগ্ৰণী সন্ধানী। ৰোমান্টিক গল্পকাৰ হিচাপে তেওঁ এক সুকীয়া মৰ্যাদাৰ অধিকাৰী।

নাৰী পুৰুষৰ সম্পৰ্কৰ এই অন্তহীন ৰহস্যানুসন্ধান অব্যাহত থকা কৃষ্ণ ভূঞাৰ এটা উল্লেখযোগ্য গল্প হৈছে 'যাদুঘৰ।'[৫৮] ইয়াত কিৰণ নামৰ ব্যক্তিজনে তেওঁৰ অন্তৰংগ বন্ধু অমলক সন্দেহজনক চৰিত্ৰৰ ৰহস্যময়ী নাৰী নীহাৰৰ কবলৰ পৰা বচাবলৈ গৈ সফল হয় যদিও শেষত নিজেই চগাৰ দৰে সেই জুইত জাহ গৈছে। অগতানুগতিক বিষয়বস্তুৰ উপস্থাপন আৰু পৰিকল্পনা, ভাৱৰ একমুখিতা, পৰিস্থিতিৰ চিত্ৰধৰ্মী বৰ্ণনা, কাব্যিক অনুভূতিৰ সতেজতা আদিৰ অপূৰ্ব সমন্বয়ে গল্পটোক এক বিশেষ মৰ্যাদা প্ৰদান কৰিছে।

অন্য এটা দিশৰ পৰাও এই গল্পটো বিশেষভাৱে উল্লেখযোগ্য। সমাজৰ চকুত ঘৃণাৰ পাত্ৰী এজনী বেশ্যা নীহাৰৰ মাজত কিৰণে উপলব্ধি কৰিলে দেহাতীত অনিৰ্বচনীয় সৌন্দৰ্য। বেশ্যাৰ প্ৰতি এই অভিনৱ দৃষ্টি অসমীয়া সাহিত্যতে অভূতপূৰ্ব। এইটো গল্প প্ৰকাশ হোৱাৰ কেইবাবছৰো পিছতহে কবি অমূল্য বৰুৱাই বিখ্যাত 'বেশ্যা' কবিতা লিখিছিল। এইফালৰ পৰা চাবলৈ গলে বেশ্যাৰ প্ৰতি সমাজৰ পৰম্পৰাগত দৃষ্টিভংগীৰ বিপৰীতে প্ৰথম বাৰৰ বাবে এই নতুন মানৱীয় চেতনাসম্বলিত দৃষ্টিৰ অধিকাৰী গল্পকাৰ কৃষ্ণ ভূঞাহে।

অমল আৰু কিৰণ নীহাৰৰ ওচৰলৈ জৈৱিক প্ৰবৃত্তিৰ তৃপ্তিৰ বাবে যোৱা নাছিল। তেওঁলোক নীহাৰৰ প্ৰতি আকৰ্ষিত হোৱাৰ মূলতে আছিল তেওঁৰ অনিৰ্বচনীয় সৌন্দৰ্যবোধ। সুকুমাৰ কলাৰ সাধিকা

৫৭। হোমেন বৰগোহাঞি — *অসমীয়া গল্প সংকলন,* ১ম খণ্ড, পৃঃ ১৯৩

৫৮। কৃষ্ণ ভূঞা — 'যাদুঘৰ', *অসমীয়া গল্প সংকলন*

নীহাৰৰ সৌন্দৰ্যময়ী ব্যক্তিত্বৰ প্ৰতি আকৃষ্ট হৈ দুয়ো বন্ধুৱে সমাজে নিৰ্দ্ধাৰণ কৰি দিয়া সীমাৰেখা অতিক্ৰম কৰিছিল। অমূল্য আপুৰুগীয়া সম্পদ যাদুঘৰত সংৰক্ষণ কৰাৰ দৰে নীহাৰৰ ঘৰত থকা প্ৰত্যেকটো বস্তুতেই যেন অসাধাৰণত্ব আৰু শাশ্বত সৌন্দৰ্য আৰোপিত হৈছে। নীহাৰৰ আচৰণ আৰু মানসিকতা দেখি কিৰণে অনুভৱ কৰিলে – নীহাৰৰ কোঠাটো যেন সাধাৰণ মানুহৰ কোঠা এটা মাথোন নহয়, ই যেন এটা সুকুমাৰ সৌন্দৰ্যৰ যাদুঘৰ!

কৃষ্ণ ভূঞাৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে হোমেন বৰগোহাঞিয়ে কৈছে –

> কেৱল বিষয়বস্তুৰ অভিনৱত্বই নহয়, কৃষ্ণ ভূঞাৰ বিশিষ্ট ৰচনা ৰীতিৰ পৰিচয়ো পোৱা যায়। আন বহুতো লেখকৰ দৰে উচ্ছ্বাসৰ প্ৰাৱল্য বা বাগাড়ম্বৰ তেওঁৰ গল্পত নাই। অনুভূতিৰ গভীৰতা যিমানেই বাঢ়ে, তাৰ প্ৰকাশো সিমানেই সংযত হয়। কৃষ্ণ ভূঞাৰ ভাষাৰ সংযম, পৰিমিতিবোধ প্ৰশংনীয় আৰু তেওঁ নিজেই গোটেইখিনি কথা কৈ নিদি পাঠকৰ কাৰণে কল্পনাৰ অৱকাশ ৰাখি যায়।[৫৯]

আৱাহন যুগৰ গল্পকাৰ ৰূপে আত্মপ্ৰকাশ কৰা লেখকৰ সংখ্যা বহুত যদিও শিল্পগুণসন্মত চুটিগল্পৰ বৈশিষ্ট্যৰে সমুজ্বল গল্প ৰচনাৰ দ্বাৰা প্ৰতিষ্ঠা লাভ কৰা গল্পকাৰৰ সংখ্যা সীমিত। কিন্তু এই যুগৰ অসমীয়া চুটি গল্পৰ ধাৰাটো শক্তিশালী কৰি তোলাত প্ৰত্যেকজন গল্পকাৰৰে অৱদান অনস্বীকাৰ্য। ইতিমধ্যে আলোচনা কৰি অহা আৱাহন যুগৰ প্ৰতিনিধি স্থানীয় এই কেইজন গল্পকাৰৰ উপৰিও মুনীন বৰকটকী, ডাঃ হেমচন্দ্ৰ বৰুৱা, উমাকান্ত শৰ্মা, দীননাথ শৰ্মা, প্ৰবোধ গোস্বামী, জমিৰউদ্দিন আহমেদ, সুপ্ৰভা গোস্বামী, দীপান্বিতা চৌধুৰী, উমেশ চন্দ্ৰ শইকীয়া, প্ৰেম নাৰায়ণ দত্ত আদি কেইগৰাকীমান গল্পকাৰৰ নাম উল্লেখযোগ্য।

*আৱাহনৰ* পিছত পৰবৰ্তী কালৰ যুগান্তকাৰী আলোচনী *ৰামধেনু*ৱে অসমীয়া সাহিত্যলৈ আধুনিকতাৰ ধ্বজা বহন কৰি আনিলে। সমগ্ৰ অসমীয়া সাহিত্যতে এই নতুনত্ব বিয়পি পৰিল — চুটি গল্পৰ পৰা সমালোচনামূলক সাহিত্যলৈ। পাশ্চাত্য জগতত আলোড়ন সৃষ্টি কৰা বিভিন্ন দৰ্শন, চিন্তা-চৰ্চা আহি অসমীয়া সাহিত্যত সোমালেহি। এই পশ্চিমীয়া ভাৱধাৰা *আৱাহনৰ* পাততো প্ৰকাশ পাইছিল যদিও ৰামধেনু যুগত ই নতুন আৰু সবলৰূপত প্ৰতিষ্ঠিত হ'ল । জোনাকী যুগৰ পৰা

৫৯। হোমেন বৰগোহাঞি — *অসমীয়া গল্প সংকলন*, ১ম খণ্ড, পৃঃ ১৯৪

প্ৰচলিত হৈ অহা ৰোমান্টিক সাহিত্যৰ সৈতে যুদ্ধোত্তৰ যুগৰ সাহিত্যৰ যথেষ্ট পাৰ্থক্য দেখা গ'ল। আদৰ্শ, দৃষ্টিভংগী আৰু প্ৰকাশ কৌশলৰ ক্ষেত্ৰত এই পাৰ্থক্য স্পষ্টৰূপত প্ৰতিভাত হ'ল। ৰোমান্টিক সাহিত্যৰ অন্যতম বৈশিষ্ট্য কল্পনা বিলাসিতাৰ ঠাই ললে গভীৰ বাস্তৱবাদে। ধৰ্ম আৰু আধ্যাত্মিকতাৰ সম্পৰ্কে থকা পৰম্পৰাগত গতানুগতিক বিশ্বাসৰ ভেটি লৰিল। জীৱনৰ মূল্যবোধৰ পৰিবৰ্তন ঘটিল। এক নতুন দৃষ্টিৰে ব্যক্তি আৰু সমাজক প্ৰত্যক্ষ কৰাত এই নতুন যুগৰ লেখকসকল ব্ৰতী হৈ পৰিল। সাতামপুৰুষীয়া সামাজিক তথা সাম্প্ৰদায়িক বন্ধনক স্বীকাৰ কৰি ল'বলৈ টান পাই তেওঁলোকে সাহিত্যৰ জৰিয়তে মুক্তিৰ আস্বাদ ল'বলৈ বিচাৰিলে। সমাজ সংগঠনৰ ক্ষেত্ৰত এই যুগৰ একাংশ লেখক উদ্বুদ্ধ হৈ পৰিল মাৰ্ক্সীয় চিন্তা-ধাৰাৰে। এই লক্ষণবোৰ *আৱাহন*ৰ দিনতে চেগা চোৰোকাকৈ দেখা গৈছিল। কিন্তু *ৰামধেনু*ৰ সমগ্ৰ বাতাবৰণ আৱৰ্তিত হবলৈ ধৰিলে এইবোৰক কেন্দ্ৰ কৰিয়েই। *আৱাহনত* অসমীয়া চুটি গল্প আংগিকৰ কলাকৌশলৰ ফালৰ পৰা সফল হ'ল, *ৰামধেনুত* সেইবোৰৰ ওপৰত পৰীক্ষা-নিৰিক্ষা চলিল – অনুসন্ধান আৰম্ভ হ'ল।

ৰোমান্টিকতাৰ অৱসান ঘটোৱাত প্ৰভূত পৰিমাণে অৰিহণা যোগোৱা মহাযুদ্ধৰ ফলস্বৰূপে সমগ্ৰ দেশৰে ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক অৱস্থাৰ দ্ৰুত পৰিবৰ্তন ঘটে। তেনেদৰে পৰিবৰ্তিত হ'ল সাধাৰণ মানুহৰ চিন্তা-ভাৱনা আৰু বিশ্বাস।আনহাতেদি নিত্য নতুন বিজ্ঞানৰ আৱিষ্কাৰেও মানুহৰ চকুত চমক লগালে। ধৰ্ম তথা ভগৱানৰ অস্তিত্বৰ প্ৰতি সন্দেহৰ সৃষ্টি হ'ল। এনে দ্ৰুত পৰিবৰ্তনশীল সমাজৰ বিভিন্ন সমস্যা, ঘটনা, অভিজ্ঞতাৰে পুষ্ট হৈ পৰা ব্যক্তিৰ আশা-আকাংক্ষাৰ বৰ্ণনা কৰিবলৈ এই যুগৰ লেখকসকল অগ্ৰহী হৈ পৰিল। আধুনিক মনোবিজ্ঞানৰ প্ৰভাৱে তেওঁলোকক ব্যক্তিৰ বাহ্যিক ৰূপটোতকৈ আভ্যন্তৰীণ ৰূপটোৰ বিশ্লেষণ কৰিবলৈ তীব্ৰ ইচ্ছা আৰু আগ্ৰহৰ সৃষ্টি কৰিলে। প্ৰখ্যাত মনস্তত্ববিদ ফ্ৰয়দৰ দৰ্শনে তেওঁলোকৰ ওপৰত বিশেষভাৱে প্ৰভাৱ পেলালে।

প্ৰথমবাৰৰ বাবে অসমীয়া চুটিগল্পই নিজৰ সমগ্ৰ ঐশ্বৰ্যৰে মহিমামণ্ডিত হৈ পৰিছিল এই যুদ্ধোত্তৰ যুগতে আৰু এই ঐশ্বৰ্যৰ স্বাক্ষৰ বহন কৰাৰ বিশাল গৌৰৱৰ অধিকাৰী হৈছিল *ৰামধেনু* আলোচনী। অসমীয়া চুটিগল্পই পৰিপূৰ্ণতা লাভ কৰিলে এই *ৰামধেনু*ৰ পাততে। সেয়েহে ৰামধেনু যুগক অসমীয়া চুটিগল্পৰ সোণালী যুগ হিচাপে আখ্যা দিয়া হৈছে। এই যুগৰ লেখকসকলৰ পশ্চাৎপট ৰূপে থকা মহাযুদ্ধৰ প্ৰভাৱে ৰোমান্টিক চেতনাৰ প্ৰতি তেওঁলোকক আগ্ৰহহীন কৰি তোলে। এই সময়ছোৱাত

লেখকসকল পৰম্পৰাগত ধ্যান-ধাৰণাৰ পৰা আঁতৰি আহি অধিক বাস্তৱবাদী হৈ পৰিল। সেয়েহে এওঁলোকৰ গল্পত আগৰ যুগতকৈ অধিক বাস্তৱমুখিতা আৰু সূক্ষ্মতৰ আংগিক দেখা যায়। গল্পকাৰসকল বেছি পৰিমাণে সমাজ সচেতন হ'বলৈ ল'লে আৰু বিশেষভাৱে সচেতন হৈ পৰিল সমাজত চলি থকা অন্যায়-অবিচাৰৰ প্ৰতি। এই প্ৰসংগতে উল্লেখযোগ্য যে অসমীয়া চুটিগল্প জন্মলগ্নৰে পৰা সমাজ সচেতন আৰু *ৰামধেনু*ৰ গল্পকাৰসকলো ইয়াৰ ব্যতিক্ৰম নহ'ল। স্বৰাজোত্তৰ কালত মধ্যবিত্ত সমাজত দেখা দিয়া ক্ষয়িষ্ণু জীৱনৰ প্ৰতিও তেওঁলোক সজাগ আছিল। সেয়েহে *ৰামধেনু*ৰ গল্পত এই দিশটোৱে ক্ৰিয়া কৰা পৰিলক্ষিত হয়। ভাৰতৰ অন্তিম পৰ্যায়ৰ স্বাধীনতা আন্দোলনৰ সৈতেও এই তৰুণ লেখকসকল জড়িত আছিল। সেই সময়ৰ বংগদেশৰ দুৰ্ভিক্ষ, দেশ বিভাজন তথা সাম্প্ৰদায়িক সংঘৰ্ষই তেওঁলোকৰ হৃদয় স্পৰ্শ কৰি গৈছিল। স্বাধীনতা প্ৰাপ্তিৰ পৰৱৰ্তী কালতেই দেখা দিয়া ৰাজনৈতিক বিশৃংখলতা আৰু আদৰ্শচ্যুতিয়ে তেওঁলোকক হতাশ কৰাৰ প্ৰমাণ গল্পত মূৰ্ত হৈ পৰিল। সেই সময়ত ক্ৰমশঃ বৃদ্ধি পাবলৈ লোৱা নগৰীয়া জীৱনৰ প্ৰতি মোহ ভালেমান গল্পকাৰৰ গল্পত কেন্দ্ৰীয় ভাৱ হিচাপে স্থান পাইছে যদিও *ৰামধেনু*ৰ চুটিগল্প গাৱঁলীয়া সমাজখনক কেন্দ্ৰ কৰিয়েই প্ৰধানতঃ আৱৰ্তিত হৈছে। স্বাধীনতা লাভ, মহাযুদ্ধৰ সৰ্বব্যাপি প্ৰভাৱ আৰু বিজ্ঞানৰ ন ন আৱিষ্কাৰে সমাজৰ দ্ৰুত পৰিৱৰ্তন সাধন কৰে। এনে পৰিৱৰ্তনশীল সমাজৰ বিচিত্ৰ অভিজ্ঞতা আৰু সমস্যাত জৰ্জৰিত হোৱা ব্যক্তিৰ আশা-নিৰাশা, কামনা-বাসনা, সুখ-দুখৰ কথা এই যুগৰ গল্পকাৰে ৰূপ দিবলৈ চেষ্টা চলালে। নতুন লেখকসকলৰ ৰচনাত সহজ বৰ্ণনাতকৈ সূক্ষ্ম বিশ্লেষণ, বহিঃ সংঘাততকৈ আভ্যন্তৰীণ সংঘাতে ঠাই পালে। মানৱ জীৱনৰ বৈচিত্ৰ্যময় প্ৰকাশ আধুনিক গল্পকাৰৰ ৰচনাত লক্ষ্য কৰা যায়। যুদ্ধ পৰৱৰ্তী যুগত মনোধৰ্মিতাৰ ঠাইত বস্তুধৰ্মী পৰ্যবেক্ষণৰ প্ৰকাশ ক্ৰমে সজীৱ হৈ উঠিল। এই যুগৰ লেখকসকলৰ নতুন শক্তিশালী আৰু বাস্তৱধৰ্মী দৃষ্টিভংগীয়ে নাটকীয়তা আৰু তাৰ পৰা সৃষ্টি হোৱা কৃত্ৰিমতাৰ পৰিবৰ্তে স্বাভাৱিকতা আৰু বস্তুনিষ্ঠতাক অধিক প্ৰাধান্য দিলে। বৰ্ণনা আৰু কথোপকথন অধিক স্বাভাৱিক আৰু বাস্তৱধৰ্মী হ'ল। যুদ্ধোত্তৰ যুগৰ সাহিত্যৰ অন্যতম বৈশিষ্ট্য বাস্তৱবোধৰ যথাৰ্থ ৰূপায়ণৰ খাতিৰত আগতে অবাঞ্ছিত বা অব্যৱহাৰ্য বুলি গণ্য কৰা বিষয়বস্তু বা বৰ্ণনাৰ প্ৰতি থকা সংকোচ তথা নেতিবাচক দৃষ্টিভংগীৰ সলনি ঘটিল। মনোবৈজ্ঞানিক চিন্তাধাৰাৰে পৰিপুষ্ট হৈ এই যুগৰ গল্পকাৰে জীৱন-যৌৱনৰ ওপৰত নিৰ্মোহ বিশ্লেষণ চলালে। তেনেকৈ সমাজ সংগঠনৰ ক্ষেত্ৰত মাৰ্ক্সীয় দৰ্শনেৰে প্ৰভাৱান্বিত হৈ বঞ্চিত আৰু সৰ্বহাৰা শ্ৰেণীৰ সৰ্বস্ব ঘূৰাই

অনাৰ স্বপ্ন তেওঁলোকৰ গল্পত প্ৰতিফলিত হ'ল যদিও আনহাতে প্ৰয়োজন সাপেক্ষে বাগাড়ম্বৰসৰ্বস্ব মাৰ্ক্সবাদীসকলৰ ফোপোলা স্বৰূপকো উদঙাই নিদিয়াকৈ নাথাকিল।

এই প্ৰসংগত উল্লেখ কৰিব পাৰি যে আৱাহন যুগৰ অসমীয়া চুটিগল্প তাৰ প্ৰায়বোৰ আংগিক বৈচিত্ৰ্যৰে সমৃদ্ধ হৈছিল। *ৰামধেনুৰ* গল্প অভূতপূৰ্বভাৱে ঐশ্বৰ্যশালী হৈ উঠিছিল সেই কালৰ গল্পকাৰ সকলৰ বিচিত্ৰ উদ্ভাৱন শক্তি, গভীৰ বিশ্লেষণ দক্ষতা তীব্ৰ যুগ সচেতনতা আৰু প্ৰচুৰ সামাজিক দায়িত্ববোধৰ পৰশত। অসমীয়া চুটিগল্পৰ ক্ষেত্ৰত *ৰামধেনুৰ* এই অক্ষয় কীৰ্তি আজিও অম্লান হৈ আছে। *ৰামধেনুৰ* জৰিয়তে প্ৰতিষ্ঠা লাভ কৰা বহুকেইজন গল্পকাৰে আজিও লেখা অব্যাহত ৰাখিছে যদিও *ৰামধেনুৰ* পাততেই তেওঁলোকৰ জীৱনৰ উৎকৃষ্ট গল্পসমূহ প্ৰকাশ পাইছে। ৰামধেনু যুগৰ সেই প্ৰাচুৰ্যক বৰ্তমানলৈকে চেৰ পেলাব পৰা নাই। অসমীয়া চুটিগল্পৰ ইতিহাসত *ৰামধেনু* আজিও অদ্বিতীয়।

-------------- 000 ----------------